
# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakhinath Bezbarooah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1925 (1847 Sak) | Edition: |
| Size: 22½ cms - 722 pages | Genre: Magazine |
| Volumes: 15 (1, 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 15 no) | Condition of the original: Brittle. |
| Remarks: Illustrated | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|




পঞ্চদশ বছৰ

১৮৪৭ শক

৬ষ্ঠ সংখ্যা

আহিন

"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।"

## অব্যক্ত প্ৰেম

তেতিয়া তুমি তো এনে লাকতৰ প্ৰিয়া
নাছিলা? থাকিলে তুমি চকুৰ আগত
নেলাগে অকণো ভাল,—বিন্ধে মোৰ হিয়া
শুনিলে তোমাৰ কথা, প্ৰতিটি মাতত;
তেও তুমি কিয় বাক গলেই আঁতৰি
তেনেই উকঙা লাগি যায় হিয়াখনি;

মাৰ যায় অন্তৰৰ সঙ্গীত-লহৰী
তোমাৰ মাতৰ এটি শুগুনি কঁপনি?
লোকৰ আগত কওঁ, তোমাৰ লাৱণী
মাথোঁ অন্ধ প্ৰেমিকৰ অলীক সপোন;
লুকাই কিয়নো ময়ে চাওঁ চকু ভাঙি,
তুমি যদি নোহা মোৰ প্ৰণয়-দাপোণ?

কি হব, বাহ্যিক মনে ভাব ভু নেপালে—
প্ৰেমৰ কঁাইটে যদি প্ৰাণত ফুটিলে!

## ব্যক্ত প্ৰেম

গোপন চাৱন মোৰ ধৰা পৰি গল,
নোৱাৰিলো হিয়াখনি ধৰিব জপাই;
ৰূপৰ চাটিৰে কোনে অন্তৰ কঁপায়?
—প্ৰিয়া-পৰশত মোৰ প্ৰাণ বন্দী হল!
মোৰ ধ্যান মোৰ জ্ঞান তুপাহি ফুলত—
ৰ'দ-বৰষুণ পায়ো নজৰা নপমা;
—কেতেকী পাহিটি যেন কোমেও সুমুঙা—

ফুলি আছে গোলপুৰা প্ৰিয়া' তুগালত।
নিতম্ব-চুম্বিত চুলিটাৰিয়ে প্ৰিয়াৰ
পেলালে মেৰাই মোৰ গোটেই শৰীৰ,
মুখৰ শিতান হল উঠন তুবুক;
প্ৰিয়াৰ ৰূপেই আজি দেৱতা হিয়াৰ,
প্ৰিয়াৰ দেহটি মোৰ পূজাৰ মন্দিৰ;
জলিছে এযুৰি বন্তি,—প্ৰিয়াৰ তুচকু।

শ্ৰীডিম্বেশ্বৰ নেওগ

# আমাৰ অৱস্থা

পৰিবৰ্ত্তনশীল জাতীয় জীৱনত অসমীয়াই আজি নতুনকৈ দেশৰ সেৱা কৰিবলৈ শিকিব লগা হৈছে যদিও, এদিন অসমীয়াই স্বদেশ স্বজাতিৰ নিমিত্তে জীৱন বলি দিবলৈ, দেশৰ সেৱাত কৰ্ত্তব্যপৰায়ণ হবলৈ আন জাতিকো আহি দেখুৱাব পাৰিছিল। প্ৰাচীন কামৰূপৰ বিজয় গৌৰৱ আৰু ঐশ্বৰ্য্য-বিভূতিৰ কথা এৰিলেও, সিদিনালৈকে অসমীয়াই কব পাৰিছিল—"মোৰ দেশতকৈ মোৰ মোমাই ডাঙৰ নহয়।" নিজৰ কৰ্ত্তব্যপৰায়ণতাৰে আন জাতিক স্তম্ভিত কৰিছিল,— এজন অসমীয়াই বাৰজন মানুহৰ কাম কৰিব পাৰে। এদিন যি অসমীয়াৰ শৌৰ্য্য-বীৰ্য্য প্ৰভাৱৰ কথা আজিও বিদেশীৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা আছে,—"মহম্মদ শ্বাহৰ লগত অহা একলক্ষ অশ্বাৰোহী সৈন্যৰ ভিতৰত এটিও আসামৰপৰা স্বদেশলৈ ঘূৰি যাব পৰা নাছিল।" এদিন এই অসমীয়াৰে আত্মদ্ৰোহ-পাপত দেশৰ ভাগ্য-লক্ষ্মী অন্তৰ্দ্ধান হল। তিনিবাৰ মানৰ আক্ৰমণত সোণৰ দেশ শ্মশানশায়িত পৰিণত হল, ধনে-জনে পৰিপূৰ্ণ গাওঁ-ভূঁই অৰণ্য হল, বাকী অসমীয়াৰ নো ঘৰ-বাৰী ধন-সম্পত্তি বুলিবলৈ কি আছিল? এনে দুৰ্দ্দিনত বৃটিশ্ গবৰ্ণমেণ্টৰ আশ্ৰয়ত অসমীয়া জাতিৰ আকৌ পান-খিত লাগিল। কৃষি শিল্প আদি কামত অসমীয়াই মন দিলে; এনে অৱস্থাৰপৰা এশ্ঠি অসমীয়াই প্ৰায় আঠৈকৰি বছৰৰ ভিতৰতে গাওঁ-ভূঁইৰ অৱস্থা টনকিয়াল কৰিলে, মান-ভগনৰ পাছৰপৰা আসামত অসমীয়াৰ ভাত-কাপোৰৰ অভাৱ হোৱা নাছিল। ভঁৰালত ধান, তাঁতশালত কাপোৰ, গোহালিত গৰু, পুখুৰীত মাছ, ঘৰত হাঁহ, পাৰ, ছাগলী, আৰু বাৰীভৰা আম কঠালকে আদি কৰি খাবধি-পাচলিলৈকে ঘৰে ঘৰে অসমীয়াই আজি লৈছিল। অকল এয়ে নহয়; কুঁহিয়াৰ খেতি কৰি, গুৰ সৰিয়হৰ খেতি কৰি, তেল মাহৰ খেতি কৰি, আঙ্গা বছেৰেকলৈ যোগাৰ কৰি লৈছিল। অসমীয়া ধনী নাছিল সঁচা; কিন্তু স্বাৱলম্বী আছিল। দেশত ডাক্তৰ আস্পতাল এতিয়াৰ দৰে নাছিল যদিও, জীৱন-যুদ্ধত জয় হবৰ উপযোগী সুস্থ-সবল স্বাস্থ্য অসমীয়াৰ আছিল। গাৱেঁ গাৱেঁ বুঢ়া ডেকা সকলোৰে উলাহ-ভৰা বুকু, হাঁহি-ভৰা মুখ, কাম কৰিব-পৰা বাহুত শক্তি সেই দিনালৈকে অসমীয়াৰ আছিল। অতিথি-দেৱতা বা নৰনাৰায়ণৰ সেৱাতেই অসমীয়াৰ আনন্দ আছিল। সৰল প্ৰাণৰ গাৱঁলীয়াক সেই সময়লৈকে হিংসা-খিয়াল আদি নীচমনা বৃত্তিবিলাকে এতিয়াৰদৰে তললৈ নিয়া নাছিল। তেতিয়ালৈকে এজন গঞাৰ লগত দহজন উবুৰি খাই মৰিব পাৰিছিল; এজনৰ দুখত দহজনে চকুলো টুকিছিল। সকলো বিষয়তে গাঁৱলীয়া স্বাৱলম্বী হৈ সুখৰ জীৱন ভোগ কৰিব জানিছিল।

ভাবিছিল অসমীয়াই বৃটিশ গৱৰ্ণমেণ্টৰ সুশাসনৰ তলত থাকি কৃষি-শিল্প, বেহা-বেপাৰ, শিক্ষা আৰু স্বাস্থ্যৰ উন্নতি কৰি সভ্য জগতৰ সকলো অধিকাৰ ভোগ কৰিবলৈ দিনে দিনে উপযুক্ত হব পাৰিব। এই আশা লৈয়ে অসমীয়াই ইমান দিন সুখৰ সপোন দেখিছিল, এই সপোন ভগাৰ পাছত অসমীয়াই বুজিব পাৰিলে জীৱন যুদ্ধত কিমানদূৰ ঘাটি খালে। যি অসমীয়াই ইমান দূৰ আশা কৰিছিল, সেই অসমীয়াই দেখা পালে, অসমীয়াৰ ভাগ্যত আগেয়ে যি আছিল আজি সিও নাই। অসমীয়া আজি প্ৰত্যেক বিষয়তে পৰমুখাপেক্ষী, আত্মবিশ্বাস আৰু আত্ম-নিৰ্ভৰ-হীন। অসমীয়া আজি কানীয়া, ভঙুৱা, এলেহুৱা, সোৰোপা; পেটৰ ভাত, গাৰ কাপোৰৰ নিমিত্তে লৰা-ঢিৰোতাৰ হাহাকাৰ। অসমীয়া আজি অল্পায়ু, জৰা-ব্যাধি-গ্ৰস্ত, ৰোগৰ প্ৰতিমূৰ্ত্তি স্বৰূপ। সেই অসমীয়াৰ বল, বীৰ্য্য, উত্তম, উৎসাহৰ পৰিবৰ্ত্তে আজি দুৰ্ব্বল, নিস্তেজ, কাপুৰুষ আৰু আত্মসন্মানহীন জীৱ। "এনে অসমৰ্থ জীৱৰ ভাৰ বহন কৰিবলৈ প্ৰকৃতি জননী বিমুখ।" সেই সৰল প্ৰাণৰ গাৱঁলীয়া আজি খোচা-খুচি, খিয়লা-খিয়লি পৰশ্ৰীকাতৰতা দোষত কলুষিত। ইংৰাজ গৱৰ্ণমেণ্টৰ অনুগ্ৰহত পোৱা কানিৰ সোৱাদত অসমীয়া আজি সৰ্ব্বস্বান্ত। ভঁৰালত ধান নাই, গাত কাপোৰ নাই, গোহালিত গৰু নাই,



ৰাজস্বৰ দায়ত ঘৰত লোটা-বাটি নাই, কৰলৈ গলে কানীয়া অসমীয়াৰ আগৰ দৰে পথাৰত হাল নাই। আজি আছে গাৱঁলীয়াৰ স্বৰগদেখা পঁজা, জুহালত কানিৰ খোলা, বাঁহৰ হোকা, বহিব-শুবলৈ মজিয়া, আৰু শুচাবলৈ সৰহ ভাগৰ ভুঁহ-জুই আৰু কুৰিবছৰীয়া ফটাকথা। গাৱঁলীয়াৰ পৱিত্ৰ আৰু শান্তিময় জীৱন আজি প্ৰৱঞ্চনা, প্ৰতাৰণা, মামলা-মকৰ্দ্দমা আদিৰে জৰ্জ্জৰিত।

কানি-ভাঙে অসমীয়াক এলেহুৱা সোৰোপা কৰিলে, মনৰ উদ্যম, উৎসাহ, সাহ-পিত নোহোৱা কৰিলে; আঠৈ-কুৰি বছৰৰ আগৰ দিনৰ অসমীয়া আজি দেশাত্মবোধহীন হৈয় অপদাৰ্থ জাতি নহয় কি? অকল কানি-ভাঙেই নহয়; পাশ্চাত্য শিক্ষা আদৰ্শ আৰু শাসন-প্ৰণালীয়েও জাতীয় জীৱনৰ পুষ্টিসাধন নকৰি, অজীৰ্ণৰোগ বৃদ্ধি কৰি দিনে দিনে জাতিক দুৰ্ব্বল কৰি তুলিছে। পাশ্চাত্য শিক্ষা-ভিমানী অন্ধ-অনুকৰণ-প্ৰিয় শিক্ষিত অসমীয়াৰ আদৰ্শেও গাৱঁলীয়াৰ জীৱন বিষময় কৰি তুলিছে।

শিক্ষাৰ উদ্দেশ্য এনে নহয় বুলি জানো নেভাবি পাৰি? ৰোমৰ বাগ্মীপ্ৰধান ছিছিৰো যেতিয়া ছিলিছিয়া প্ৰদেশৰ শাসনকাৰ্য্যৰ পৰা অৱসৰ লৈ ৰোম নগৰলৈ ঘূৰি আহিছিল, তেতিয়া তেওঁৰ কোনো এজন বিপক্ষৰ লোকে ছিনেট্ সভাত কৈছিল:— "ছিছিৰোই এখন প্ৰদেশৰ শাসন-ভাৰ পায়ো একো কাম কৰিব নোৱাৰিলে, এখন যুদ্ধও জয় কৰা নাই, এটা শত্ৰুকো বিনাশ কৰা নাই।" তাৰ উত্তৰত ছিছিৰোই কলে— "মই ছিলিছিয়া প্ৰদেশত ৰোমৰ অধিকাৰ বদ্ধমূল কৰিছো। মই যি কৰিছো তাৰ দ্বাৰাই সেই প্ৰদেশবাসী চিৰকালৰ নিমিত্তে ৰোমৰ দাসানুদাস হৈ থাকিব। মই ৰোমীয় ভাষা (লেটিন) শিক্ষাৰ নিমিত্তে ১৪০টা বিদ্যালয় স্থাপন কৰিছো, সেইবিলাক বিদ্যালয়ৰ ছাত্ৰবিলাক একেবাৰে ৰোমীয় মন্ত্ৰত দীক্ষিত হোৱাৰ দৰে হব; কেতিয়াও ৰোমীয় ভিন্ন আন কাকো নিজৰ আদৰ্শ স্থানীয় বুলি ভাবিব নোৱাৰিব।" ছিনেট্ সভাই ছিছিৰোৰ কথাবিলাক সম্পূৰ্ণ অনুমোদন কৰিছিল। ছিছিৰোৰ অভিপ্ৰায় ফলিয়াবলৈ আমাৰ জীৱনত বাকী আছে জানো?

পাশ্চাত্য শিক্ষা-আদৰ্শ আৰু শাসন-প্ৰণালীয়ে যে জাতিৰ একো উপকাৰ কৰা নাই এনে নহয়; এসময়ত এই শিক্ষা আদৰ্শ আৰু শাসন-প্ৰণালীৰ কিছুপৰিমাণে আৱশ্যক আছিল যদিও বৰ্ত্তমানত ই অশুভকাৰী। ভৱিষ্যতলৈ এই শিক্ষা-আদৰ্শৰ আৱশ্যক যে নহব এনেও নহয়, ভাৰতে যেতিয়া স্বৰাজ বা জন্মস্বত্ব অধিকাৰ কৰি প্ৰাচ্য আৰু প্ৰতীচ্যৰ সহযোগত জাতীয় জীৱন গঠন কৰি সভ্য জগতত মানুহৰ আসন লাভ কৰিব, সেই সময়ত এই শিক্ষা-আদৰ্শৰো সহায় লাগিব।

অকল অসমীয়াৰে নহয় সমগ্ৰ ভাৰতে আজি এই ঐন্দ্ৰজালিক শিক্ষাৰ শাসনৰ মুঠিৰ পৰা আত্মৰক্ষা কৰিবলৈ আৰ্ত্তনাদ কৰি উঠিছে। এই আৰ্ত্তনাদ শুনে কোনে? ভাবে কোনে? সকলো যেন মন্ত্ৰমুগ্ধ। জগতৰ সকলো পৰাধীন জাতিৰ ভাগ্যত যি এবাৰ ঘটি গৈছে, ভাৰতৰ ভাগ্যতো আজি সেয়ে ঘটিছে!

দেশৰ উন্নতিৰ নিমিত্তে নেভাবো নকৰো বুলি কিছুদিন মানুহে কৰ্ত্তব্যৰ অৱহেলা কৰি থাকিব পাৰে, কিন্তু অন্তৰাত্মাৰ প্ৰেৰণাত আজি নহয় কালিলৈ দেশৰ সুখ-সন্তোষেই নিজৰ সুখ-সন্তোষ বুলি ভাবিবলৈ বাধ্য হব। কিয়নো, দেশৰ উন্নতিৰ লগতে মনুষ্যত্বৰ বিকাশ; আৰু এই আত্ম-প্ৰসাৰৰ লগতে বিশ্বজনীন ভ্ৰাতৃত্বৰ সম্বন্ধ। জগতৰ লগত দান-প্ৰতিদানৰ বিনিময়েই জাতিৰ জীৱন; অনুগ্ৰহৰ ভিখাৰী হোৱাই জাতিৰ মৰণ। এনে জাতি সংসাৰত মানুহ নামৰ অযোগ্য। ৰবি ঠাকুৰৰ বীণাত ভাৰতবাসীৰ মৰ্ম্মকথা প্ৰতিধ্বনিত হৈছে:—

"সাত কোটি সন্তানেৰে হে মুগ্ধ জননী
ৰেখেছ বাঙালী কৰে মানুষ কৰনি॥"

এই কথাকে মহাত্মা গান্ধিৰ অসহযোগ আন্দোলনে প্ৰমাণ কৰিলে,—দুৰ্দ্দশাত পোতগৈ থকা ভাৰতবাসী আজিও "মানুহ" হব পৰা নাই।

স্বাৰ্থ আৰু সঙ্কীৰ্ণতাৰ পলসত পোত গলেই জাতিৰ দুৰ্দ্দশা, তাতে যদি পৰাধীনতাৰ দোষে মানুহৰ মনোবৃত্তি-বিলাক দুৰ্ব্বল কৰি তোলে, সেই জাতিয়ে মনুষ্যত্ব হেৰায়।

অন্ন-বস্ত্ৰৰ কঙাল ভাৰতবাসী, অন্ধ বিশ্বাস আৰু কুসংস্কাৰৰ চাকনৈয়াত আত্মবিস্মৃত হোৱা ভাৰতবাসী, আজি জাতীয় আন্দোলনত ব্যৰ্থ হৈছে হয়, কিন্তু চেষ্টাৰ অভাৱ হোৱা নাই।

ভাৰতবাসীয়ে যদি আৰ্য্যৰ সন্তি-সন্ততি বুলি নিজক চিনাকী দিব খোজে, ভাৰতৰ লুপ্ত গৌৰৱ পুনৰ উদ্ধাৰ কৰি ভাৰত-মাতৃৰ দুখ মোচন কৰিব খোজে, মানুহৰ প্ৰতি বিধাতাৰ দান যোগ্যতাৰ বিনিময়ত যদি জগতত ভোগ কৰিব খোজে, তেনে ভাৰতবাসী আকৌ "মানুহ" হব লাগিব। মুখৰ কথাৰে কোনো কেতিয়াও মানুহ হব পৰা নাই, মানুহ হবলৈ হলে সাধনাৰ আৱশ্যক।

দেশত মানুহ হবলৈ হলে শিক্ষা, স্বাস্থ্য আৰু জীৱিকাৰ উপায় কৰিব লাগিব। দেশত মানুহ হব—যিদিনা দেশ-বাসীয়ে পেটৰ ভাত, গাৰ কাপোৰ, কাৰ্য্যক্ষম স্বাস্থ্য আৰু পৰিমাৰ্জ্জিত শিক্ষা লাভ কৰিব। যি শিক্ষাই সমাজৰ মাজত স্বাধীনচিন্তাৰ সোঁত বোৱাব পাৰিব; যি শিক্ষাৰ দ্বাৰাই ধৰ্ম্ম আৰু সমাজক পেপুৰা কৰি থোৱা আবৰ্জ্জনা আঁতৰাই, ধৰ্ম্মৰ পৰশমণি চিনি সমাজ-শৰীৰত প্ৰাণৰ সঞ্চাৰ কৰিব পাৰিব, যি শিক্ষাই ব্যক্তিগত জীৱনত স্বাৱলম্বী হবলৈ সহায় কৰি জীৱন মধুৰ কৰি তুলিব; যি শিক্ষাই দেশৰ সেৱাকে জীৱনৰ মুখ্য উদ্দেশ্য কৰি দেশৰ নিমিত্তে দধীচিৰ দৰে নিজক বিলাই দিবলৈ শিকাব; তেনে শিক্ষাইহে মৰণোন্মুখ জাতিৰ সুপ্ত শক্তি জাগ্ৰত কৰি তুলিব। কৰ্ম্ম-হীন বক্তৃতাৰ আন্দোলনে দেৰকুৰি বছৰেও ভাৰতৰ দুখ-দুৰ্দ্দশা দূৰ কৰিব নোৱাৰিলে, কৰ্ম্মময় জগতত কৰ্ম্মৰ দ্বাৰাইহে ভাৰতে মুক্তিলাভ কৰিব। ভাৰতৰ মুক্তি-ক্ষেত্ৰ গাওঁ, কৰ্ম্মক্ষেত্ৰও গাওঁ। গঞাৰ লগত গাৱঁলীয়া হৈ "দেশৰ সেৱা" আৰম্ভ কৰিলেহে জাতীয় ৰোগৰ চিকিৎসা হব। ভাৰতৰ আজি সৌভাগ্য, এনে সহজ সৰল কথা বুজিবলৈ কাৰো বাকী নাই—গাৱঁৰ উন্নতি কৰাইহে দেশৰ উন্নতি।

গাৱঁৰ উন্নতি কৰিবলৈকে আন আন প্ৰদেশত নানান প্ৰণালী উদ্ভাৱন হৈছে। বঙ্গীয় হিতসাধনমণ্ডলী বা Bengal Social Service League আদিয়ে এনে উদ্দেশ্য হাতত লৈয়ে প্ৰকৃত দেশসেৱাৰ বাট বিচাৰি পাইছে। আজিৰ দিনত দেশহিতৈষী মাত্ৰৰে কৰ্ম্মক্ষেত্ৰ গাওঁ। শিক্ষিত অসমীয়া মাত্ৰৰে সকলো চেষ্টা-শক্তি গাওঁ সংগঠন কাৰ্য্যত কেন্দ্ৰিভূত কৰি আদৰ্শ গাওঁ প্ৰতিষ্ঠা কৰিবলৈ হাতে-কামে লাগি যাবৰ সময় হৈছে। ইয়াকে নকৰি নগৰৰ চাৰিসীমাৰ ভিতৰত বৃথা বাক্যাৰম্বৰৰ বক্তৃতাৰ আন্দোলন কৰি শক্তি আৰু সময়ৰ অপব্যৱহাৰ কৰিলেই দেশৰ উন্নতি কৰা নহয়।

অসমীয়াৰ দুৰ্ভাগ্য, আজিও দেশৰ যুৱক-শক্তিয়ে কৰ্ম্মক্ষেত্ৰত ভৰি দিব পৰা নাই। আজিও কোনো-কোনোৰ সন্দেহ, দেশত "যুৱকসঙ্ঘৰ" আৱশ্যক আছেনে নাই! যদি কাৰবাক দেশৰ নিমিত্তে নিজক বিলাই দি দেশৰ সেৱা কৰিবলৈ জীৱনত সঙ্কল্প কৰিছে, তেনে তেওঁৰ কৰ্ম্মক্ষেত্ৰ গাওঁ; গাৱঁৰ গেৰেকণিৰ মাজতহে অসম-মাতৃ কালনিদ্ৰাত অভিভূত। যাঁহা সেৱক, যাঁহা সাধক, মাতৃৰ ৰোগ-শয্যাত বহি এবাৰ আই বুলি মাতাহি।

শ্ৰীমহিমচন্দ্ৰ সিংহ

---

# প্ৰেমিক সন্ন্যাসী

( ১৪ )

## পলায়ন

সুন্দৰ জোনাক নিশা। ৰাতি প্ৰায় ৯ মান বাজিছে; সকলো নিমাত, টোপনিৰ কোলাত অচেতন। জেৰাৰ্ডৰ সৰু ভনীয়েক কেটে জাইলক ডিঙিত সাবটমাৰি ধৰি কাণে কাণে কিবা কলে, আৰু দুয়ো ঘৰৰ পৰা ওলাই ফাটেক ঘৰৰ ফালে চুচৰি চুচৰি খোজ ললে। মাৰ্টিন আৰু মাৰ্গেৰেটে এই সময়ত ফাটেক ঘৰৰ বেৰাৰ কাষত ঠিয় দি এডাল কাঁড় ফাটেক ঘৰৰ কূপলৈ মাৰি পঠাইছে।

জেৰাৰ্ডে জীৱনৰ আশা এৰি দুখ মনেৰে কিবা-কিবি ভাবি বহি আছে, এনেতে ওচৰতে খটংকৰে কিবা শব্দ এটা হল। জেৰাৰ্ড চমক্ খাই উঠিল। ভাবিলে, পিছ মুহূৰ্ত্তত কিজানি হত্যাকাণ্ড ঘটে! কিছুসময় মনে মনে থাকি দেখিলে যে আৰু কোনো শব্দ নাই। লগত থকা জুইবাহটোৰ সহায়েৰে এডোখৰ মম্‌বাতি জ্বলালে (জুইবাহ আৰু মম্‌বাতি তেওঁৰ সঙ্গৰ সঙ্গী)। দেখিলে, কূপটোৰ একোণত এটা লোহাৰ বাকচ পৰি আছে। মাৰ্টিনহঁতে মাৰি পঠিয়া কাঁড়ডাল এই বাকচৰ ওপৰত পৰি শব্দ হৈছে। জেৰাৰ্ডে চুচৰি চুচৰি কাঁড়ডাল তুলি ললেগৈ। দেখে যে তাৰ মূৰত কিছুমান পাটসূতা মেৰোৱা আছে, আৰু তাৰ লগতে এডোখৰ সৰু কাকত বন্ধা। জেৰাৰ্ডে কাকতখন মেলি চায়, তাত লিখা আছে— "প্ৰিয়তম! এই সূতাডালৰ এমূৰত তোমাৰ লগত থকা কটাৰীখন বান্ধি সেই খিৰিকিয়ে আমালৈ নমাই দিবা। আৰু ইয়াত যে এশ গাঁঠি আছে লেখি থাকিবা। যেতিয়া শেষ গাঁঠিটো পাবাগৈ তেতিয়া কিছুসময় ৰবা; কিন্তু সাৱধান, যেন তুমি তোমাৰ ফালৰ মূৰটো এৰি নিদি টানকৈ ধৰা। তাৰ পিছত সূতাডাল আকৌ টানি নিবা।"

জেৰাৰ্ডৰ মনত যে তেতিয়া কি ভয়, আশা-উৎসাহৰ ঢৌ খেলাইছিল তাক কোনে বৰ্ণাব? তেওঁ তৎক্ষণাৎ চিঠিমতে কাম কৰিবলৈ ধৰিলে। আধাঘণ্টামান পিছতে তেওঁ এডাল বৰ ডাঙৰ জৰী হাতত পালে, কিন্তু লগত কোনো চিঠি-পত্ৰ নাই। এতিয়া কৰে কি?

জেৰাৰ্ডে কোনো উপায় নেদেখি লোহাৰ বাকচটো টনা-আজোৰা কৰিবলৈ ধৰিলেগৈ। বাকচটো হঠাত মেলা গল। দেখে যে তাৰ ভিতৰত বহুত কাকত-পত্ৰ আছে। খণ্ডতে সেইবোৰ তেওঁ বাহিৰত উলিয়াই পেলালে, কিন্তু হঠাৎ কিবা এখনৰ ওপৰত তেওঁৰ চকু পৰিল। কিছুসময় ৰ-লাগি চাই থাকি সেইখন লাহেকৈ বুকৰ জেপত সুমাই ললে। বাকচটো দাঙিবৰ নিমিত্তে চেষ্টা কৰিলে, কিন্তু নোৱাৰি। তাৰেই কব্‌জা এটাত জৰীডালৰ মূৰ এটা গাৰ বলেৰে সাৱধানেৰে বান্ধিলে। আনটো মূৰ টানি ভিতৰলৈ আনিব নোৱাৰি বুজিলে যে সি বাহিৰত ভালকৈ বন্ধা আছে। এই ভাবি তেওঁ খিৰিকিখনত উঠিলগৈ। বাহিৰলৈ চাই দেখে যে ওচৰতে দুজন মানুহ-মূৰ্ত্তি ঠিয় হৈ আছে। ভাবিলে এওঁলোক নিশ্চয় মাৰ্টিন আৰু মাৰ্গেৰেটত বাজে আন কোনো নহয়। জেৰাৰ্ডৰ মনত জীৱনৰ আশা প্ৰবল হল।

বাহিৰৰ ফালে পিঠি দি খিৰিকিয়ে প্ৰথমতে ভৰি দুখন বাহিৰলৈ উলিয়াই দিলে। তাৰ পিছত জৰীডাল টানকৈ মুঠিমাৰি ধৰি লাহে লাহে তললৈ চুচৰি আহিবলৈ ধৰিলে। ২০ মিনিটমান পাছতে জেৰাৰ্ড মাৰ্টিন আৰু মাৰ্গেৰেটৰ হাততে পৰিলগৈ। এনেতে ওচৰতে এটা চাকিৰ পোহৰ আৰু মানুহৰ শব্দ পালে। জেৰাৰ্ড, মাৰ্টিন আৰু মাৰ্গেৰেট সাৰ-শব্দ নোহোৱাকৈ তিনিও পলাই পটং দিলে।

জাইল আৰু কেটে ফাটেক ঘৰৰ বেৰাৰ ওচৰত ঠিয় হৈ দেখে যে যিপিনেই চায় সেইপিনেই কাকত, কেৱল কাকত। অলপ পিছতে দেখে যে এডাল জৰী

ওপৰলৈ উঠি গৈছে। জাইলে আচৰিত হৈ কেটক কলে, "কেঁট, এই যে সঁৰগলৈ যোৱা বাঁট! আঁহা! আজি সকলো ভূত-প্ৰেত এই বাঁটেদি সঁৰগলৈ উঠি গৈছে। তুঁমি থস্তেক ৰবা, মই এবাৰ চাই আঁহোঁগৈ।"

এই বুলি জাইলে লেমটো গলত বান্ধি জৰী ডালৰ ওপৰলৈ উঠি গল, যেন জোনাকী পকৰাটোহে। ঘৰৰ ভিতৰলৈ গৈ দেখে যে তাত কোনো নাই, কেৱল কিছুমান কাকত। জাইলে আনন্দতে নাচিবলৈ ধৰিলে—জেৰাৰ্ড পলাইছে! মুক্তি লাভ কৰিছে! সি আনন্দতে বিভোৰ হৈ তাৰে কিছুমান কাকত বোকোচাত বান্ধি লৈ কেটৰ ওচৰলৈ নামি আহিল আৰু কাণে কাণে কেটক কিবা জনাই দুয়ো হাতচাপৰি বজাই নাচি ধৰিলে।

ৰাতি প্ৰায় এঘাৰমান বাজিছে। সকলো জীৱ-জন্তু নিজ নিজ আশ্ৰয়ত নিতাল মাৰিছে। এনেতে থাইছব্ৰেটে এটা চাকৰৰ হাতত লণ্ঠন এটা দি জেৰাৰ্ডক থোৱা ফাটেক ঘৰৰ দুৱাৰমুখত উপস্থিত। বাহিৰত কিছু সময় ঠিয় দি কাণ পাতি শুনি জানিলে যে ভিতৰত একো সাৰ-শব্দ নাই। থাইছব্ৰেটে "কটা, এইবাৰ ঠিক হৈছে" বুলি ভাবি আনন্দিত হল। কিন্তু পিছ মুহূৰ্ত্ততে দুৱাৰ মেলি-য়েই তেওঁৰ চকু থিৰ হল—অবাক্; ম্বৰগপৰা মানুহৰ দৰে ঠিয় হৈ থাকিল। জেৰাৰ্ড নাই, পলাইছে। আহা! কি দুখৰ কথা। থাইছব্ৰেটৰ চকু সেই লোহাৰ বাকছটোৰ ওপৰত—বিশেষকৈ ওচৰতে পৰি থকা কাকতবোৰৰ ওপ-ৰত। থাইছব্ৰেটৰ বুকু কঁপি উঠিল; শেষত কপালে-মূৰে হাত দি বহি পৰিল। থাইছব্ৰেটৰ এই অৱস্থা দেখি চাকৰটোৱে আচৰিত হৈ সুধিলে, "কি হল দেউতা?" থাইছব্ৰেটৰ কোনো উত্তৰ নাই। কপালে-মূৰে হাত দি চকুযুৰি বাকচটোৰ ওপৰত ৰাখি কেৱল ভাবিছে। চাকৰ-টোৱে আকৌ সুধিলে,—"দেউতা, হল কি?" বাৰ্গোমাষ্টাৰে একো উত্তৰ নিদি নিজে নিজে কবলৈ ধৰিলে, "হায় কপাল, সকলো মাটি হল! উহ, সকলো গল!" তেওঁ আকৌ সেইভাৱে বহি থাকিল।

চাকৰটোৱে আকৌ সুধিলে, "কি হৈছে ভাঙি নকয় কিয়? কি গল দেউতা?" থাইছব্ৰেট খঙতে জলি উঠিল। ঠিয় দি চকু ঠিয় কৰি চাকৰটোৰ ফালে চাই কলে, "বদমাইচ, চোৰ, মনে মনে থাক। মোক সৰ্ব্বস্বান্ত কৰিলে! মোৰ মাটি-বাৰী টকা-কড়ি সমস্ত নিলে; তই কি চাই থাক? যা, এতিয়াই যা; যদি তাক ধৰি আনি দিব পাৰ, তেন্তে নিশ্চয় তোক ১৫০০৲ টকা পুৰস্কাৰ দিম। তাক অতি শীঘ্ৰে ধৰি আনগৈ। এইবাৰ তাক প্ৰাণদণ্ড দিহে ক্ষান্ত হম।" ইয়াকে কৈ থাইছ্ব্ৰেট ঘৰৰ ফালে লৰ দিলে।

(১৫)

## অনুসন্ধান

"কেথেৰিণ! তোমালোকৰ জেৰাৰ্ড কত? অতি শীঘ্ৰে উলিয়াই দিয়া।" কেথেৰিণ থাইছব্ৰেটৰ চাকৰ ডাইৰিক আৰু তাৰ লগত ৪জন পুলিছক দেখি আচৰিত হল। ডাইৰিকৰ চকুৰ পাক দেখি তেওঁ থত্‌মত্ খাই একো কব নোৱাৰিলে। কিন্তু জেৰাৰ্ডৰ বুদ্ধিমতী ভনীয়েক মিছ্ কেটে তৎক্ষণাৎ মাত লগালে, "আমাল ককাই আজি দুদিনমান ইয়ালৈ অহাই নাই; তেওঁ কলৈ গৈছে আমি কব নোৱালো।"

কেটৰ কথা শুনি ডাইৰিক অগ্নিশৰ্ম্মা হৈ উঠিল। চকু ৰঙা কৰি দুটামান পাক মাৰি পুলিছহঁতক কলে, "বলা তেনেহলে। মিছামিছিকৈ সময় নষ্ট কৰাৰ সকাম নাই। বাৰু, দেখা যাওক সি পৃথিবীত জীয়াই থাকিলে কেনে ডাইৰিক চাকৰ এবাৰ চিনি পাব।" এই বুলি ডাইৰিক ঘৰৰপৰা ওলাই গল। কেটে তাকে দেখি কলে, "অলপ ৰবচোন—কথা এটি আছে।" ডাইৰিকে পুলিছ হঁতক কিছু আগবাঢ়ি যাবলৈ কৈ কেটৰ মুখৰ ওচৰত অতি আগ্ৰহেৰে কাণ এখন পাতিলেগৈ।

কেট—ডাইৰিক! জেৰাৰ্ড ককাই কত আছে আমি নাজানো। তেওঁ আমাক চিৰকালল নিমিত্তে ত্যাগ কৰি গৈছে।

ডাইৰিক—হাঁ, কি কোৱা? জেৰাৰ্ড টাৰ্গোত নাই তেনেহলে?

কেট—হয়, মই সেইটো ভালকৈ জানো। তেওঁ ইয়াত নাই।



ডাইৰিক—কেনেকৈ?

কেট—যোৱা ৰাতি মই তেওঁক দেখিছিলো।

ডাইৰিক—কত দেখিছিলা?

কেট—কিয়, আমাল বালগোমাষ্টালল সেই অন্ধকাল ফাটেক ঘলল বেলল গুলিতে তেওঁক মই লগ পাইছিলো নহয়!

ডাইৰিক—বাৰু। জেৰাৰ্ডে জৰীডাল কত পালে?

কেট—অ, সেইবোল মই কব নোৱালো। কেৱল জানো তাতে তেওঁ মোক লগ পাই চুমা খাই বিদায় লৈছে। কৈছে যে থি জন্মভূমিত ইমান অত্যাচাল, যাল পিতৃ পুতেকল বিলুদ্ধে চলে, আলু বালগোমাষ্টালক নানা উৎপীলন কলিবলৈ লগাই দিয়ে, তাত নথকাই ভাল। তেওঁ চিলকাললৈ আলু ইয়ালৈ নাহিব। বোধ হয় ইমান বেলি তেওঁ্ টালগোল পলা ১০।১৫ মাইল বাট পলাই গৈছে। এতেকে তেওঁক ইয়াত বিচালি সকাম নাই।

কেটৰ এইবোৰ কথা শুনি ডাইৰিক প্ৰায় নিৰাশ হল। তথাপি ধনৰ লোভ সামৰিব নোৱাৰি কেটৰপৰা বিদায় লৈ গদ্গদকৈ নিজে নিজে কৈ যাবলৈ ধৰিলে, "বাৰু, জেৰাৰ্ড কত থাকে দেখা যাব।"

কেট বৰ বুদ্ধিমতী। তাই যদিও মুখতে ডাইৰিকক কৈছে, তথাপি মনত বৰ ভয় লাগিছে, কিজানি জেৰাৰ্ড ধৰা পৰে। ডাইৰিকক বিদায় দি কেট জাইলৰ ওচৰলৈ গৈ কবলৈ ধৰিলে, "ভাই জাইল, সৰ্ব্বনাশ!"

জাইল—কি হৈছে, কি হৈছে?

কেট—"জেলাডক বিচালি জমিদালল চাকল ডাইলিক আৰু চালিজন পুলিছ আহিছিল।" জাইলৰ উশাহ প্ৰায় বন্ধ হল। সি কোনোমতে সুধিলে,—"পিছে পিছে?"

কেট—পিছে আকৌ কি জাইল? সিহঁতক কোনো মতে খেদাই দিছো। কিন্তু জেলাডক ধলি দিব পালিলে সিহঁতক ১৫০০৲ টকা পুৰস্কাৰ দিব বুলি বালগোমাষ্টালে ঘোষণা কলিছে। এতেকে সিহঁত যে ক্ষান্ত হৈ ৰহি থাকিব এনে কথা নাভাবিবা।

জাইল আৰু কেটে বৰ দুখ কৰিলে। কিছু সময় ভাবি-চিন্তি কেটে এটা বুদ্ধি সাজি জাইলক কলে, "জাইল মই থোৰ কালিব নোৱালো, কি কলিম!" জাইলে উত্তৰ দিলে, "কিয়, কি কৰিব লাগে?"

কেট- জেলাডক বিচাৰি যোৱাগৈ।

জাইল—জেৰাৰ্ড কত আছে?

কেট—কত আলু থাকিব? ছেভেনবাগেনত মালগেলে-টল লগত আছে। তই তালৈ যাগৈ, আলু কবি যে তোমাক ধলিবল নিমিত্তে থাইছবেটে বহুত মানুহ লগাইছে। তোমাক ধলিব পালিলে সিহঁতক ১৫০০৲ টকা পুৰস্কাৰ দিব। আলু কবি যে পুলিছহঁত আমাল ঘললৈ আহিছিল। এতেকে তেওঁ যদি সঁচাকৈয়ে মালগেলেটক ভাল পায়, আলু যদি আমাল পতি মলম-চেনেহ আছে, তেনে থবল পোৱা মাত্‌লে যেন টালগোল পলা পলাই যায়।"

জাইল কেটৰ পৰামৰ্শানুসাৰে ছেভেনবাৰ্গেনলৈ যাত্ৰা কৰিলে। গধূলি ছয়মান বজাত জাইলে জেৰাৰ্ডক সমুদায় বৃত্তান্ত ভাঙি-পাতি জনালেগৈ। জেৰাৰ্ড আৰু মাৰ্গেৰেটে কথা শুনি ভৱিষ্যত বিচ্ছেদৰ কথা ভাবি কান্দিবলৈ ধৰিলে।

আগলৈ

শ্ৰীশান্তিৰাম দাস

---

# মহামহোপাধ্যায় ৺কৃষ্ণ মিশ্ৰ দেৱ গোস্বামী

ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম প্ৰদেশত শূলপাণি আৰু বঙ্গ দেশত ৰঘুনন্দনৰ স্মাৰ্ত্তমত যেনেকুৱা প্ৰচলিত, আসাম দেশত তেনেকুৱা প্ৰাচীন শিৰোমণি ৺কৃষ্ণ মিশ্ৰদেৱ গোস্বামীৰ মত অব্যাহত। তেখেতে ১৬৭০ শকৰ ইং ১৭৪৮ খৃষ্টাব্দৰ ফাগুন মাহত মাজুলীৰ দিছিৰিগয়া সত্ৰত জন্মগ্ৰহণ কৰিছিল। যদিও তেখেত সেইদিনাৰ অধ্যাপক, তেখেতৰ মতানুসাৰে আসামত প্ৰাচীন মতাৱলম্বী এতিয়াও পৰিচালিত আৰু শৃঙ্খলাবদ্ধ। তেখেতে সৰু কালত মাতৃভাষা লভি স্থানীয় সংস্কৃত টোলত ১৮ বছৰ বয়সলৈকে সংস্কৃত শিক্ষা কৰি ৰচনা আদিত সুনিপুণ হোৱাৰ অলপ পিছতে তেখেতৰ পিতৃমাতৃ বিয়োগ হয়। তেখেত উদ্বিগ্নমনা হৈ থাকোতেও মোৱামৰীয়া আক্ৰমণ আসামত প্ৰবল হোৱাত ততালিকে নিজ সত্ৰাদি পৰিত্যাগ কৰি ১২ বছৰ অনাই-বনাই সকলো তীৰ্থ পৰ্য্যটন কৰিলে। তেতিয়া তেখেতৰ বয়স ৩০ বছৰ। মোৱামৰীয়া বিদ্ৰোহৰ উৎপাতত আসামৰ গোসাঁই-মহন্ত সকলো বহুকাললৈকে নিজ নিজ সত্ৰত অদৃশ্য আছিল। যেতিয়া আসাম ৰজাই উপৰোক্ত বিদ্ৰোহ দমন কৰি ৰাজ্যত শান্তিস্থাপন কৰিলে তেতিয়া সকলোবিলাকে আকৌ নিজ নিজ সত্ৰত দেখা দিলেহি।

৺কৃষ্ণ মিশ্ৰদেৱ গোস্বামীয়ে নিজ সত্ৰলৈ উলটি নাহি বঙ্গ দেশৰ নদীয়া শান্তিপুৰ আৰু ভাৰতৰ কাশ্যাদিস্থিত সকলো টোলতে ৩০ বছৰ সংস্কৃত বিদ্যা লাভি মহামহোপাধ্যায় উপাধি গ্ৰহণ কৰি, তেখেতক আৰু শিক্ষা দিওঁতা অধ্যাপক নাপাই, ১৭৩০ শকত ইং ১৮০৮ খৃষ্টাব্দত ৬০ বছৰ বয়সত জন্মভূমিলৈ আহি কিছুকাল গড়মূৰ সত্ৰত বসতি কৰিলেহি। তেখেত ৪২ বছৰ নিজ সত্ৰত নথকাৰ কাৰণে ব্ৰহ্মপুত্ৰ উপত্যকাস্থিত সকলো শিষ্যই আন আন সত্ৰলৈ গতি কৰি শৰণ-ভজনাদি গ্ৰহণ কৰিলে। মাত্ৰ যোৰহাটৰ চাওখাট মৌজাৰ বনগাৰঁত চাৰিঘৰ শিষ্য আছিল। আন আন সত্ৰৰ মেধি-পাচনিয়ে স্ব স্ব ভকত উপৰোক্ত চাৰি ঘৰ মানুহক শৰণ-ভজন দিয়াবলৈ নানা তৰহৰ প্ৰলোভন আৰু কথা দেখুউৱাত তেওঁবিলাকে কলে,—'যদি আমাৰ গুৰু নাই, সত্ৰখনৰ বেদী কেইটা আছে; তাতে মাহ-চাউল সিচিম; তথাপি আমি নিজ-গুৰু ত্যাগ কৰি পৰগুৰুৰ আশ্ৰয় নলওঁ।' তেওঁবিলাকে এনেকৈ বিষাদ মনেৰে কিছুকাল যাপন কৰোতে এজন গৰমুড়ীয়া গোসাঁইৰ ফুলতোলা দেউৰীৰ মুখে শুনিলে যে তেওঁবিলাকৰ গোসাঁই এজন ভাটীদেশত সংস্কৃত পঢ়ি বিদগ্ধ অধ্যাপক হৈ গৰমূড় সত্ৰত বসতি কৰিছে। এই অমৃততুল্য বাক্য শুনি মানুহ চাৰিঘৰৰ সকলোটি তেখেতৰ ওচৰলৈ গৈ শৰণাদি গ্ৰহণ কৰি গৰমূড় সত্ৰৰ পৰা আনি গোলাঘাটত দিছিৰিগয়া সত্ৰ স্থাপন কৰালে। সত্ৰৰ পৰা কিছু দূৰৈত টোল পাতি ব্ৰাহ্মণ সন্তানসকলক কিছুকাল সংস্কৃত শিক্ষা দিওঁতে, ৺পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ আহোম ৰাজ্য শাসনকালত, বঙ্গদেশৰ স্মাৰ্ত্ত ভট্টাচাৰ্য্য ৰঘুনন্দৰ মত আসামত প্ৰবল হোৱাত, ৰাজসভাৰ ২৪০ জন স্মাৰ্ত্ত পণ্ডিতে প্ৰাচীন পণ্ডিত লোপ পাব লগীয়া হোৱা দেখি, এদিন বুঢ়াগোহাঁই ডাঙৰীয়াক প্ৰাচীন মত গোলমলীয়া বুলি স্মাৰ্ত্ত মতেৰে তেখেতৰ পিতৃ শ্ৰাদ্ধ কৰিবলৈ বিধান দিয়াত, ডাঙৰীয়াই শ্ৰাদ্ধ কৰি মনত বৰ বিৰক্তি পাই দক্ষিণপাট সত্ৰলৈ লিখাত গোস্বামী প্ৰভুৱে প্ৰকাৰান্তৰে স্মাৰ্ত্ত মতেৰে শ্ৰাদ্ধ নকৰিবলৈ নিষেধ কৰি আসামৰ প্ৰাচীন মত প্ৰৱৰ্ত্তক দিছিৰিগয়া সত্ৰৰ ৺কৃষ্ণ মিশ্ৰদেৱ গোস্বামীক চিনাই দিয়ে। বুঢ়াগোহাঁই ডাঙৰীয়াই গোস্বামীদেৱক মতাই নি সুধিলে, 'আপুনি প্ৰাচীন অধ্যাপক বুলি শুনিছো। আপোনাৰ ওচৰত প্ৰাচীন পুথি কিমান আছে, আৰু আমাৰ সভাৰ ২৪০ জন স্মাৰ্ত্ত পণ্ডিতৰ লগত তৰ্ক কৰিব পাৰিব নে?' ইত্যাদি প্ৰশ্ন কৰিলত তেখেতে স্বীকাৰ কৰাত কলে, "আজিৰ পৰা তিনি দিনৰ মূৰত আপোনাৰ প্ৰাচীন পুথিবিলাকেসৈতে দিনৰ এপৰত আমাৰ সভাত উপস্থিত থাকিব, আৰু সেইদিনা চাৰিৰ ছয়-ফুকন আৰু বাৰ-ৰাজখোৱাকে আদি কৰি ৰাজ-সভাৰ



সকলো সভ্য, আৰু পণ্ডিতমণ্ডলী আমাৰ সভাত উপস্থিত থাকিব লাগিব। নাই স্মাৰ্ত্ত মত বা প্ৰাচীন মত সত্য হব। একমত হে আমাৰ ৰাজ্যত থাকিব পাৰিব, দুই মত কেতিয়াও থাকিব নোৱাৰে।' বিচাৰৰ দিনা ৰাজ-সভাস্থিত সকলো সভ্য, বিষয়া আৰু পণ্ডিত-মণ্ডলী সভাত উপস্থিত হলত ৺কৃষ্ণমিশ্ৰ গোস্বামীয়ে স্মাৰ্ত্ত পণ্ডিত ২৪০ জনৰ ভিতৰত অগ্ৰগণ্য পণ্ডিত দামোদৰ ভট্টক প্ৰশ্ন কৰিলে, 'তোমালোকে শ্ৰাদ্ধত বিষ্ণুপূজা নকৰা কিয়?' প্ৰশ্নৰ উত্তৰত কলে, 'আমি বাস্তু পুৰুষৰ পূজা কৰো। সেই বাস্তু পুৰুষেই বিষ্ণু।' এই কথা শুনি সকলো নিস্তব্ধ হলত গোস্বামীয়ে প্ৰত্যুত্তৰ দিলে, 'বিষ্ণুৰ সহস্ৰ নামৰ ভিতৰত বাস্তু বুলি নাম এটা পোৱা নাযায়, মাত্ৰ বাস্তু নামেৰে ৰাহু গ্ৰহৰ ভায়েক এজন আছে; ইয়াৰ দ্বাৰা স্পষ্ট প্ৰমাণ পোৱা গৈছে, স্মাৰ্ত্ত মতাৱলম্বীয়ে শ্ৰাদ্ধত পৰমেশ্বৰ বিষ্ণুক এৰি অসুৰক পূজা কৰে।' সেই কথাৰ উত্তৰ ছলেৰে দামোদৰ ভট্টই কলে, 'অসুৰকো পূজা কৰিব লাগে, কিয়নো অসুৰে শ্ৰাদ্ধত বিঘিনি ঘটাব পাৰে।' ভট্টৰ কথাত গোস্বামীয়ে উত্তৰ দি কলে, 'শ্ৰাদ্ধৰ বিধিত লেখিছে:—

অনাদি বিধন জ্ঞান নিত্যানন্দ জনাৰ্দ্দনঃ।
ময়াত্ৰ শ্ৰাদ্ধে কৰ্ত্তব্যে সন্নিধি ভব কেশবঃ॥
অঙ্গুষ্ঠ মাত্ৰং পুৰুষং ইমাং পৰ্য্যয়তে মহী।
ৰাক্ষসানাং নিৰাশায় জলে সংস্থাপিতো ময়া॥ ইত্যাদি

গোস্বামীৰ কথাত স্মাৰ্ত্ত ভট্ট ঠেকত পৰিল। এনেকৈ প্ৰতি কথাতে ২৪০ জন স্মাৰ্ত্ত পণ্ডিতক তৰ্কত পৰাস্ত কৰি সেইদিনা ছুপৰমান ৰাতি যাওঁতে ৰাজসভা ভঙ্গ হয়, আৰু সকলোটি ঘৰাঘৰি যায়। পিছদিনা বুঢ়াগোহাঁই ডাঙৰীয়াই স্মাৰ্ত্ত মত আমাৰ দেশত থাকিব নোৱাৰে, আৰু স্মাৰ্ত্তৰ পুথিবিলাক অগ্নিত ভস্মীভূত কৰা হব, এইবিলাক কথা আলোচনা কৰোতেই পৰাস্ত হোৱা পণ্ডিতবিলাকৰ কেইজনমানৰ মুখে ৰাজগুৰু নৱ গোস্বামীয়ে শুনি বুঢ়াগোহাঁই ডাঙৰীয়াক কপট বুদ্ধিৰে সত্য কৰাই স্মাৰ্ত্ত পুথি ভস্মীভূত নকৰিবলৈ আৰু স্মাৰ্ত্ত মত আসামৰপৰা গুচাবলৈ ভিক্ষা মাগিলে। সেই কাৰণেহে আজিলৈকে আসামত স্মাৰ্ত্ত মত চলিছে। সেই দিনাৰপৰা বুঢ়াগোহাঁই ডাঙৰীয়া গোস্বামীৰ ওপৰত অত্যন্ত সন্তোষ লভি কলে, 'আপুনি যে লুপ্তপ্ৰায় প্ৰাচীন মত উদ্ধাৰ কৰি আমাৰ ৰাজ্যত পুনৰ স্থাপন কৰিলে, আকাশত চন্দ্ৰ-দিবাকৰ থাকেমানে আপোনাৰ কীৰ্ত্তি স্থায়ী হৈ ৰল। আমি পৰম্পৰ জানিব পাৰিছো, আপোনাৰ দাৰ পৰিগ্ৰহ এতিয়ালৈকে হোৱা নাই। আপোনাৰ নিচিনা পুৰুষৰ বংশ লোপ হোৱা অনুচিত; আপুনি ততালিকে দাৰ পৰিগ্ৰহ কৰি স্ব বংশ পোহৰাব লাগে।' এই কথাত গোস্বামী সন্মত হৈ পাণি গ্ৰহণ কৰিলে। তেতিয়া তেখেতৰ বয়স ৬৩ বছৰ। প্ৰথম পত্নীয়ে দুটি কন্যা জন্ম দি বিবাহৰপৰা ৪ বছৰৰ মূৰত স্বৰ্গী হল। বুঢ়াগোহাঁই ডাঙৰীয়াই গোস্বামীৰ ভাৰ্য্যাৰ আকস্মিক মৃত্যু শুনি সাতিশয় দুঃখপ্ৰকাশ কৰি তেখেতক মতাই আনাই কলে, 'আপোনাৰ বংশ লোপ নহবৰ কাৰণে মই অনুৰোধ কৰাত আপুনি বৈবাহিক সূত্ৰত আবদ্ধ হোৱাতো আপোনাৰ বংশ নৰল। সেইদেখি মই আশাকৰো আপুনি পুনৰ্ব্বাৰ দ্বিতীয় দাৰ পৰিগ্ৰহ কৰিব লাগে।' এই বুলি কোৱাত তেখেতে প্ৰৌঢ়াৱস্থাত দাৰপৰিগ্ৰহ কৰা নিতান্ত গৰ্হিত কাৰ্য্য বুলি কলে। পিছে বুঢ়াগোহাঁই ডাঙৰীয়াই নানাৰকমে বুজাই বলেৰে দ্বিতীয় বিবাহ কৰোৱালে। তেতিয়া তেখেতৰ বয়স ৬৮ বছৰ। দ্বিতীয় ভাৰ্য্যাৰ ক্ৰমান্বয়ে দুটি পুত্ৰ আৰু এটি কন্যাৰ জন্ম হল। স্মাৰ্ত্ত পণ্ডিতবিলাকক সকলো কথাতে পৰাঙ্মুখ কৰি নানা শাস্ত্ৰৰপৰা উদ্ধাৰ কৰি প্ৰতিখনৰ নাম ৰত্ন দি স্মৃতি পুথি নিজে ৰচনা কৰিলে। সেইবিলাকৰ নাম তলত প্ৰকাশ কৰিলো। (১) জাতি ৰত্ন, (২) সমন্ধ ৰত্ন, (৩) বিবাহ ৰত্ন, (৪) আহ্নিক ৰত্ন, (৫) সংস্কাৰ ৰত্ন, (৬) প্ৰায়শ্চিত্ত ৰত্ন, (৭) শুদ্ধি ৰত্ন, (৮) প্ৰতিষ্ঠা ৰত্ন, (৯) জ্যোতিষ ৰত্ন, (১০) ভাস্কৰ ৰত্ন, (১১) পুৰুৰ ৰত্ন, (১২) অদ্ভুত ৰত্ন, (১৩) দায়ভাগ ৰত্ন, (১৪) অশৌচ ৰত্ন (১৫) প্ৰেত ৰত্ন, (১৬) তিথি ৰত্ন, (১৭) শ্ৰাদ্ধ ৰত্ন, (১৮) বৃষোৎসৰ্গ ৰত্ন। উপৰোক্ত ১৮ ৰত্নৰ বাহিৰেও সেই মহাত্মাই গীতা ভাগৱত আদিৰ টীকা কৰি আসামৰ ৰাজপ্ৰতিনিধি আৰু ৰাজসভাৰ

সকলোকে সন্তোষিত কৰিছিল। স্মাৰ্ত্ত পণ্ডিতবিলাকক সকলো কথাতে তৰ্কত পৰাঙ্মুখ কৰিবৰ পৰা মাজে মাজে এই মহাত্মাক বুঢ়াগোহাঁই ডাঙৰীয়াই ৰাজসভালৈ নিমন্ত্ৰণ কৰাই তেখেতৰ আগত বগা ঠঙাত বহুৱাই অনেক ধৰ্ম্মসম্বন্ধীয় কথা শুনে। এদিন বুঢ়াগোহাঁই ডাঙৰীয়াই পৰস্পৰ কথা-বাৰ্ত্তা হওঁতে তেখেতক কৈছিল, 'মই জানিব পাৰিছো, ইতিপূৰ্ব্বে আপোনাৰ বহুত শিষ্য আৰু সত্ৰতো বহুত ভকত আছিল। কিন্তু প্ৰায় আধা শতাব্দীমান সত্ৰত ধৰ্ম্মাচাৰ্য্য নোহোৱা গতিকে সত্ৰীয় ভকত আৰু শিষ্যবিলাক আন আন সত্ৰৰ মেধি আৰু পাচনিৰ ফুচুলনিত ভোল গৈ দিহিঙ্গে-দিপাঙ্গে শৰণ-ভজন আদি গ্ৰহণ কৰিলে। আপোনাৰ শিষ্য-ভকত গ্ৰহণকৰা গোসাঁই-মহন্তসকলক পুনৰ এতিয়া তেওঁবিলাকৰ সন্তানবিলাকক আপোনাক দিবলৈ আজ্ঞা দিব খোজো। দ্বিতীয়তে গোলাঘাটত থকা হানদৈ পথাৰখন আপোনাক নিষ্কৰকৈ দান কৰিব খোজো।' উপৰোক্ত কথা দুটা শুনি গোস্বামীয়ে চকুখাই কলে, "আপোনাৰ কোৱা কথা দুটাত মই কোনো ৰকমেই সন্মত হব নোৱাৰো; যদিও উপৰোক্ত শিষ্য-ভকতবিলাক পূৰ্ব্বে মোৰ আছিল, তথাপি দিছিৰিগয়া সত্ৰ পৰিত্যাগ কৰি আন আন সত্ৰলৈ গতি কৰিলে যেতিয়া, সিহঁতৰ ওপৰত মোৰ অধিকাৰ গল। মহাৰাজ! আজিকালি কলি যুগ। এই যুগত শিষ্যক ত্ৰাণকৰা দূৰে থাওক, নিজেই পৰিত্ৰাণ পাবলৈ কষ্টকৰ। আগৰ যি চাৰিঘৰ শিষ্য মোৰ আছিল, সেই কেইঘৰকো শৰণ আদি দিবলৈ ইচ্ছা নথকা দেখি তেওঁবিলাকে বহুত কন্দা-কটা কৰাতহে দয়া জন্মি শৰণ দিয়া হল। দ্বিতীয়তে, মই বিষয়া নহওঁ। ইমান মাটি ললে মোৰ বিষয় এখনহে বাঢ়িব। ইষ্ট-দেৱতা আৰু শাস্ত্ৰাদি চৰ্চ্চা একেবাৰেই বৃথা হব। এতেকে জনাওঁ যেন মোৰ সদৃশ বৃদ্ধ ব্ৰাহ্মণৰ ওপৰত স্নেহ ৰাখি বিষয়াদি আগবঢ়াবলৈ মন নকৰে।' সেই মহাত্মাৰ পীয়ুষ সদৃশ বাক্য শুনি বুঢ়াগোহাঁই ডাঙৰীয়াই পৰম সন্তোষ লভি সেই দিনা মহাত্মাক আনন্দ মনেৰে বিদায় দিলে। তাৰ পিছত মহাত্মাই বছৰচেৰেক শাস্ত্ৰাদি ৰচনা কৰি ১০২ বছৰ বয়সত ১৭৭২ শকৰ ইং ১৮৫৮ খৃষ্টাব্দৰ আঘোণ মাহৰ শুক্লা সপ্তমীত মানৱলীলা সম্বৰণ কৰি নিজ সত্ৰ গোলাঘাটৰপৰা বৈকুণ্ঠবাসী হল। ধনেশ্বৰী নৈৰ তীৰত চিতা আৰোহন কৰোঁৱাত সকলো দৰ্শককে ব্ৰহ্মতেজ দেখুৱালে। পিছদিনা এজন ছাত্ৰই সপোন দেখিলে যে লোপপাবলগীয়া প্ৰাচীন মত উদ্ধাৰাৰ্থে স্বয়ং ব্যাসদেৱ আহি দিছিৰিগয়া সত্ৰত জন্মগ্ৰহণ কৰি প্ৰাচীন মত উদ্ধাৰ কৰি স্বস্থানলৈ প্ৰস্থান কৰিলে।

শ্ৰীতাৰিণীবল্লভ গোস্বামী

---

# নাগ-বংশ

সকলো মানুহৰে বিশ্বাস যে নাগ বুলিলেই সাপ; কিন্তু অমৰকোষ বা হেমচন্দ্ৰৰ অভিধান চিন্তামণিত সাপৰ অৰ্থ নাগ নহয়। হেমচন্দ্ৰ বৰুৱাৰ হেমকোষতো নাগ অৰ্থ উপদেৱতা বুলিও লিখিছে। নাগ অৰ্থ কদ্ৰুৰ পুতেক। কশ্যপৰ দুজনী তিৰোতা আছিল, কদ্ৰু আৰু বিনতা। কদ্ৰুৰ পুতেক সহস্ৰ নাগ, আৰু বিনতাৰ পুতেক গৰুড় আৰু অৰুণ। কিন্তু পৰীক্ষিতৰ পুতেক ৰজা জন্মেজয়ে নাগযজ্ঞ কৰিছিল, আৰু যিবিলাক নাগ এই নাগযজ্ঞত মৰিছে, সিহঁতক অনেক ঠাইত সাপৰ সৈতে একে বোলা হৈছে। এই নাগযজ্ঞৰ আগেয়ে তিনটা ঘটনা ঘটিছিল:—

১ম:– ৰজা পৰীক্ষিত চিকাৰলৈ গৈ যোগত থকা শমী ঋষিক পলোৱা পহৰ সম্বন্ধে কথা সোধে, কিন্তু তেওঁৰ পৰা কোনো সমিধান নোপোৱাত এটা মৰা সাপ তেওঁৰ গলত মেৰাই দিয়ে। মুনিৰ পুতেক শৃঙ্গীয়ে এই কথা পাই ৰজা পৰীক্ষিতক সাত ৰাতিৰ ভিতৰত তক্ষকে খুতি মাৰিব বুলি শাপ দিয়ে। ৰজাই জানিব পাৰি এটা ওখনী আৰু সুগঠিত ঘৰ তৈয়াৰ কৰায়, আৰু তাৰ ভিতৰত ঔষধ, বৈদ্য, বামুণ ৰাখি নিজে সুৰক্ষিত হৈ থাকিল। যি হওক, তক্ষকে ছল কৰি ঘৰৰ ভিতৰ সোমাই ৰজাক খোঁত মাৰে, আৰু তাতে ৰজাৰ মৰণ হয়। এওঁৰ মৰাৰ পাছত তেওঁৰ কেচুৱা লৰা জন্মেজয় ৰজা হয়।

২য়:—ৰজা জন্মেজয়ে বেদক আৰু পৌষ্যক উপাধ্যায় কামত লগায়। এই বেদৰ শিষ্য উতঙ্কে গুৰুদক্ষিণা স্বৰূপ পৌষ্যৰ তিৰোতাৰ কাণৰ কুণ্ডল আনিছিল। পৌষ্যৰ তিৰোতাই তেওঁক কৈ দিছিল, বাটত যাওঁতে তক্ষকৰ নিমিত্তে সাৱধান হৈ যাব, যাতে কুণ্ডল তাৰ হাতত নপৰে। যি হওক, সাৱধান হৈ যাওঁতেও তক্ষক তেওঁৰ হাতৰ পৰা কুণ্ডল লৈ পলাই গল। তেতিয়া উতঙ্ক মুনিয়ে এই কথা জানিব পাৰি নানান উপায়েৰে কুণ্ডল আনি পৌষ্যৰ তিৰোতাক ঘূৰাই দিয়ে। তক্ষকৰ এনে আচৰণত তেওঁৰ খং উঠে, আৰু ৰজা জন্মেজয়ক পিতৃ-বৈৰিৰ প্ৰতিহিংসা লবৰ কাৰণ অনুৰোধ কৰে।

৩য়:-- কুৰুক্ষেত্ৰত ৰজা জন্মেজয়ে ভায়েকবিলাকৰ সৈতে এটা উচ্চ ধৰণৰ যজ্ঞ কৰিছিল। সেই সময়ত এটা কুকুৰ তাত গৈ ওলালত ৰজা জন্মেজয়ৰ ভায়েকহঁতৰ খং উঠি তাক মাৰ-পিত কৰিছিল। এনেতে তেওঁলোকৰ মাক দেৱশুনী সৰমাই কলে, "তোমালোকে নিৰপৰাধীক মাৰ-পিত কৰিছা, এইকাৰণে নভবা-নিচিন্তা ভয়ে তোমালোকক ধৰিব।" যজ্ঞ শেষ হোৱাত সৰমাৰ শাপৰ প্ৰতিকাৰ কৰিবৰ মনেৰে ৰজা জন্মেজয়ে শ্ৰুতশ্ৰবা ঋষিৰ পুতেক সোমশ্ৰবাক পুৰোহিত বৰণ কৰিলে। সোমশ্ৰবা এজনী সাপৰ গৰ্ভত জন্ম হৈছিল, শ্ৰুতশ্ৰবাই ৰজাক এই কথা কলে, "বামুণক তেওঁ কেতিয়াও বিমুখ নকৰিব।" গতিকে ৰজা জন্মেজয় এই কথাত মান্তি হৈ ভায়েকবিলাকক কলে—"এই বাপুৱে যেতিয়া যি কৰিবলৈ কয়, তেতিয়াই তোমালোকে তেওঁৰ আজ্ঞা পালন কৰিবা।" ইয়াৰ পাছত জন্মেজয় তক্ষশিলালৈ গৈ সেই দেশ অধিকাৰ কৰিলে।

সৰ্প-যজ্ঞ আৰম্ভ হোৱাত হাজাৰ হাজাৰ সাপ আহি যজ্ঞৰ জুইত পৰিবলৈ ধৰিলে। তক্ষকে ইন্দ্ৰৰ সহায় লৈও নিজক ৰক্ষা কৰা টান পৰিছিল, কিন্তু বাসুকীৰ ভাগিনীয়েক অস্তিক মুনিয়ে প্ৰাণৰক্ষা কৰে আৰু সাপযজ্ঞ বন্ধ কৰি দিয়ে। এই অস্তিক মুনি জৰতকাৰু মুনিৰ পুতেক।

ৰজা পৰীক্ষিতক মৰাৰ শোধ লবৰ নিমিত্তে ৰজা জন্মেজয়ে নাগ-যজ্ঞ কৰিছিল, আৰু উতঙ্ক মুনিয়েও তক্ষকৰ বেয়া ব্যৱহাৰত খং কৰে; আৰু তাৰে শোধ লবৰ কাৰণে ৰজাক নাগ-যজ্ঞ কৰিবৰ কাৰণে উৎসাহ দিছিল। কিন্তু তৃতীয় ঘটনাৰ সৈতে নাগ-যজ্ঞ বা আন কোনো ঘটনাৰ সংস্ৰৱ সহজে বিচাৰি পোৱা নেযায়। যিবিলাক ঋষি সাপ-যজ্ঞত উপস্থিত আছিল তেওঁলোকৰ ভিতৰত শ্ৰুতশ্ৰবাৰ নাম আছে, কিন্তু তেওঁৰ পুতেক সোমশ্ৰবাৰ নাম নাই। যদি নাগ-যজ্ঞ সাপ মাৰিবৰ নিমিত্তে যজ্ঞ নহৈ নাগবিলাকৰ সৈতে যুদ্ধ কৰি নাগবিলাকক বধ কৰা হয়, তেনেহলে তৃতীয় ঘটনাৰ কিছু উদ্দেশ্য বিচাৰি পোৱা যায়।

এই সাপ-যজ্ঞ বা নাগ-যজ্ঞ বাস্তৱিকেই সাপ মাৰিবৰ কাৰণ যজ্ঞ বা নাগজাতিক মাৰিবৰ যুদ্ধ নে? সাপবিলাকে যে মানুহৰ ৰূপ ধৰিব পাৰে আৰু এনে কৰি পৰীক্ষিতৰ সুগঠিত ঘৰত সোমাইছিল, এই কথা লৰা-ছোৱালীৰ বাহিৰে আন কোনেও বিশ্বাস নকৰে। নাগবিলাকৰ কাৰ্য্য দেখিলে আৰু উতঙ্ক মুনিৰ স্তৱটো ভালকৈ পঢ়িলে বুজিব পাৰি যে সাপবিলাক বাস্তৱিকেই মানুহ। তক্ষকক মহাত্মা বোলা হৈছে। বাসুকীৰ ভাগিনীয়েক অস্তিক মুনি বেদ-বেদাঙ্গ-পাৰগ পৰম ধাৰ্ম্মিক ঋষি আছিল। নাগবিলাকৰ ডাঙৰ ডাঙৰ ৰজাৰ নাম শেষ বা অনন্ত, তক্ষক, বাসুকী, ধৃতৰাষ্ট্ৰ আৰু ঐৰাৱত। এওঁলোকৰ জাতৰ কুলৰ আৰু কোৰৱ কুলৰ সাপ আৰু জন্মেজয় নাগ-যজ্ঞত মৰিছিল। উতঙ্ক মুনিয়ে কয় যে নাগবিলাক আগেয়ে খাণ্ডৱ বন আৰু কুৰুক্ষেত্ৰত বাস কৰি আছিল। ইয়াৰ পাছত অৰ্জ্জুনে খাণ্ডৱ বন পোৰে, আৰু ৰজা জন্মেজয়ে কুৰুক্ষেত্ৰত দীৰ্ঘসত্ৰ যজ্ঞ কৰিছিল। এবাৰ ভীমক দুৰ্য্যোধনে মিঠাইৰ লগত বিহ খুৱাই অজ্ঞান কৰি পানীত পেলাই দিছিল। ভীম উটি আহি নাগৰ ঘৰত ওলালত

নাগবিলাকে ভীমক জীৱদান দিয়ে। বাসুকীয়ে ভীমক পৰিচয়ত জীয়েকৰ লৰা বুলি জানিব পাৰিছিল। অৰ্জ্জুনে বনবাসত থাকোতে নাগজীয়াৰী উলুপীক বিয়া কৰিছিল। মাৰ্কণ্ডেয় পুৰাণত লিখা আছে, বৈশালিৰ ৰজা মৰতৰ সৈতে নাগবিলাকৰ যুদ্ধ হয়, কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনে কৰ্কোট নাগক যুদ্ধত হৰুৱাইছিল। এইবিলাকৰ পৰা দেখা যায়, নাগবিলাক প্ৰকৃতপক্ষে মানুহ আছিল, কিন্তু সিহঁত সাধাৰণ মানুহ নাছিল। দেৱ, যক্ষ-ৰক্ষ, গন্ধৰ্ব্ব, অপ্সৰ, বিদ্যাধৰবিলাকৰ নিচিনা সাধাৰণ মানুহতকৈ কিছু উচ্চ শ্ৰেণীৰ বুলি ধৰিব পাৰি। ৰছ্ ডেভিড ( Ros David ) চাহাবে নাগবিলাকক বিশেষ শক্তিথকা মানুহ বুলি কৈছে। ব্ৰহ্মাণ্ড পুৰাণত আছে, ইলাবৃত্তৰ অৰ্থাৎ পামীৰৰ পুবে মন্দাৰ আৰু তাৰ পূবফালে শীতান্ত। এই শীতান্ত আৰু তাৰ ওচৰৰ পৰ্ব্বত দুৰ্গম ; তাত বিদ্যাধৰ, কিন্নৰ, নাগ, যক্ষ, দেৱ, আৰু গন্ধৰ্ব্ববিলাকৰ বাসভূমি আছিল। মহাভাৰতত আছে, ৰাজসূয় যজ্ঞৰ আগত অৰ্জ্জুনে দিগবিজয়ত ওলাই মানস-সৰোবৰৰ গন্ধৰ্ব্বৰ দেশবিলাক জয় কৰিছিল। তিব্বতত এতিয়াও এজাতি মানুহে বিদ্যাধৰ বুলি পৰিচয় দিয়ে। ইয়াত কোনো সন্দেহ নাই যে নাগবিলাক কিন্নৰ, অপ্সৰ, গন্ধৰ্ব্ব, বিদ্যাধৰবিলাকৰ নিচিনা বিশেষ ক্ষমতাৰ মানুহ আছিল।

বোধকৰো ৰজা পৰীক্ষিতে শমীক ঋষিৰ ওপৰত অভদ্ৰ আচৰণ কৰাত তেওঁৰ পুতেক শৃঙ্গীয়ে তক্ষকৰ সৈতে লগলাগি ৰজা পৰীক্ষিতক বধ কৰে। পৰীক্ষিতৰ পুতেক জন্মেজয় সাবালক হোৱাত উতঙ্ক মুনিয়ে তেওঁক নাগবিলাকৰ সৈতে যুদ্ধ কৰিবলৈ উদগনি দিয়ে ; কিয়নো উতঙ্কৰ তক্ষকৰ আচৰণত খংউঠি আছিল। নাগযজ্ঞ বা সৰ্পসত্ৰ নাগবিলাকৰ লগত যুদ্ধ হোৱাত সংসাৰ সাপৰ "নভৱা-নিচিন্তা ভয়ৰ" অৰ্থ বিচাৰি পোৱা যায়। ৰজা জন্মেজয়ৰ লগত নাগবিলাকৰ প্ৰকৃতপক্ষে যুদ্ধ হয়, সেই কাৰণে জন্মেজয়ে তক্ষকৰ ৰাজধানী তক্ষশিলা অধিকাৰ কৰিছিল। শ্ৰুতশ্ৰৱাৰ পুতেক সোমশ্ৰৱাৰ ওচৰত জন্মেজয়ৰ প্ৰতিজ্ঞা আছিল যে তেওঁ কোনো বামুণক বিমুখ নকৰে। নাগযজ্ঞ আৰম্ভকৰাৰ আগেয়ে কোনো গণকে জন্মেজয়ক কোৱা আছিল যে এজন বামুণৰ পৰাই এই যজ্ঞৰ ব্যাঘাত হ'ব। অথচ আস্তিক মুনি যজ্ঞত সোমোৱাত কোনেও বাধা দিয়া নাছিল। বোধকৰো সোমশ্ৰৱাৰ ওচৰত জন্মেজয়ৰ যি প্ৰতিজ্ঞা আছিল সেই অনুযায়ী অস্তিকৰ অভিষ্ট সিদ্ধি কৰিবলৈ ৰজা বাধ্য হয় ; অৰ্থাৎ জন্মেজয়ৰ সৈতে সন্ধি হ'ল। এয়েই নাগযজ্ঞৰ সৰল অৰ্থ বুলি অনুমান কৰিব পাৰি।

পুৰাণবিলাকৰ পৰা জনা যায়, নাগবিলাক দেৱতা যক্ষ, ৰক্ষ, বিদ্যাধৰ, কিন্নৰবিলাকৰ নিচিনা হিমালয় পৰ্ব্বতত বা ভাৰতবৰ্ষৰ বাহিৰে হিমালয়ৰ উত্তৰৰ পৰ্ব্বতৰ ওচৰত বাস কৰিছিল। কিন্তু ভাৰতবৰ্ষত য'ত নাগবিলাকৰ কথা উল্লেখ আছে তাতেই দেখা যায় সিহঁত পানীৰ ভিতৰত বা ৰসাতলত বাস কৰিছিল--যেনে, কালীসৰ্প কালীহ্ৰদত বাস কৰিছিল। দুৰ্য্যোধনে খাবলৈ দিয়া কালকূট বিহৰ বলত ভীমৰ জ্ঞান নোহোৱাত দুৰ্য্যোধনে তেওঁক গঙ্গাত পেলাই দিয়ে। ভীম পানীত উটি উটি নাগৰ ঘৰত ওলাইছিলগৈ। তক্ষক সন্ন্যাসীৰ ৰূপ ধৰি উত্তঙ্ক মুনিৰ কুণ্ডল হৰণ কৰি ৰসাতললৈ গৈছিল। ইয়াকো দেখা যায়, নাগবিলাক জলাশয়, বা সমুদ্ৰবিহাৰী, বা পাতালত আছিল। নাগবিলাক ক্ষমতাবান মানুহ হৈ কেনেকৈ পানীৰ ভিতৰত অথবা পাতালত বাস কৰিছিল ইয়াক বুজা বৰ টান।

মহাভাৰত, ৰামায়ণ আৰু পুৰাণবিলাকৰ ভিতৰত যিবিলাক বুৰঞ্জীমূলক কথা লিখা আছে, তাৰ পৰা সঁচামিছা বাহিৰ কৰি লোৱা বৰ টান। কিন্তু ভবিষ্যপৰ্ব্বত যিবিলাক ৰাজবংশৰ বৰ্ণনা আছে, তাৰ ভিতৰত বেছিভাগেই সঁচা বুলি পণ্ডিতবিলাকে ধৰি লৈছে। বায়ু আৰু ব্ৰহ্মাণ্ড পুৰাণত আছে, "বিদিশাৰ ভবিষ্যত ৰজাবিলাকৰ কথা শুনক। নাগৰজা শেষৰ পুতেক ইয়াৰ পাছত ৰজা হয়, তেওঁ নাগবংশৰ যশ-গৌৰৱ বঢ়ায়। ইয়াৰ পাছত সদাচন্দ্ৰ, চন্দ্ৰাংশ, ধনধৰ্ম্মা আৰু ভূতিনন্দ বিদিশাত ৰজা হ'ব। আকৌ ইপিনে বায়ু ব্ৰহ্মাণ্ড পুৰাণ আৰু ভাগৱতত আছে—"নতুন নাগৰজা পদ্মাৱতী আৰু সপ্তনাগৰাজ মথুৰাত ৰজা হ'ব।"



হিন্দু পুৰাণবিলাকত আৰু বৌদ্ধ সাহিত্যত যি অজাতশত্ৰুৰ নাম পোৱা যায়, তেওঁ পুৰাণত কিন্তু নাগবংশীয় বুলি জনাজাত আছে। পণ্ডিত দেৱদত্ত ভাণ্ডাৰকাৰৰ মতে বিম্বিসাৰ অজাতশত্ৰু বৰ নাগবংশীয় আৰু এই বংশৰ পাছত শুসু নাগ বা ছোটনাগবংশীয়বিলাকে এসময়ত প্ৰায় সকলো উত্তৰভাৰতত ৰজা আছিল। তাৰ পাছত নন্দবংশ প্ৰতাপী হয়।

ৰীচ্ ডেবিড চাহাবৰ "বৌদ্ধ ভাৰত" নামৰ কিতাপত লিখা আছে যে বহুপ্ৰকাৰৰ দেৱতা বুদ্ধদেৱৰ পূজা কৰিবৰ কাৰণে আহিছিল। ইয়াৰ ভিতৰত দিকপাল, গন্ধৰ্ব্ব আৰু নাগ আদিৰ নাম আছে। এই কিতাপত চকষাক নাগ ৰজাৰ যি ছবি দিয়া আছে, তাৰ চেহেৰা মানুহৰ নিচিনা ; কেৱল মূৰৰ পাছফালে ৫টা সাপৰ ফণা আছে। বাৰ্গেছ চাহাবৰ "ভাৰত বৌদ্ধ শিল্প" নামৰ কিতাপত পানীৰ মাজত নাগ-ছোৱালীহঁতৰ যি চিত্ৰ দিয়া আছে, তাত নাগ-ছোৱালীহঁতৰ ককালৰ পৰা তলভাগ সাপৰ নিচিনা আৰু ওপৰভাগ মানুহৰ নিচিনা। অজণ্টা গুহাত এজন নাগ পুৰুষৰ ছবি আছে, তেওঁৰ মূৰৰ পাছফালে ছটা ফণা।

শাওণ মাহত নাগপঞ্চমীৰ দিনা বঙলা দেশত নাগৰ দেৱী মনসাৰ পূজা হয়। আস্তিকৰ মাক জৰৎচাৰৰ আনটো নাম মনসা। টড চাহাবে লিখিছে, ৰাজপুতবিলাকেও নাগপঞ্চমীৰ দিনা সাপৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজা কৰে। এই মূৰ্ত্তি ওপৰৰ ফালে মানুহৰ নিচিনা আৰু তলৰ ফালে সাপৰ নিচিনা। গ্ৰীকৰ দিওদোৰসে কয়, পৃথিৱীৰ কুমাৰী জীয়েকৰ ( ইলাৰ? ) পৰা ছিথিয়ানবিলাকৰ উৎপত্তি হৈছে। ইয়াৰ মূৰ্ত্তি ঠিক নাগকুমাৰীবিলাকৰ নিচিনা। আমাৰ দেশৰ ভিতৰত কামৰূপ আৰু মঙ্গলদৈত মনসাৰ পূজা প্ৰায় সকলো সময়তে বৰ ধুমধামেৰে চলে।

আমাৰ লিখাৰ আদিতে দেখুৱা হৈছে, প্ৰথমে নাগ সৰ্প অৰ্থে ব্যৱহাৰ নহৈছিল। যিবিলাক মূৰ্ত্তি আৰু চিত্ৰৰ কথা কোৱা হৈছে, তাত কিছুমান মূৰ্ত্তিৰ পাছত সাপৰ ফণা আৰু নাগকুমাৰীবিলাকৰ তলৰ ফালে সাপৰ নিচিনা। মহাভাৰতত নাগ আৰু সাপক একে বুলি কোৱা হৈছে, অথচ এই নাগ আৰু সাপৰ কাজ ঠিক মানুহৰ নিচিনা। বহুত ঠাইত লিখা আছে যে নাগবিলাক পানীত বাসকৰে বা পাতালত থাকে। ৰীচ ডেভিড চাহাবে কয়, নাগবিলাকে বিশেষ ক্ষমতাপন্ন মানুহ। নাগবিলাক কিয় সাপৰ সৈতে অভিন্ন, বা কিয় সিহঁতক সাপৰ ফণাৰ সৈতে তুলনা কৰিলে, তাৰ কাৰণ বাহিৰ কৰা সহজ নহয়। বোধকৰো নাগবিলাক সাপৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজা কৰিছিল আৰু মূৰৰ দীঘল চুলি সাপৰ ফণাৰ নিচিনাকৈ বান্ধিছিল, আৰু সাপেই সিহঁতৰ পতাকাৰ চিন স্বৰূপে ব্যৱহাৰ হৈছিল।

মহাভাৰতৰ মূল ঘটনাৰ সৈতে নাগবিলাকৰ কোনো সমন্ধই নাই, অথচ নানা আকাৰে মহাভাৰতৰ আৰম্ভতে নাগবিলাকৰ উল্লেখ আছে। ইয়াৰ পৰা অনুমান হয়, কেৱল জন্মেজয় আৰু মহাভাৰতৰ কথক সূতজাতিৰ সৈতে নাগবিলাকৰ সমন্ধ হৈছিল এনে নহয়, বামুণধৰ্ম্মৰ সৈতেও নাগবিলাকৰ ধৰ্ম্ম মিহলি হৈ গৈছিল। সেই কাৰণে মনসা দেৱীৰ লগে লগে মহাদেৱ, দুৰ্গা আৰু নাৰায়ণৰ লগৰীয়া স্বৰূপে ধৰি লৈছে। শেষ বা অনন্ত নাগে তপৰ বলত ব্ৰহ্মাক সন্তুষ্ট কৰি পৃথিৱীক ফণাৰ ওপৰত ধৰি আছে বুলি কল্পনা কৰা হৈছে।

এইবাৰ বুৰঞ্জীত নাগবিলাকৰ সম্বন্ধে কি কোৱা আছে দেখা যাওক। পণ্ডিচেৰী কলেজৰ ফৰাছী অধ্যাপক ডুব্ৰেইল চাহাবে তেওঁৰ দাক্ষিণাত্যৰ পুৰণি বুৰঞ্জীত লেখিছে, "প্ৰায় ৩৫০ খৃঃ বাসুদেৱৰ ৰাজ্য এশ বছৰৰ নিমিত্তে যৌধেৰ আৰু নাগলিাকৰ অধিকাৰত আছিল। মথুৰা, কান্তিপুৰ আৰু পদ্মাৱতী ( সিন্ধিয়াৰ ৰাজ্যৰ ভিতৰত, বৰ্ত্তমান নৰোৱাৰ ) নাগবিলাকৰ ৰাজধানী আছিল। গণপতি নাগৰো পূৰ্ব্বপুৰুষ শিৱনন্দী সমুদ্ৰগুপ্তৰ সমসাময়িক আছিল। হৰ্ষচৰিত্ৰত পদ্মাৱতীৰ নাগবংশৰ যি নাগসেনৰ উল্লেখ আছে, তেওঁ আৰু এলাহাবাদৰ স্তম্ভৰ ওপৰত লিখা নাগসেন এটা মানুহ। প্ৰভাকৰ নাগ, স্কন্দনাগ, দেৱনাগ আৰু ভীমনাগৰ টকাৰ মোহৰ পোৱা হৈছে।" "অন্ধ্ৰৰাজ্যৰ তলতীয়া ৰজাবিলাকে মহা-

ৰথী উপাধি লয়, তেওঁলোকো নাগ। অন্ধ্ৰৰাজ পুলমায়িৰ প্ৰধান সেনাপতিৰ নাম স্কন্দনাগ। অন্ধ্ৰশালবহন বংশ শেষ হোৱাত নাগবিলাক বৰ ক্ষমতাপন্ন হৈছিল। চুটুনাগবিলাকে তেতিয়া শালবাহনবিলাকৰ ঠাইত কাজ-কাম কৰিছিল।" "কলিৰ সিংহস্তম্ভ মহাবীৰ অগ্নিমিত্ৰ নাগৰ দান। চুটু আৰু মহাৰথীবিলাকে প্ৰায় বংশৰ উপাধি লৈছিল। চুটুৰাবিলাক কেৱল মহীসুৰৰ বাহিৰে আন দেশত অন্ধ্ৰবংশৰ পাছত ৰাজত্ব কৰিছিল।" "বনবাসী, মৰবল্লী আৰু চিত্তলদ্ৰুগৰ প্ৰজাবিলাক নাগবিলাকৰ জীয়াৰীৰ বংশ। বনবাসী দেশত সাতবাহন ৰজাবিলাকৰ যি হুকুম-পত্ৰ পাথৰত লিখা আছে, তাত ৰজাৰ জীয়াৰীৰ নাম নাগশ্ৰী। এওঁ কাহেনৰীৰ পাথৰত লিখি থোৱা স্কন্দনাগ সাতবাহনৰ মাক। এৱেঁই এটি নাগৰ মূৰ্ত্তি স্থাপন কৰিছিল। এই দেশ এসময়ত নাগখণ্ড নামেৰে জনাজাত আছিল। বিশ্বাস হয়, সাতকণি উপাধিধাৰী মহাৰথী নাগবিলাকেই অন্ধ্ৰ ভৃত্য। অন্ধ্ৰবিলাকৰ পাছত যি মহাৰথীবিলাকে অন্ধ্ৰৰাজ্য শাসন কৰিছিল, সিহঁতৰ ভিতৰত পৰস্পৰে সম্বন্ধ থকা চুটু, নাগ, আৰু পল্লৱ নামৰ তিনটা জাতি আছিল।"

মহাবংশত লিখা আছে— নাগ মহাসেনে খৃঃ তৃতীয় শতাব্দীত ৰাজত্ব কৰিছিল। ৰ্যাপছনৰ মতে প্ৰভাকৰ আৰু স্কন্দনাগৰ নামৰ মোহৰ পোৱা গৈছে। ইয়াৰ বাহিৰে আৰু ৯ জন নাগৰ মোহৰ পোৱা গৈছে। এই মোহৰবিলাক খৃঃ ২য় শতাব্দীৰ বুলি অনুমান কৰা হয়। ইয়াৰ ভিতৰত বৃহস্পতি নাগ, দেৱ নাগ আৰু গণপতি নাগৰ নাম পঢ়িব পৰা যায়।

ডিঃ কণক সভাই লিখা "তামিল দেশ" নামৰ কিতাপত লিখা আছে— নাগবিলাক সভ্য জাতি, আৰু অতি যুজাৰু আছিল। কোনো এজন নাগৰ প্ৰধান কৰ্ম্মচাৰী পাণ্ড্য ৰাজ্যৰ মন্ত্ৰী আছিল। আন এজন নাগ কৰ্ম্মচাৰীৰ চেৰৰাজ আৰু লিয়াৰৰ মন্ত্ৰী আছিল আৰু কাৰিকলৰ চোল নাগবিলাকক পৰাজয় কৰিছিল। নাগবিলাক যে সভ্য আছিল ছন্দঃসূত্ৰ লিখক পিঙ্গল নাগেই তাৰ জ্বলন্ত উদাহৰণ। মোৰ অনুমান হয়, আগেয়ে কোৱা চুটু আৰু নাগবিলাকৰ পৰাই নাগপুৰ আৰু চুটিয়া নাগপুৰ বা চোটনাগপুৰ নাম হৈছে।

কৰ্ণেল টড্ ছাহাবৰ মতে ৰাজপুতনাৰ ৩৬ ৰাজ কুলৰ ভিতৰত হুন, আভীৰ, তাক বা তক্ষক কুলৰ নাম পোৱা যায়। অথচ বৰ্ত্তমান ৰাজপুতনাৰ কোনো ৰাজবংশই নিজক এইবিলাক বংশৰ পৰা উৎপত্তি হোৱা স্বীকাৰ নকৰে। কৰ্ণেল টড্ ছাহাবে কয়— তাতাৰ আৰু মোগল বুৰঞ্জীলিখক আবুল গাজিৰ মতে মোগলৰ ৬ নাতিৰ ভিতৰত এজনৰ নাম কিউন অৰ্থাৎ সূৰ্য্য, আৰু আনজনৰ নাম আয় (আয়) অৰ্থাৎ চন্দ্ৰ। আয়ৰ দশম বংশধৰৰ এজনৰ নাম কাজান, আনজনৰ নাম নাগছ। পুৰাণৰ মতে কাশ্যপৰ দুজনী তিৰোতাৰ পৰা নাগবিলাকৰ আৰু গৰুড়ৰ উৎপত্তি হৈছে আৰু বৈবস্বত মনুৰ পৰা সূৰ্য্য আৰু চন্দ্ৰবংশৰ উৎপত্তি হৈছে। চন্দ্ৰবংশৰ বুধৰ বা ইলাৰ নাতিনিয়েকৰ নাম আয়ু (আয়ু)। যদি আবুলগজিৰ আয় আৰু হিন্দুপুৰাণৰ আয়ু এজন মানুহেই হয়, তেনে হলে আবুলগজিৰ মতে চন্দ্ৰবংশই নাগবিলাকৰ উৎপত্তি বুলি কব পাৰি।

আগেয়ে যিবিলাক পুৰাণ আৰু বুৰঞ্জীৰ বিৱৰণ দিয়া হৈছে, তাৰ পৰাই দেখা যায় যে নাগবিলাক প্ৰথমে হিমালয়ৰ উত্তৰভাগত আছিল। তাৰ পাছত এসময়ত উত্তৰ ভাৰতত ৰাজত্ব কৰিছিল আৰু শেষত দাক্ষিণাত্যত তেওঁলোকৰ প্ৰভুত্ব হয়।

ৰাজপুতনাৰ বাহিৰে বঙ্গ, বিহাৰ আৰু অযোধ্যাত নাগবংশী ৰজাসকল বাস কৰিছিল। বৈছ বা বাইছ (টডৰ Byce) ৰাজপুতবিলাক ৰাজপুতনা, যুক্তপ্ৰদেশ, বঙ্গ আৰু বিহাৰত আছে। যুক্ত-প্ৰদেশৰ বাইছ ৰাজপুতবিলাকে কয়, সিহঁত মূল নাগবংশী আৰু সিহঁতৰ কুলদেৱতা নাগ। এওঁলোকৰ পূৰ্ব্বপুৰুষ শালবাহন অনন্ত নাগৰ পুতেক। এওঁ উজ্জয়িনীৰ বিক্ৰমাদিত্যক পৰাস্ত কৰি পাছত পঞ্জাবলৈকে জয় কৰিছিল, আৰু শালকোটত তেওঁৰ মৃত্যু হয়।

বঙ্গৰ দক্ষিণ ৰাঢ়ী কায়স্থবিলাকৰ মাজত নাগ উপাধি আছে। তেওঁলোকৰ সৈতে নাগ বংশৰ কোনো সম্বন্ধ আছিল বুলি বিশ্বাস নহয়। নাগ শব্দত সিংহৰ নিচিনা পুৰুষালি আছে বুলিয়েই কায়স্থৰ ভিতৰত নাগ শব্দটো ব্যৱহাৰ কৰে।



আসামতো নাগবংশীয় ৰজাই ৰাজত্ব কৰিছিল। খৃঃ ৮ শতাব্দীত ৰজা আদিসুৰ বিখ্যাত হৈ পৰে; তেওঁ কামৰূপ দখল কৰিছিল আৰু কীৰ্ত্তিনাগক কামৰূপৰ মিত্ৰ ৰজা কৰি ৰাখিছিল। কীৰ্ত্তি-নাগ গণ্ডদেশৰ কাৰকোটা বংশৰ ছাণ্ডপাইৰানা গোত্ৰৰ আছিল। আদিসুৰৰ দুজন পুতেক আছিল। তেওঁৰ এজন পুতেকৰ নাম শুভৰিষা। এওঁ কিৰাতবিলাকৰ লগত মিলা-প্ৰীতিৰে থকা গতিকে এওঁৰ লৰা-ছোৱালীবিলাক আসামৰ পৰ্ব্বতীয়া নগা বুলি জনাজাত আছে।

সামৰণিত ইয়াকে কওঁ, নাগ আৰু সাপ একে নহয়। নাগ উচ্চ শ্ৰেণীৰ মানুহ বিশেষ, আৰু সাপ সাপেই।

শ্ৰীকমলাকান্ত হাজৰিকা

---

# "ভকতি"লৈ

[ এটা নতুনকৈ ধৰি অনা ভাটৌৰ উদ্দেশে ]

মিছাতে কৰিছ তই বেজাৰ 'ভকতি'—  
হায় হায়! পাহৰিলি আপোন শকতি।  
নাছিল নে শক্তি তোৰ অনাদি মেলাত  
উৰি ফুৰা—বিমানৰ অভয় খেলাত?  
গাই গাই অসীমৰ অজয় বাতৰি,  
সৃষ্টি কৰি দিগন্তত অনন্ত লহৰী,  
বোৱালি বিজুলী-সোঁত সহস্ৰ প্ৰাণত  
শিয়ঁৰাই শত হিয়া সুতীক্ষ্ণ তানত।  
চাইছিল তথা লাগি সুৰাসুৰ নৰে,  
শিকিছিল সামগান অতি ভক্তিভৰে;  
উৰিছিলি দশোদিশে আপোন মনেৰে,  
নাছিলে এনুৱা কেও গতি বোধ কৰে।  
স্বপ্নতো যিদিনা তই আছিলি স্বাধীন,  
সততে আনন্দ তোৰ,—কিবা ৰাতি দিন।  
নাছিল ভাবনা তোৰ খোৱা-শোৱালই,  
বিলাইছিলি ভালপোৱা বুকু উদংকৈ?  
অসীম আকাশ তোৰ ৰাপতিসাহোন  
লগৰী অনন্ত কাল,—উভটি চাচোন!  
ক্ষুদ্ৰ এই সজাটোৱে কি কৰিব পাৰে,  
শিকলি বা ডালকেই কোনে ভয় কৰে?  
থাকক শিকলি সজা, তোৰ ক্ষতি কি;  
আপোন স্বভাৱ তই কিয় পাহৰিবি?  
কেইদিন থাকিব এই লোহাৰ শিকলি,  
লোহাৰ ফাটেক-সজা লোহাৰ বান্ধনি?  
যাব পচি দুদিনতে ধৰিলে মামৰে,  
যাবি উৰি ভুকুংকৰে, কোনে তোক ধৰে?  
কিন্তু; কিয় চাবি বাট মামৰ ধৰালে',  
কিয়নো নকৰ চেষ্টা নিজে কুটিবলে'?  
পুনৰ আবৃত্তি কৰ অসীম আৰতি,  
ঝঙ্কাৰি উঠক তোৰ অনন্ত শকতি।  
দেখিবি তেতিয়া এই লোহাৰ সজায়ে  
আপোনাআপুনি বাট দিব অনাদায়ে।  
লোহাৰ শিকলি ৰব চুকত বাগৰি,  
যাবি উৰা মাৰি পাই অনন্ত লগৰী।  
কিয় তেনে আজি তোৰ মিছাতে বেজাৰ,  
কিয়বা কৰিবি হীন বশ্যতা স্বীকাৰ?  
খাবি কিয় 'এৰ্ঠা'—যদি পানী মিহলোৱা?  
কিয় হবি 'ৰাধাকৃষ্ণ, ৰাধাকৃষ্ণ' গোৱা?  
সুবুলিবি 'ৰাধাকৃষ্ণ', সুছুবি গাখীৰ;  
নাযাবি পাহৰি তোৰ কাহিনী আদিৰ।  
সোঁৱৰ মনত তোৰ অনন্ত শকতি,  
জপি চা হিয়াত তোৰ প্ৰচণ্ড প্ৰকৃতি।  
নোৱাৰ তেতিয়া তই কৰিব বেজাৰ,  
নোৱাৰে থাকিব তোৰ এই হাহাকাৰ।  
বিজয় পতাকা তোৰ উৰিব নিশ্চয়,  
বাহ্যিকতা হব মাত্ৰ মৰিচিকাময়।

শ্ৰীবিষ্ণুচন্দ্ৰ গোস্বামী

# দীন-দুখী

বা

লে মিজাৰাব্‌ল্‌

১৩শ অধ্যায়

মেৰিয়াছে পাছদিনা পুৱাতে তালি-টোপোলা বান্ধি দোকানে-পোহাৰে সকলো শোধ-পৰিশোধ কৰি সেই ঘৰটোৰ পৰা ওলাই আহিল। কলৈ কেনি গল, কোনেও উৱাদিহকে নেপালে।

টেনাৰ্ডিয়েৰ বিৰুদ্ধে সাক্ষী দিব লাগে বুলি মেৰিয়াছে ছত্তাই-ত্তাইকৈ বহা সলনি কৰি নগৰৰ এচুকত থকা তেওঁৰ পুৰণা বন্ধু কৰফেয়াৰৰ লগত আহি থাকিবলৈ ললে। পুলিছ ইন্স্‌পেক্টৰ জাভেয়াৰে মেৰিয়াছক বহুতো বিচাৰ-খোচাৰ লগালে। কিন্তু মেৰিয়াছৰ সতৰ্কতাই জাভেয়াৰৰ সকলো অনুসন্ধান ব্যৰ্থ কৰিলে। মেৰিয়াছে তেওঁৰ পিতৃ-বন্ধু টেনাৰ্ডিয়েৰ বিৰুদ্ধে সাক্ষী ওলাবলৈ নহল।

এদিন-দুদিনকৈ এই ঘটনাৰ পাছত দুমাহ পাৰ হৈ গল। মেৰিয়াছে চকা-চমকাকৈ বিজুলীৰ থন্তেকীয়া পোহৰত এথন্তকলৈ মাথোন তেওঁৰ প্ৰণয়িনী কজেটক টেনাৰ্ডিয়েৰ ঘৰত দেখিবলৈ পাইছিল। সেই থন্তেকৰ ভিতৰতে মেঘৰ বিজুলী মেঘৰ মাজত মাৰ গল। মেৰিয়াছৰ জীৱন বস্তিগছিও দুৰ অন্ধকাৰৰ ভিতৰত অদৃশ্য হৈ পৰিল। সেই মাহেন্দ্ৰক্ষণ অন্ত হোৱাৰ লগে লগে মেৰিয়াছৰ মনৰ আনন্দ, চকুৰ তৃপ্তি, সকলো এক বিৰাট হাহাকাৰত পৰিণত হল। মেৰিয়াছ এতিয়া ভগ্ন-প্ৰাণ হতাশ প্ৰেমিক। দুৰ-বিদুৰৰ এটি মাত্ৰ ক্ষীণ ৰশ্মি— জনা-নজনাকৈ দিনে এটিবাৰ কজেটক ওচৰে-পাঁজৰে চাই যোৱা—তাৰ চিকিমিকি পোহৰত জনপূৰ্ণ সংসাৰৰ সঙ্গীবিহীন মেৰিয়াছে জীৱনৰ ঘোৰ আউসীতো এখুজি-দুখুজিকৈ খপিয়াই-জপিয়াই বাট বুলিবলৈ সক্ষম হৈছিল। সিও যেতিয়া দৈব-দুৰ্ব্বিপাকত লুমাই পৰিল, মেৰিয়াছ আৰু আগবাঢ়ে কেনেকৈ? মেৰিয়াছৰ অন্তৰ অণ্ঠকণ্ঠ শুকাই যোৱা পিয়াহেৰে ভৰপুৰ আছিল সঁচা, কিন্তু চকু দৃষ্টিবিহীন। চাৰিও-ফালে অকল মৰুভূমি আৰু এন্ধাৰ মাথোন দেখিবলৈ পায়। কিবা এক অদৃশ্য শক্তিয়ে মেৰিয়াছক উদগাই দিছিল— আগলৈ টানি নৈ গৈছিল হয়, কিন্তু মেৰিয়াছ যেন একেবাৰেই অৱশ, মেৰিয়াছে লৰচৰকে কৰিব নোৱাৰে। মেৰিয়াছৰ তেতিয়া এক ভালপোৱাৰ বাহিৰে আন সকলো শক্তি লোপ পাইছিল। কিন্তু সেই ভালপোৱাৰো সকলো জ্যোতি আৰু সকলো উদগনি মেৰিয়াছে একেবাৰেই হেৰুৱাই পেলাইছিল। মেৰিয়াছৰ ভালপোৱা এক হাহাকাৰ ভালপোৱা হৈ উঠিল।

খোৱা-পাতত বহি মেৰিয়াছে খাবলৈ পাহৰিলে, শুবৰ পৰত হয়তো বাহিৰলৈ যাবলৈ ওলাল; মেৰিয়াছ মেৰিয়াছৰ পৰা ওলাই গল। মেৰিয়াছ যেন আন কিবা এটাহে। কিন্তু হেজাৰ হলেও বিচ্ছেদৰ এই ভীষণ বানপানীতো মেৰিয়াছৰ পৰা যোৱা নাছিল সেই এক জীৱন-ক্ষুৰিথকা প্ৰেৰণা—পিতৃ-বন্ধু টেনাৰ্ডিয়েক সহায় কৰা। হা-হুতশৰ হিল-দল-ভঙা ধুমুহাৰ ঘাত-প্ৰতিঘাতেও পিতৃৰ অন্তিম বাসনা পিতৃ-প্ৰাণ পৰাণৰ পৰা উভালি নিব নোৱাৰিলে। টেনাৰ্ডিয়েৰ ফাটেকত পৰা খবৰ পাই টেনাৰ্ডিয়েলৈ বুলি সোমবাৰ হলেই ৫ ফ্ৰাঁ ধন ফাটেকলৈ পঠিয়াই দিয়া মেৰিয়াছৰ উচ্চ দৈনিক ব্ৰতবিলাকৰ এটা উচ্চতম ব্ৰত হৈ পৰিল।

সেইদিনা সোমবাৰ, টেনাৰ্ডিয়েলৈ ধন পঠিয়াবৰ দিন। মেৰিয়াছৰ হাতত ধন নাই। নিৰুপায় হৈ মেৰিয়াছে কৰফেয়াৰৰ পৰা ৫ ফ্ৰাঁ ধন ধাৰলৈ ললে। মেৰিয়াছৰ জীৱনৰ ভিতৰত ধন ধাৰে লোৱা এয়ে প্ৰথম। ধন পায়ে মেৰিয়াছে ফাটেকৰ ফালে খোজ ললে। তেতিয়া মুকলি পুৱাৰ ৰাঙলি কিৰণত গছ-গছনিবোৰ তিৰ্বিৰাই উঠিছিল। মেৰিয়াছৰ কিন্তু তেতিয়া ৰাতি নে দিনেই একো হুঁচ নাই। কিবা ভাবি ভাবি গৈ আছে, এনেতে হঠাৎ এটা



পৰিচিত কণ্ঠস্বৰ আহি মেৰিয়াছৰ কাণত পৰিল। মেৰিয়াছ চক্‌খাই উঠিল, —যেন কোনোবাই কলে, "আঃ, তেওঁ এয়া!"

মেৰিয়াছে চকু তুলিয়ে দেখিলে, তেওঁৰ আগত টেনাৰ্ডিয়েৰ ৰৰজীয়েক ইপ্‌নিন। ইপ্‌নিনৰ মুখ শেতা; তাত জেউতি নাই। মেৰিয়াছক দেখা মাত্ৰকে সেই শেতা মুখতো এটি ৰাঙলি ৰহন বিয়াপি পৰিল। ইপ্‌নিনে তাইৰ হাহোঁ-হাহোঁ-কৰা মুখখনি তুলি এবাৰ মেৰিয়াছৰ মুখৰ ফালে চায়ে আকৌ চকু নমাই নি মাত দিলে, "বিচাৰি কুৰিও পাবলৈ নাই! এতিয়া আগৰ ঘৰত নেথাকা?"

মেৰিয়াছে কলে—"নেথাকো।"

"অ সেই কাৰণে? এতিয়া ক'ত থাকা?"

মেৰিয়াছে একো নকলে। ইপ্‌নিনে আকৌ মাত দিলে, "মই তোমাক এটা ভাল বাতৰি কব পাৰো।"

"কি বাতৰি?"

"ক'ত থাকে।"

"কোন?"

"সেই গাভৰুগৰাকী।"

মেৰিয়াছে বলিয়া মানুহৰ দৰে ইপনিনৰ হাত দুখন সাবটি ধৰি মাত দিলে, "কোৱাঁ কোৱাঁ, মই তোমাক কাবৌট কৰি মাতিছো; নহলে মোক দেখুৱাই দিয়া।"

মেৰিয়াছৰ থামোচৰ পৰা ইপনিনে তাইৰ হাত কেখন একৰাই আনি মাত দিলে, "এওঁৰ মনত এতিয়া ৰঙ!" এই মাতৰ লগত অহা সুৰটি কোনো আনন্দ-উল্লাসৰ সুৰ নাছিল। সুৰটি আছিল হতাশ প্ৰাণৰ আকুল বৰাগী সুৰ। এই সুৰ শুনি শুনোতাৰো পাষাণ হিয়া ফাটি তেজৰ নৈ বলেহেঁতেন। কিন্তু মেৰিয়াছৰ?— মেৰিয়াছ তেতিয়া আত্মবিস্মৃত!

আশাৰ ৰাঙলি ৰ'দত জিলিকি উঠা মেৰিয়াছক তৎক্ষণাতে সন্দেহৰ মেঘে আৱৰি পেলালে। মেৰিয়াছৰ কপালৰ আগ খোপা বান্ধি আহিল। ইপ্‌নিনৰ হাত দুখন আকৌ থামোচ মাৰি ধৰি উত্ৰাৱলভাৱে কবলৈ ধৰিলে "ইপ্‌নিন্‌! ইপ্‌নিন্‌! শপত খোৱা— তুমি পিতাৰক সেই ঠিকনাটো কেতিয়াও নোকোৱা।"

ইপ্‌নিনে ভেবালাগি মেৰিয়াছৰ মুখৰ ফালে চাই মাত দিলে—"ইপনিন্‌! মোৰ নাম ইপ্‌নিন্‌ বুলি কেনেকৈ জানিলা?"

মেৰিয়াছে কৈ গল, "গোসাঁইৰ শপত—পিতাৰাক সেই ঠিকনাটো কেতিয়াও নকবা। কোৱাঁ, শপত খাই কোৱাঁ ইপ্‌নিন্‌!"

ইপ্‌নিনে ঢেক্‌ঢেক্‌কৰে হাঁহিবলৈ ধৰিলে; হাঁহি হাঁহি কবলৈ ধৰিলে, "এঃ, চাওঁ; মোৰ হাত দুখন এৰি দিয়া। মই যাওঁ। মোক খোকাৰিছা কেলেই? বাৰু, বাৰু; মই শপত খাইছোঁ। মোৰ কি হৈছে, দেউতাক ঠিকনাটো কবলৈ!"

"অইনকো নকবা।"

"বেছ, অইনকো নকওঁ।"

"মোক তালৈ লৈ বলা।"

"আহঁা। ইঃ, ৰঙৰ দুকুল ডাকিছে।"

দুয়ো খোজ ললে। মেৰিয়াছ যেন বতাহৰ আগত হে। কেইখনমান গৈয়ে ইপ্‌নিনে ঠেও ধৰি ৰৈ মাত দিলে, "এটা কথা। মোক বস্তু এটা দিম বুলিছিলা নহয়?"

মেৰিয়াছে জেপত হাত ভৰাই খেপিয়াবলৈ ধৰিলে। মেৰিয়াছৰ জেপত টেনাৰ্ডিয়েলৈ বুলি লৈ অহা সেই ৫ ফ্ৰাঁ ধনৰ বাহিৰে মেৰিয়াছৰ আৰু ধন বুলিবলৈ পৃথিৱীত সেইদিনা একোৱেই নাছিল। মেৰিয়াছে তাকে ইপ্‌নিনৰ হাতত গুজি দিলে। মেৰিয়াছৰ মুখৰ ফালে বৰ আমনজিমনকৈ চাই ইপ্‌নিনে হাতৰ আঙুলি কেটা মেলি দি মোহৰটো মাটিলৈ সৰকাই দিলে। মোহৰটো মাটিত পৰাৰ লগে লগে তাই মুখ ওলমাই মাত লগালে, "তোমাৰ ধন আমাক নেলাগে!" ইপ্‌নিনক লাগে কি? মেৰিয়াছে নেজানিে! ইপ্‌নিনে কিহৰ ভিখাৰিণী হৈ হাত পাতিছে!

• • • •

ওঠৰ শতিকাৰ মাজভাগতে পেৰীৰ পালিয়ামেণ্টৰ প্ৰেছিডেণ্ট এজনে 'ৰু দি ব্ৰুমে'ত তেওঁৰ ৰক্ষিতা এগৰাকীক লুকুৱাই ৰাখিবৰ নিমিত্তে এটা গোপন গৃহ সজাইছিল। এতিয়া প্ৰেছিডেণ্টো নাই, ৰক্ষিতাও নাই। পতিকে

ঘৰটো কেৰেয়ালৈ দিয়া হয়। ‘ক দি ব্ৰুমে’ বৰ নিজান ঠাই। আশে-পাশে মানুহৰো বসতি নাই, আহ-যাহৰ বাট-পথো নাই। তদুপৰি ঘৰটোৰ ভিতৰত মানুহ-দুনুহ থকা-নথকা বাহিৰৰ পৰা অকণো গম ধৰিব নোৱাৰি।

১৮২৯ খৃষ্টাব্দৰ অক্টোবৰ মাহত এজন আদ বয়সীয়া মানুহে এই ঘৰটো কেৰেয়ালৈ লৈ এজনী গাভৰু ছোৱালী আৰু আঁকৰী আৰু খোৰা বুঢ়ী লিগিৰী এজনীৰে সৈতে আহি থাকিবলৈ লোৱা দেখা গল। মানুহজনে ঘৰটোত থাকিবলৈ লোৱাতকৈও পলাই থকা বুলিলেহে শুৱায়। তথাপি ওচৰ-চুবুৰীয়াই একো ফুচ-ফুচ-ফাচ্-ফাচ্ খুতুলিলে; কাৰণ ওচৰ-চুবুৰীয়া বুলিবলৈ ওচৰত এটা প্ৰাণীও নাছিল। এই মানুহজন জঁ ভেলজঁ, আৰু ছোৱালীটী কজেট।

ভেলজঁ কনভেণ্ট এৰি ইয়ালৈ গুচি আহিল কিয়? কনভেণ্টততো ভেলজঁ বৰ সুখ আৰু নিৰাপদেই আছিল। কজেট কনভেণ্টৰ ছাত্ৰী হৈছিল। ভেলজঁ কনভেণ্টৰ মালী আছিল। পুলিছৰ অভেদ্য কনভেণ্ট। এনে নিৰাপদ ঠাই ভেলজঁই কিয় এৰিলে? কনভেণ্টত যিমানে ভেলজঁৰ দিন গৈছিল, যিমানে ভেলজঁই নিতৌ পুৱা গধূলি কনভেণ্টৰ ছাত্ৰী কজেটক দেখিবলৈ পাইছিল, সিমানে ভেলজঁৰ মনত নতুন নতুন ভাব আহি খুন্দিয়াবলৈ ধৰিলে। ভেলজঁই ভাবিছিল— কজেট ভেলজঁৰ এদনীয়া ধন। পৃথিবীৰ কোনো শক্তিয়েই কজেটক ভেলজঁৰ পৰা ছিঙি নিব নোৱাৰে। কনভেণ্টেই দুয়োটিৰে সংসাৰ। সেই সংসাৰতেই দিনৰ লগে লগে ভেলজঁ বুঢ়া হৈ আহিব, কজেট বাঢ়ি আহিব। ভেলজঁ তাতেই বুঢ়া হৈ মৰিব, কজেট তাতেই গাভৰু হৈ বুঢ়ী হব। কিন্তু কনভেণ্টত সংসাৰ পাতিলেতো আজন্মা কজেটে সংসাৰৰ এক বিন্দুও গম নেপাব। জীৱনৰ সুখ-ভোগৰ গম নোপোৱাকৈয়েতো তেনেহলে কজেটে চিৰকুমাৰী হৈ থাকিব লাগিব। ভেলজঁৰ এই অৱস্থা ভাল নেলাগিল। ভয় হল, জানোচা এনেভাৱে বলৰ ওপৰত সন্যাসিনী হোৱা কজেটে ভেলজঁক এদিন ঘিণ কৰে। ঘিণ কৰিলে ভেলজঁই কাৰেসৈতে সংসাৰ পাতিব? সংসাৰত আৰু ভেলজঁৰ কি আছে? কজেটক চিৰকুমাৰী কৰিবলৈ ভেলজঁৰ সাহসে নুজুৰিলে। এই ভাবটো যিমানেই স্বাৰ্থপৰ হক লাগে, ভেলজঁৰ আন আন বীৰোচিত ভাবৰ তুলনাত যিমানেই কাপুৰুষতাৰ দোষে ছোৱক, ভেলজঁই তাৰ ওচৰত বিনা-যুজে শিৰ দোঁৱালে। ভেলজঁ কনভেণ্ট এৰি গুচি আহিল।

‘ক দি ব্ৰুমে’ৰ এই গোপন গৃহৰ বাহিৰেও ভেলজঁই আৰু দুটা ঘৰ নগৰৰ ভিতৰত কেৰেয়া কৰি ৰাখিছিল। এই কাৰণে ভেলজঁ ক’ত থাকে কোনেও একো ঠিক ধৰিব নোৱাৰিছিল। ভেলজঁই ঘৰৰ ভেৰোণ ঠিক কৰোতে কন্‌ভেণ্টত পোৱা ফকল্‌ভেণ্ট নামেৰেই পৰিচয় দিছিল। ভেলজঁৰ ঘৰ কেবাটাও হলেও সচৰাচৰ তেওঁ ৰাতি কটাইছিল এই গোপন-গৃহতহে। এই ঘৰটোৰ ধুনীয়া ধুনীয়া আহিলা-পাতিৰে সৈতে ভাল ভাল কোঠা কেটা কজেটক দি ভেলজঁই নিজে সৰু কোঠা এটাত থাকিবলৈ লৈছিল। লিগিৰীকো কজেটৰ যৎপৰোনাস্তি যত্ন লবলৈ হুকুম দি ভেলজঁই লিগিৰীক সাৱধান কৰি দিছিল—“মনত ৰাখিবি, এই গাভৰু ঘৰৰ মালিক।” লিগিৰী আচৰিত হৈ “আপুনিনো কি তেন্তে” বুলি সোধাত উত্তৰ দিছিল “মই মালিকতকৈয়ো ডাঙৰ। মই বাপেক।”

কজেটেও ভেলজঁক হিয়া উবুৰিয়াই ভাল পাইছিল—দেৱ-প্ৰতিমাৰ দৰে সন্মান কৰিছিল। কজেটৰ মনত তাইৰ সুন্দৰ কোঠা, সুন্দৰ আঁৰ-কাপোৰ, সুন্দৰ আহিলা-পাতি আৰু আন আন সকলো সুন্দৰ বস্তুতকৈ বেছি সুন্দৰ আছিল ভেলজঁ থকা সেই সৰু কোঠাটো আৰু তাত থকা সাধাৰণ আহিলা-পাতিবোৰহে। ভেলজঁ যতে থাকে, যিহকে কৰে, সেয়ে তাইৰ মানত সকলোতকৈ সুন্দৰ। তাই তাইৰ ভাল কোঠাৰ ভাল বস্তুৰ মাজত থকাতকৈ ভেলজঁৰ ওচৰত ভেলজঁৰ সাধাৰণ আহিলা-পাতিবোৰৰ মাজতে বেছি সুখ আৰু আনন্দ পাইছিল। যতে ভেলজঁ, ততে কজেটৰ বস্তু আনন্দ সুখ-সন্তোষ লাগি আছিল। নানান বৰণীয়া ফুল আৰু পখিলাৰে সৈতে সেউজীয়া হাবিথনিয়ে যেনেকৈ তাইৰ চকুযুৰিক হেঁপাঁহ পূৰাই তৃপ্তি দিছিল, ভেলজঁৰ মৰম-চেনেহ আৰু আদৰ-সাদৰেও তেনেকৈয়ে তাইৰ মনৰ সকলো ভাৱ-অভাৱত পূৰ্ণাহুতি দিছিল।



তাই তেতিয়া পূৰ্ণ সংসাৰত। চকু-মনৰ এটি বাসনাও তেতিয়া অপূৰণ নাছিল। এই বিজন বনৰ নিৰলা প্ৰাণী দুটিৰ সংসাৰখনি তেতিয়া জয়-জয়-ময়-ময়। ইটিয়ে সিটিক লৈয়ে পূৰ্ণসংসাৰ তৰিলে। পখিলাৰ পাছে পাছে লৰি ভাগৰ লাগি কজেটে “মোৰ ভাগৰ লাগিছে” বুলি যেতিয়া ভেলজৰ কাষত ঠিয় দিয়েহি, ভেলজই যেতিয়া তাইক বুকলৈ চপাই আনি মূৰে-কপালে চুমা দিয়ে, তেতিয়া কিজানি দেৱ-দূতীহঁতেও লাজত তলমূৰ কৰে। জীৱনত ঠেলাপাই শিকা আৰু কিতাপ পঢ়ি পোৱা কথাবিলাক ভেলজই যেতিয়া কজেটৰ লানি নিছিগা প্ৰশ্নৰ উত্তৰত এটা-এটাকৈ কৈ যায়, কজেটে তেতিয়া অবাক হৈ একাণপতীয়াভাৱে শুনি থাকে। মনত ভাবে, তাইৰ বাপেকে কত কথানো জানে! কজেটে ভেলজৰ ওচৰত নেৰা নেপেৰাকৈ বহি থাকিলে কেতিয়াবা কেতিয়াবা ভেলজঁই খঙৰ ভাও ধৰি কয়,—“যা যা, তোৰ কোঠালৈ যা। তইনো মোক আৰু কিমান দিগ দিয়?” টান মাত নুশুনা কজেটে টান মাত শুনি যেতিয়া মুখ-ওলোমাই এখুজি-দুখুজিকৈ আঁতৰ হয়, তেতিয়া ভেলজঁই মিচিকিয়া হাঁহি মাৰি চলচলীয়া চকুৰে কজেটৰ ফালে চাই থব লাগে। এইদৰেই জঁ ভেলজঁই কনভেণ্টৰ পৰা আহি ‘ক দি ব্ৰুমে’ত সুখ-শান্তিত দিন কটাইছিল।

ভেলজঁই কজেটক সৰুতে বহুতবাৰো মাকৰ কথা কৈছিল। কজেট ডাঙৰ হৈ অহাৰ লগে লগে ভেলজঁই সেই কথা তুলিৱা হল। কজেটৰ মনত মৃত-মাকৰ ছাঁ পেলাইদি দুটি প্ৰাণীৰে গঠিত এই সংসাৰখনিত অশৰীৰী এটক টানি আনি সুমুৱাই লবলৈ ভেলজঁ সঙ্কুচিত হৈ পৰিল। তথাপি অনেক সময়ত ফঁটিনৰ কথা ভাবি জীৱন-মৰণৰ এই সূক্ষ্ম-ব্যৱধানৰ ভিতৰত এনে মহান নিস্তব্ধতা দেখি ভেলজঁ অস্থিৰ হৈ পৰিছিল। এই মৃতাৰ ছাঁ ভেলজঁৰ মানত পৰম পবিত্ৰ বস্তু আছিল। কেতিয়াবা কেতিয়াবা ভেলজঁই বিভীষিকা দেখিছিল, কোনোবাই যেন ওঁঠত আঙুলি এটি লগাই ভেলজঁ আৰু কজেটৰ ফালে চাই ৰৈ আছে। কোনে জানে, ভেলজঁই দিঠকেই দেখিছিল নে সপোনেই দেখিছিল। যেই কাৰণতে নহওক, ভেলজঁই হলে তেতিয়াৰে পৰা ফঁটিনৰ কথা কজেটৰ আগত একেবাৰেই তুলিৱা হল।

এদিনা কজেটে কলে, “পিতা, কালি ৰাতি মই আইক সপোনত দেখিছিলোঁ। আইৰ বৰ ডাঙৰ পাখী দুখন আছে। জীয়াই থাকোতে তেওঁ বৰ সাধু আছিল নহয়নে?” ভেলজঁৰ হিয়া হৰ্ষত নাচি উঠিল, প্ৰাণ আনন্দত কঁপি-উঠিল; ভেলজঁই উত্তৰ কৰিলে—“নিশ্চয় নিশ্চয়!” অকল ভেলজঁক লৈয়ে কজেটে মাতৃ-স্নেহৰ অকণো অভাৱ অনুভৱ নকৰাকৈ পূৰ্ণানন্দত থকা দেখি ভেলজঁৰ হিয়া সন্তোষত উতলি পৰিল। বেচেৰা চিৰদুৰ্ভগীয়াৰ আনন্দৰ পাৰ নাইকিয়া হল। ঈশ্বৰক অশেষ ধন্যবাদ দি প্ৰাৰ্থনা কৰিলে, “প্ৰভু! তোমাৰ অপাৰ মহিমা! মইতো এনে অকৃত্ৰিম সুখ-ভোগ কৰিবলৈ যথেষ্ট কষ্ট সহ্য কৰা নাই। মোৰ দৰে এটা পাষণ্ডক, এটি পূত-পবিত্ৰ জীৱই এনেদৰে ভালপোৱা তোমাৰেই অপাৰ কৰুণা। মোৰ জীৱনৰ বাকী দিনকেটা যেন এই সুখতেই নিওৱাঁ।”

কজেট বয়সত বাঢ়ি আহিল। লগে লগে তাইৰ স্ত্ৰীসুলভ ধুন-পেচো লাগি আহিল। তাইৰ কাষত পিতাকৰ হাত সদায় মুকলি; যেতিয়া যিহকে খুজিছিল, তাকে তাই পাবলৈ আছিল। গতিকে কজেট এটি সুসজ্জিতা আটোমটোকাৰি গাভৰু হৈ পৰিল। কিন্তু যিমানেই নহওক কজেটৰ সাজ-পাৰ দেখি মানুহে ততালিকে তাইক মাউৰী ছোৱালী বুলি ধৰি লব পাৰিছিল। কজেট অবিয়ে ছোৱালী হৈয়ো বোৱাৰী ছোৱালীবিলৰে কিংখাপ পিন্ধিছিল। মাক থকা হলে এই সামাজিক সৰু-সুৰা কথাবোৰ তাই ভালকৈ বুজি ললেহেতেন। ‘ক দিব্ৰুমে’ৰ নিজান বাসতেই কজেট এটি দীপ্‌লিপ ছোৱালী হৈ পৰিল। শৰীৰত যৌৱনৰ মলয়া বৈছে, প্ৰতি অঙ্গতে বসন্তৰ জকমকীয়া শোভা বিয়পি পৰিছে; ৰূপত ৰহন চৰাবলৈ ধুনীয়া ধুনীয়া সাজ-কাপোৰ আহিছে—গতিকেই কজেট বিপদজনক হৈ উঠিল। লক্সেমবাৰ্গত ফুৰিবলৈ যাওঁতে সঁচাসঁচিকৈয়ে মেৰিয়াছ বিপদজনক কজেটৰ দৃষ্টিত বিপদগ্ৰস্ত হৈ পৰিল।

ভেলজঁ কেতিয়াও প্ৰণয়-প্ৰাৰ্থী হোৱা নাছিল। গতিকে প্ৰণয় বেদনাৰ বিষয়ে ভেলজঁৰ কোনো অভি-

জন্তাও নাছিল। যেই ভেলজ'ৰ চকুত মেৰিয়াছ-কজেটৰ অপলক দৃষ্টিত উবি কৃষা প্ৰণয়-সমিধান ধৰা পৰিল, ভেলজ'ই তত্তালিকে লক্সেমবাৰ্গলৈ যোৱা বন্ধ কৰি দিছিল। কিন্তু লক্সেমবাৰ্গলৈ যোৱা বন্ধ কৰাত যেতিয়া কজেটৰ উজ্জ্বল মুখখনি বিষাদৰ ডাৱৰে মলিন কৰি পেলাইছিল, তেতিয়া ভেলজ'ৰ মুখতো হাঁহি দেখা নগৈছিল। ভেলজ'ই কজেটৰ মলিন মুখ সহিব নোৱাৰি আকৌ লক্সেমবাৰ্গলৈ যাবলৈ ধৰিছিল। কজেটৰ মুখ আনন্দৰ কোমল লেখনীয়ে ৰঙ বুলাই আকৌ উজ্জ্বল কৰি তুলিছিল। মেৰিয়াছ তেতিয়া বাট-পথ-হেৰুৱা পথিক। লক্সেমবাৰ্গত যেতিয়া দিনো কজেটক নেদেখি মেৰিয়াছে তেতিয়া আনপিনে অনাই-বনাই ঘূৰি ফুৰিছিল। বিফল মনোৰথ হৈ কজেটেও লক্সেমবাৰ্গলৈ যাবৰ মন নকৰা হল। এদিনা বাপেকে লক্সেমবাৰ্গলৈ যাবলৈ লগ ধৰাত কজেটে মাত দিলে, "পিতা! মোৰ তালৈ যাবৰ মন নাই।" কথাষাৰৰ গভীৰতাই ভেলজ'ৰ হিয়া জুৰি দিছিল, তাৰ করুণ-সুৰত ভেলজ'ৰ হিয়া চূৰ্ণ-বিচূৰ্ণ হৈ পৰিছিল। কজেটৰ সুখ-শান্তিয়েই যে ভেলজ'ৰ জীৱনৰ ব্ৰত!

কিছুমান দিনৰ পাছত আকৌ এদিন ভেলজ'ই লক্সেমবাৰ্গত ফুৰিবলৈ বুলি কজেটক লগ ললে। কজেটে বাপেকে বেজাৰ পায় বুলি অনিচ্ছাস্বত্বেও ফুৰিবলৈ গল। ভেলজ' ঘৰৰ বাহিৰ হলেই সদায় মানুহৰ চকুত নপৰিবলৈ সাৱধান হৈ ফুৰে। ফুৰি ফুৰি গৈ দুয়ো এডোখৰ আওহতীয়া ঠাইত বহি পৰিল। এনেতে তেওঁলোকৰ আগেদি গাৰী সাতখন যাব লাগিছে। গাৰী কেইখন কয়দীৰেই ভৰা। কয়দীবিলাক দেখি ভেলজ'ৰ গাৰ নোম শিয়ঁৰি উঠিল। কজেটে এই কয়দীবিলাকক নেদেখাকৈ থকা হলে, ভেলজ'ই বৰ ৰঙ পালেহেঁতেন। ভেলজ' নিজেও এটা পলৰীয়া কয়দী। ভেলজ'ৰ মনত বৰ ভয় লাগিল— জানোচা কজেটৰ মনত কিবাস্বৰূপে কিবা সন্দেহ হয়। কজেটে কয়দীহঁতৰ ভীষণ গঢ়-গতি, হাত-ভৰিৰ শিকলি, গাৰ কাপোৰ-কানি আদি দেখি চক্‌খাই উঠিল। বাপেকৰ কাষ চাপি ভয়ে ভয়ে সুধিলে,—"পিতা! এইবোৰ কি?"

"কয়দী আই!"

"ক'লৈ গৈছে।"

"ফাটেকলৈ।"

ভেলজ'ই লৰালৰিকৈ কজেটক লৈ ঘৰলৈ উলটিল। বাটত কজেটে অনেক কথা সুধিছিল, কিন্তু ভেলজ'ই একো উত্তৰ দিব নোৱাৰিলে। ৰাতি শুবৰ সময়ত কজেটে বিছনাত পৰোতে কোৱা শুনিছিল— "ইস্ সেই মানুহবোৰৰ এনীমান ওচৰ চাপিলেই মই ভয়তে মৰিম।" ভেলজ' অধীৰ হৈ পৰিল। ভেলজ' যে কজেটৰ লগৰীয়াবো লগৰীয়া!

ভেলজ'ই কজেটৰ মনৰ পৰা এই কয়দীহঁতৰ সাঁচ গুচাবলৈ অনেক যত্ন কৰিলে। ৰঙ-তামচা দেখুৱাবলৈ নগৰৰ মাজলৈ পুৱা-গধূলি লৈ যাবলৈ ধৰিলে। কজেটে ৰঙ-ধেমালি ভৰা নগৰৰ মাজত ৰঙ-ধেমালিত ভাগলোৱা জীৱনত এয়ে প্ৰথম। তাই ৰঙ-ধেমালিত উলহ মালহ কৰি যোগ দিলে। ভেলজ'ই স্বস্তিৰ নিশ্বাস পেলাই ভাবিলে,— "যিহক, তাই সিহঁতৰ কথা পাহৰিলে!" কিন্তু ইয়াৰ কেদিনমানৰ পাছতে হঠাৎ এদিন তাই সুধি পেলালে,— "পিতা! ফাটেক কেনেকুৱা?" ভেলজ'ৰ মূৰত সৰগ ভাগি পৰিল।

ভেলজ'ৰ মনৰ আকাশ আকৌ বিষাদৰ ডাৱৰে ছানি পেলালে,— ভেলজ'ৰ শান্তি হৰিল। কজেট লক্সেমবাৰ্গলৈ যাবলৈ মন নকৰা হল। আনফালে যাবৰো ঠাই নাই। এটি মাত্ৰ আমোদ-প্ৰমোদ আবেলিৰ জুৰ বতাহত লক্সেমবাৰ্গত ফুৰি ফুৰি আকাশ-পাতাল, পূব-পছিম একেলগ কৰি কথা পতা। সিও শেষ হল। দুয়োটি জুপুকা লাগিল। ভেলজ'ই ভাবি ওৰ নেপালে— কি কৰি তেওঁ কজেটৰ মনৰ ভাব পৰিবৰ্ত্তন কৰিব পাৰিব, কিহে কজেটৰ মুখলৈ হাঁহিৰ নিজৰা বোৱাব। বাটৰ মগনীয়াহঁতক এটুকুৰা কটি আৰু এডোখৰ কাপোৰ দিয়া ভেলজ'ৰ পুৰণিকলীয়া অভ্যাস। কজেটে বৰ বেছি ৰঙ পাইছিল এই মগনীয়াবহঁতৰ মুখত হাঁহি চাবলৈ। আন ৰঙ-ধেমালি ঠেলিও কজেটে মগনিয়াবহঁতৰ কাষলৈ চাপলি ধৰিছিল। আন ৰঙ-ধেমালিৰ বাটত হেঙাৰ পৰিলত ভেলজ' আৰু কজেটে এতিয়া এই এটা ৰঙ-ধেমালিতেই দিন কটাবলৈ



ধৰিলে। সেয়ে তেওঁবিলাকৰ মুখলৈ অকণ হাঁহি আনে, মনলৈ অকণ শান্তি আনে। নহলে আৰু আছে কি?

কিন্তু কি হব? ভেলজ' আজীৱন বিপদৰ মাজত। বিপদ তেওঁৰ চিৰলগৰীয়া। এই কটি আৰু কাপোৰবিলাই ফুৰোতেই ভেলজ' জনদ্ৰেটৰ জালত পৰিল। এই বিপদৰ কথা কজেটে একো নেজানিলে। তপত লোহাৰে পোৰা হাতখনৰ কিবা এটা অচিন্তা দি আজলী কজেটক ভুৱা দি দৰবৰ অভাৱত এমাহ দিন ভেলজ' বিছনাত পৰি থাকিল। দৰব-পাতি আনিবলৈ ভেলজ' কলৈকো যাব নোৱাৰে; কৰবাত ধৰা পৰিব পাৰে। অতদিন কজেটে বাপেকৰ আপুৰুপীয়া গৰমৰ সলনি দিবলৈ ছেগ পোৱা নাছিল। এতিয়া বাপেক বিছনাত পৰিল, পতিৰ আৱশ্যক আহিল। কজেটৰ বাহিৰে পতি কৰিবলৈ আন কোনো নাই; তাই আনন্দত স্বৰ্গ ঢুকি পালে। ভেলজ'ৰ অসুখৰ দিনাৰে পৰা তাই কাষৰ পৰা নুঠা হল। হাঁহিত পোতোকা-পৰা গালত গালভৰা হাঁহি লৈ তাই বাপেকৰ ঘাডোখৰ ধুৱাই-পখলাই বান্ধি-ছাটি দিব! নিজৰ হাতেৰে খোৱা বস্তু আনি মূৰৰ ওচৰত কত হাবিয়াসেৰে দাঙি ধৰিব! কিতাপ পঢ়ি শুনাব! কন্‌ভেণ্টত শিকি অহা গান গাই গাই বাপেকৰ মূৰত আঙুলি বুলাই দি টোপনি নিয়াব! তাইৰ মনত কি ৰঙ! জনদ্ৰেটৰ হাতত ধৰা-পৰিও ভেলজ' পলাই পত্ৰং দিলে। পুলিছৰ হাতত ধৰা-পৰাৰ কোনো সম্ভৱনা নাই। ভেলজ'ৰ বিষাদ অশান্তি সকলো দূৰ হল। কজেটৰ মনতো ক'তো অকণো মেঘ নাই। ভেলজ'ই মনে মনে ভাবিলে,— "কি সুখৰ বিপদ!"

দিনৰ ওপৰত দিনৰ চাৱনি পৰি, ঘটনাৰ পাছত ঘটনাৰ জাজৰি চাপি, কজেটৰ মন নতুন হৈ উঠিল। মনমোহা প্ৰকৃতি, বসন্তৰ ৰূপহী শোভা, ৰাঙচালী চৰাইৰ ঠেওধৰা গান আৰু সাৰথী বাপেকৰ চেনেহ-মমতাৰ চুম্বকে দিনে দিনে এধান-এধানকৈ তাইৰ ছোৱালী মনৰ অকণমানি হিয়াখনিৰ সকলো বিষাদ-অৱসাদ জাৰি-জোকাৰি পাহৰণিৰ অতল গুহাত পেলাই দিলে। মেৰিয়াছ কৰনাৰ কোনোবা হৈ উঠিল, কয়দীহঁতৰ বিকট চিত্ৰ-পটৰ শেষ ৰেখাও মোচ খালে। এই সময়ত তাইৰ মনটি মাজে মাজে মাথোন কিবা এটা কাৰণ-বিহীন শোকত অৱস হৈ পৰিছিল। নহলে তাত বিষাদ-বেজাৰ একো নাছিল, এই কাৰণ-বিহীন শোকটিও যে ৰহস্যপূৰ্ণ শ্মশানত আশা-অপেক্ষাত পৰি থকা কোনো অলৌকিক ক্ষেত্ৰৰ পৰা অহা নাছিল তাকোনো কোনে কব? সম্ভৱতঃ এনে সময়ত চাঁ-শৰীৰৰ কজেটপ্ৰাণ-ফ'টিনে ছাঁৰ লগত মিলি আহি কজেটৰ ভাবৰ দুৱাৰদলিত অভ্যাগতভাৱে ছাঁৰ অতিথি হৈ ঠিয় দিছিলহি।

এই সময়তেই মেৰিয়াছ নিৰাশাৰ গভীৰ গুহাৰ অতল তললৈ আগুৱান। হঠাৎ সেইদিনা যেনিবা ইপনিনক লগ পাই মেৰিয়াছে আথাউনি পানীত থাউনি পোৱাৰ দৰে হল। কিন্তু কজেটৰ মনত তেতিয়া মেৰিয়াছৰ কথা একেবাৰেই মাৰ যোৱা যেন দেখা গৈছিল, সঠিক হলে একো কব নোৱাৰি। কোনে জানে, সেই জীৱন-জোৱাৰ জাগৰ জুই শুমাযে গৈছিল নে, নাই তাৰ ওপৰত কিছুমান ছাই-মাকতি পৰি হেঁচা মাৰিহে ধৰি থৈছিল। অন্তৰৰ চুকে-কাণেও মেৰিয়াছৰ তিলমানো ভগ্নাৱশেষ পৰি নাছিল নে? কি জানি আছিল; কিন্তু কজেটেহে জানিও জানিবলৈ পোৱা নাছিল।

* * * *

এপ্ৰিল মাহ। ৰাঙলি পুৱাৰ উজ্জ্বল কিৰণৰ তলত ঘৰৰ আগৰ সেউজীয়া চোতালত সেইদিনা কজেটে আপোন মনেৰে ঘূৰি ফুৰিছিল। ৰাঙলি উষাই নিৰোগী কজেটৰ নিপোতল গালত হেঙুল চৰাই দি যেন নিজৰ কাৰুকাৰ্য্যত নিজে ভোল গৈ অবাক্ হৈ চাই আছিল। কিবা এটা ভাবি কজেট বহুতপৰ একাণপতীয়াভাৱে ঘূৰি আছিল। তাইৰ মুখৰ ভাব দেখি বুজা গৈছিল— তাইৰ ভৰা কিবাটো নিশ্চয়েই বৰ সুৱদি আৰু শুৱনী আছিল। এনেতে হঠাৎ জপনাৰ মুখত থকা শিলছটালৈ কজেটৰ চকু গল। কজেট থমকি বৈ পৰিল। শিলছটাৰ ওপৰত এখন চিঠি পৰি আছিল। কজেটে চিঠিখন বুটলি ললে। চিঠিখনত কাৰো নাম-ধাম নাই। চিঠিখন মুকলি। কজেটে চিঠিখন মেলি লিখকৰ নাম চালে— নাম নাই। চিঠিখন কাৰ? তাই ভাবিলে, তাইৰ জপ-

নাৰ মুখত তাইৰ চিঠি নহলে আন কাৰ চিঠি থাকিব। চিঠি কোনে দিলে? তাইৰ মনত কিবা এটা নজনা লোভ আহি সোমাল। লাজে-ভয়ে তাইক অধীৰ কৰি তুলিলে। তাইৰ হাতখন কঁপি উঠিল। চিঠিখন লবিবলৈ ধৰিলে। তাইৰ চিঠিখন পঢ়িবলৈ বৰ হেঁপাহ হল। তাই আকাশৰ ফালে চাই পঠিয়ালে,—আকাশ মুকলি। বাটৰ ফালে চাই পঠিয়ালে,— জন-মানৱ-শূন্য বাট ৰ'দৰ পোহৰত তিৰবিৰাব লাগিছে। ঘৰৰ ফালে চাই পঠিয়ালে,—ঘৰৰ চালত পাৰজাকে জুম-পাতি বহি আছে। তাই চিঠিখন পঢ়িবলৈ ললে। তাইৰ হাত কঁপিল—গা কঁপিল—চিঠি কঁপিল। তাই পঢ়িবলৈ ধৰিলে—

"বিশ্বক এটি প্ৰাণীত পৰিণত কৰা আৰু এটি প্ৰাণীক বিশ্বনিয়ন্তাৰ কাষলৈ বিস্তাৰ কৰি দিয়াই প্ৰেম।

প্ৰেম দেৱদূতৰ তৰালৈ জনোৱা অভিবাদন।

চকুৰ আঁতৰ হলেও প্ৰেমিক-প্ৰেমিকাৰ দান সমিধানত বাধা নপৰে। চৰাইৰ গান, বেলিৰ কিৰণ, বতাহৰ-নিশ্বাস, তৰাৰ জোনাক আদিৰ সৃষ্টিৰ প্ৰত্যেক বস্তুৱেই সিহঁতৰ বাতৰি লৈ যায়। প্ৰেমৰ কাৰণেই যেন সিহঁতৰ সৃষ্টি।

প্ৰেম আত্মাৰ অৰ্দ্ধাঙ্গ। আত্মাৰ দৰে প্ৰেমো অমৰণ, অভগন আৰু অক্ষয়। মানৱ-শৰীৰৰ মাজত প্ৰেম এক অমৰ অসীম অনল-শিক্ষা। প্ৰেম স্বৰগৰ জেউতি, মৰতৰ শক্তি, আৰু জীৱনৰ গূঢ়-লক্ষ্য।

নিৰাশা প্ৰেমৰ অগ্নিপৰীক্ষা। প্ৰেম মহদপি মহৎ আৰু ক্ষুদ্ৰাতিক্ষুদ্ৰ বস্তুৰ সমষ্টি।"

কজেট মন্ত্ৰ-মুগ্ধ হৈ পৰিল। সুন্দৰ হাতৰ আখৰ, সুন্দৰ লেখাৰ ঠগ। এজন মানুহৰে লেখা। চিয়াঁহী কোনো ঠাইত ঘন, কোনো ঠাইত পাতল। গতিকে একেদিনাই লিখা নহয়। কজেটে থিৰ কৰিলে, ই কোনো আকুল-ৰবাগীৰ সুৰ। এটি মনৰ ভাবকে হিয়াভঙা প্ৰত্যেকটো হমুনিয়াৰ তালে তালে শৃঙ্খলাবিহীন উদ্দেশ্যহীনভাৱে কোনোবাই এনেদৰে গাই গৈছে। কাৰ হব পাৰে এই আকুল-প্ৰাণৰ আউলি-বাউলি সুৰ? কজেটে নিচিনিও চিনিলে, নুশুনিও শুনিলে। এইটি সুৰ সেই এক চিৰপৰিচিত কণ্ঠৰ বাহিৰে কাৰো সম্ভৱ নহয়। কজেটে দ্বিতীয়বাৰ প্ৰশ্ন নকৰিলে। বিস্মৃতিয়ে এন্ধাৰ কৰি থোৱা মন নিমিষতে দিন যেন পোহৰ হৈ উঠিল। কালিক-আজি কৰি খঙ-আনন্দত কজেট যেন অৱস হৈ পৰিল। কজেটে মেৰিয়াছক পাহৰিছিল নে কি?— নাই পাহৰা। পাহৰিছিল বুলি ভাবিবলৈ হলে কজেট বলিয়া হৈ যাব। মেৰিয়াছ যে কজেটৰ চিৰআৰাধ্য চিৰপূজ্য অতিথি!

কজেটে ইমান দিন মেৰিয়াছক পাহৰি থকা কথা-যাৰ পাহৰি যাবলৈ ঘৰৰ ভিতৰলৈ ঢাপলি ধৰিলে। তেওঁ নিজে বিচাৰি বিচাৰি আহি এইখিনি পাইছেহি! কি স্নেহ! কজেটৰ বিস্মৃতিয়ে তাইৰ বুকত শেল মাৰিলে। দুৱাৰত দাণ্ড লগাই বিছনাত পৰি তাই চিঠিখন আকৌ পঢ়িবলৈ ধৰিলে। প্ৰত্যেক আখৰকে যেন তাই খাই পেলাব! প্ৰত্যেকটো আখৰে ছবি যেন তাই চকুৰ আগত আঁকি লৈ ফুৰিব! সেই সুবদি কথা, সেই শুৱনী ছবিৰ মাজতে যেন তাই টোপনিত পৰিব! তাৰে সপোন দেখি যেন তাইৰ টোপনি আহিব! তাই উটি-ভাহি গল—আনন্দই তাইৰ চাৰিওফালে দুকুল ডাকিবলৈ ধৰিলে।

গধূলি চাপি আহিল। ভেলজ আগবদৰেই বাহিৰলৈ গল। কজেট চোতালত ঘূৰি ফুৰিছে। তাইৰ উলহ-মালহ, সাজ-পাৰ আজি একেবাৰে নতুন। যেন তাই কৰবালৈ যাবলৈ নাইবা কোনোবা অতিথিক আগ-বঢ়াই আনিবলৈহে সাজিছে-পাৰিছে! কিন্তু তাইতো কলৈকো নাযায়! কোনো অতিথি অহাৰোতো সম্ভাৱনা নাই, তথাপি তাই সাজিলে-পাৰিলে। তাই নিজেই নেজানিলে, কিয় তাইৰ আজি ইমান উলহ-মালহ। তাই এখুজি-দুখুজিকৈ গৈ জপনাৰ মুখত থকা শিলছটাৰ কাষ চাপিলে। কাষতে বহি আলফুলকৈ সৰু হাতখনি নি শিলটোৰ ওপৰত থলে। যেন তাইৰ প্ৰণয়-বাতৰিবাহী শিলটোক ধন্যবাদহে দিব খুজিছে। তাইৰ এনেতে মনত হল যেন কোনোবা এটি আহি তাইৰ পাছতে ঠিয় হৈ আছে। চকুৰে নো-দেখোতেই মনেৰে দেখা প্ৰায় মানুহৰে এটা নহয় এটা অভিজ্ঞতা আছে। কজেটে তাইৰ পিছত কোনোবা এটা ঠিয় হৈ থকা ক্ৰমশঃ স্পষ্টভাৱে অনুভৱ কৰিবলৈ ধৰিলে। তাই চকু আৰু মনৰ বিবাদ গুচাবলৈ



উঠি উভটি পৰিল। উভটি চায়ে তাই যি দেখিলে সি তাইৰ কল্পনাৰো অতীত। মেৰিয়াছ নিৰ্ব্বাক-নিস্পন্দভাৱে ঠিয় হৈ আছে। তাৰ অপলক দৃষ্টি কজেটৰ ওপৰত।

মেৰিয়াছৰ মুখখন তেতিয়া সন্ধিয়া-মেঘৰ দৰে বঙা হৈ উঠিল। অন্তৰ নিৰ্ব্বাপিত জীৱনৰ অন্তিম বাসনাত থৌকিবাথৌ লাগিছিল। কজেট মেৰিয়াছক দেখিয়ে মূৰ্চ্ছাপ্ৰায় হল। থৰকবৰককৈ গৈ কাষৰ গছ এজোপাত আওজনি ললে। তাই মেৰিয়াছৰ চকুলৈ চাব নোৱাৰিলে। মেৰিয়াছৰ আবেগ-ভৰা দৃষ্টি তাইৰ সহ্য নহল। তাইৰ চকু মেৰিয়াছৰ চকুৰ পৰা নামি আহিল। তাই তেতিয়া দৃষ্টিহীনা, গতিকে শক্তিশূন্যা। তাইৰ কাণ দুখনীয়ে মাথোন শুনি গল, তাকো বতাহত জিৰজিৰকৈ গছৰ পাত লৰাৰ শব্দৰ দৰে অতি অস্পষ্টভাৱে—

"মোক ক্ষমা কৰিবা। আৰু নোৱাৰিলো। শিলছটাৰ ওপৰত থৈ যোৱা কাগজখন পঢ়িছালেনে? মোক চিনি পাইছা? মোক দেখি ভয় কৰিছানে কি? মোক লাক্সেম-বাগত দেখা মনত পৰে নে? আজি এবছৰৰ আগৰ কথা। দুদিন মোক তুমি তাত দেখিছিলা— জুনৰ ১৬ তাৰিখে আৰু জুলাইৰ দুই তাৰিখে। সেই তেতিয়া আৰু এতিয়া!—আজি কিমান দিন অনাই-বনাই ফুৰিছো। খঙ নকৰিবা। মই তোমাক চাই যাবলৈ আহিলো। আৰু কি জানি দেখিবলৈ নেপাওঁৱেই। মোৰ বিশ্বাস, মোৰ সময় চাপি আহিছে। যদি তুমি জানিলাহেতেন—তুমি মোৰ কি? নহয়—মোক ক্ষমা কৰা! বেয়া পাইছা?" কজেটৰ হাত হঠাৎ গছৰ পৰা এৰাই আহিল। তাইৰ মূৰ ঘূৰিবলৈ ধৰিলে। "উস্" বুলি কৈ তাই ঢলি গল। মাটিত নো-পৰোতেই মেৰিয়াছে থাপ মাৰি ধৰিলে। নজনাভাৱে আলফুলকৈ বুকলৈ চপাই আনিলে।— মেৰিয়াছে নেজানিলে, তেওঁ কি কৰিছে। তেওঁৰ গা কঁপিবলৈ ধৰিলে। চকুৰ আগত দেখিলে—চাৰিওপিনে ধোঁৱা। এইখিনিতে মেৰিয়াছৰ ভাবৰ অন্ত পৰি আহিল। চিন্তা-শক্তি অদৃশ্য হৈ পৰিল। কজেটক বুকত সাবটি লৈ সি মাথোন অনুভৱ কৰিলে এক বিৰাট গৌৰৱ, আৰু এক ভীষণ গ্লানি। নিজৰ কজেটক নিজে বুকত সাবটি ধৰিছে—হেৰোৱা মানিক বিচাৰি পাইছে—তাতকৈ আৰু কিহত অধিক গৌৰৱ হব পাৰে! মেৰিয়াছৰ মনত ভয় হল—জানোচা তাৰ অপবিত্ৰ দেহৰ স্পৰ্শ লাগি পবিত্ৰ দেহাটি কলুষিত হল! তাৰ বাহিৰে মেৰিয়াছৰ মন তেতিয়া একেবাৰেই ভাবশূন্য।

কজেটে তাইৰ ক্ষীণ হাতেৰে মেৰিয়াছৰ হাতখন ধৰি তাইৰ বুকত লগাই দিলে। মেৰিয়াছে গম পালে, তাত কাগজ এখন সুমুৱাই থোৱা আছে। মেৰিয়াছে মাত লগালে—"তেনেহলে তুমি মোক ভালপোৱা।"

কজেটে উত্তৰ দিলে তাইৰ লাজত ৰাঙলী হোৱা মুখখনি উল্লাসিত মেৰিয়াছৰ বুকত সুমুৱাই দি। ইয়াতকৈ আৰু কি উত্তৰ লাগিছে! দুখীয়া মানৱ-ভাষাই এনে স্বৰ্গীয় ভাব প্ৰকাশ কৰিবলৈ শব্দৰ যোগান ধৰিব নোৱাৰে।

ওপৰৰ নীলা আকাশত তৰাবিলাকে তেতিয়া জিকিমিকি কৰি উঠিছিল। চকা-চন্দা পোহৰত দেখা গল—চাৰিটি ওঁঠ একে ঠাইতে। কেনেকৈ? তাৰ উত্তৰ নাই। যেনেকৈ কাৰো আদেশ-প্ৰত্যাদেশলৈ অপেক্ষা নকৰি চৰায়ে আপোন-মনেৰে গীত গাই যায়, কাৰো হাত নপৰাকৈ আপোনা-আপুনি সময় বুজি বৰফ গলি পানী হৈ যায়, গোলাপৰ কলিটি ফুলি ফুল হৈ উঠে, ঠিক তেনেকৈয়ে ওঁঠ চাৰিটিও লগ লাগিল। সিও ক্ষন্তেকলৈ—এটি বাৰ-মাত্ৰ! আৰু নাই। তাতে দুখনি হিয়াৰ শ্বাস-নিশ্বাস এটি গতিত বলৈ ধৰিলে—স্পন্দনৰ গতি এটি হৈ পৰিল। এটি মাত্ৰ পৰশ—সেয়ে দুয়োৰে শৰীৰত বিজুলী-সোঁত বোৱাই দিলে। দুয়ো-দুয়োৰ ফালে নিস্ফুট ভাষাৰ নিফুট ৰাগিণীৰে হিয়াৰ শত বেদনা জনাই অবাক হৈ চাই থাকিল। চকু দুযুৰি এন্ধাৰত তিৰবিৰাবলৈ ধৰিলে।

ৰাতিৰ ফিৰফিৰীয়া চেঁচা বতাহ, তলত নিয়ৰত তিতি থকা ঘাঁহনি। কিন্তু সিহঁতৰ গম নাই। ভাৱত উপচি থকা হিয়াৰে দুয়ো দুয়োৰ পিনে চাই ৰৈ আছে। কোনেও একো কব পৰা নাই। মাজে মাজে কজেটে কিবা এষাৰি-দুষাৰি কবলৈ চেষ্টা কৰিছিল, কিন্তু সি স্পষ্ট হৈ নুঠিল। ফুলপাহিৰ ওপৰত লৰিথকা নিয়ৰৰ টোপালটিৰ দৰে তাইৰ জীৱটি তেতিয়া তাইৰ কোমল ওঁঠ দুটিৰ ওপৰত লৰিবলৈ ধৰিছিল।

বহুত পৰৰ পাছত এষাৰি-দুষাৰিকৈ দুয়োটিৰে মুখলৈ মাত আহিল। নিৰৱতাই বাক্য-বাহুল্যতাক আসন এৰি দি অসম্পূৰ্ণ মিলন সম্পূৰ্ণ কৰিলে। ইটিয়ে সিটিক যেন হিয়া-খনি ঢালিহে দিছিল! ফলত এঘণ্টাৰ শেষত প্ৰাণৰ বিনিময়ে প্ৰাণ লৈ দুয়োটি দুফালে যাবলৈ ওলাল। কজেটে মেৰিয়াছৰ কান্ধত তাইৰ মূৰটি থৈ মাত লগালে—

"তোমাৰ নাম ?"

"মেৰিয়াছ। তোমাৰ ?"

"কজেট।"

আকৌ ওঁঠচাবিটিয়ে জিৰণি ললে। আকুল আবেগত মেৰিয়াছে কজেটক সাবটি ধৰিলে। কজেটেও লতা-ডালিৰ দৰে মেৰিয়াছক মেৰাই ধৰিলে।

( আগলৈ )

শ্ৰীথানেশ্বৰ হাজৰিকা

---

# চোৰধৰা আৰু পিপড়া গুচুৱা নাটক

মহাপুৰুষ শ্ৰীমাধৱদেৱৰ ৰচিত এই এধানমানি পুৰণি নাট দুখনি শ্ৰীযুক্ত বাণীকান্ত কাকতী এম, এ, দেৱৰ সম্পাদিত হৈ ওলাইছে, আৰু সম্প্ৰতি কলিকতা বিশ্ববিদ্যালয়ৰ বি,এ, মহলাৰ পাঠ্যপুথি স্বৰূপে মনোনিত হৈছে।

দুইখনি নাটক ভগৱান শ্ৰীকৃষ্ণৰ শিশুলীলাকে আশ্ৰয় কৰি লিখা, আৰু বিষয় দুইটাৰো মূলত একে কথাই —শিশু কৃষ্ণই গোৱালিনীৰ ঘৰত লৰণু চুৰকৈ খোৱা। প্ৰথমখনি নাটকত বাদী কৃষ্ণই বাদদিওঁতাৰ মুখতে ঘূৰাই সেই বাদৰ লৰণু সানি দি ৰণ বাধাজিকা হওঁতেই ইপিনে পুত্ৰপৰায়ণ যশোদাই কৃষ্ণক বিচাৰি বিচাৰি গৈ তাতে থকা বাতৰি পাই তাৰ পৰা গোৱালিনীসকলক ভৎসনা কৰি ধূলা জাৰি কৃষ্ণক বুকুত বান্ধি লৈ ঘৰলৈ আহোতেই শিশু কৃষ্ণৰ সম্পূৰ্ণ জয়জয়কাৰৰ মাজত নাটকৰ সামৰণি পৰিছে। পিছৰখন নাটকত গোপীসকলৰ সাধাৰণ বাদীৰ ওপৰত যশোদাই পুনৰ দোষাৰোপ কৰাত মাকৰ গুৰিত শিশুকৃষ্ণৰ অভিমানত নাটৰ সমাপতি হৈছে।

সম্পাদকে কৈছে, নাটক দুখনিত যি দুটি বিষয়ৰ বিবৰণ দিয়া হৈছে, ঠিক তেনে বিষয়ৰ উল্লেখ ভাগৱত বা হৰিবংশত নাই; পুৰাণ আদিত বৰ্ণনা কৰা শিশু কৃষ্ণৰ চতুৰতাৰ দুই এটা কথা টিপতে ধৰি মহাপুৰুষ মাধৱদেৱে এই নাট দুখনি লিখিছে। সাহিত্য-সম্ৰাট বঙ্কিমচন্দ্ৰয়ো কয়, শিশুকৃষ্ণই লৰণু চুৰ কৰি খোৱা কথাটো বিষ্ণু পুৰাণ মহাভাৰত কতো নাই; কথা-প্ৰসঙ্গত মাথোন হৰিবংশত এই কথাৰ উল্লেখমাত্ৰ আছে, আৰু ভাগৱততে ইয়াৰ ৰূপত ৰহন চৰিছে। এও কয়, কৃষ্ণই নিজৰ কাৰণে সাধাৰণতে এই লৰণু চুৰ নকৰিছিল, কিয়নো তেওঁৰ নিজৰ ঘৰতে দধি, দুগ্ধ, লৰণু খায় কোনে ? কিন্তু সকলো প্ৰাণীতে সমদৰ্শী কৃষ্ণই সেইবোৰ আনি লগৰ সমনীয়া আৰু বান্দৰবোৰক খুৱাইছিল, খুৱাই অশেষ তৃপ্তি লভিছিল, আৰু তাকে কৰিবলৈ নেপালে মাটিত বাগৰি বাগৰি কান্দিছিল। ইয়াত কোনেও দোষ ধৰিব নোৱাৰে; কিয়নো, প্ৰথমতে, কৃষ্ণ যদি ঈশ্বৰ অৱতাৰ বুলি ধৰা যায় তেন্তে গোটেই জগতখনেই তাৰ, তাৰ আৰু কি চুৰকৰা হব পাৰে ? আৰু, শ্ৰীকৃষ্ণক যদি মানৱ-শিশু বুলি ধৰা যায়, তেন্তে তেতিয়াও শিশু বুলি সেই পাপে তেওঁক নোছোৱে,—সকলো প্ৰাণীৰ কাৰণে সহৃদয়তাৰ কথা জানিবা পাছ পেলায়ে পোৱা হল।

দুইখনি নাটকতে বৰ ভাৰবীয়া শিশু কৃষ্ণৰ কাৰণে ভক্ত কবিৰ স্নেহমিহলি পবিত্ৰ ভক্তিৰ এটি উমি উমি তাপৰ ভালকৈয়ে উমান পোৱা যায়। শ্ৰীশঙ্কৰদেৱৰ অনুপম শিশুলীলা বৰ্ণনাৰ বাহিৰেও, মাধৱদেৱৰ ৰচিত নানান গীত, কবিতা, আৰু নাটত, আৰু শ্ৰীধৰ কন্দলিৰ "কাণখোৱা" পুথিত থকা শিশুকৃষ্ণ বিষয়ক উপাদেয়



ৰচনাৰ কথা সম্পাদকে উল্লেখ কৰিছে। আৰু কৈছে যে দাস্যভক্তিৰ গৰিমা কীৰ্ত্তন কৰাত বাজে অসমীয়া বৈষ্ণৱ কবিসকলৰ, ঘাইকৈ মাধৱদেৱৰ, বাৎসল্যৰসেই অন্তৰৰ অতি আদৰৰ বস্তু আছিল।

বৰ্ত্তমান দুয়োখন নাটক একোটি সুন্দৰ সংস্কৃত শ্লোকেৰে মুকলি কৰি, সুৱলা ব্ৰজবুলি মাতেৰে সূত্ৰধাৰ আৰু ভাৱৰীয়াসকলৰ বচন আৰম্ভ হৈছে।

## চোৰধৰা নাট

নাটকৰ সেই কালৰ চলিত প্ৰথামতে পোনতে সূত্ৰধাৰ আহি নাটৰ সোণালী সূত্ৰডালি উলিয়াই দিলেহি:—

"আহে সামাজিক লোক! যে চৰাচৰ গুৰু নাৰায়ণ গোপীজন মধ্যে চোৰ চাতুৰী নানা ৰঙ্গ খেলন কয়ে কহো গোপীসৱক মনোৰথ পুৰিয়ে যৈছন ক্ৰীড়া কয়ল, তা দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।"

আকৌ,—"হে সামাজিক লোক! এক দিবসে গোপীক শূন্য গৃহে দেখিয়ে শ্ৰীকৃষ্ণ লৱনু চোৰ কৰিতে পৈশল। তখি গোপী বাহু মেলি যাৰ বক্ষ কয়ে কহো। পৰাক গোপী সব সহিতে শ্ৰীকৃষ্ণক যৈছে চোৰ ধৰল, তাহেক দেখহ শুনহ, নিৰন্তৰ হৰি বোল হৰি বোল।"

ইয়াৰ পিছৰ পৰাই নাটকৰ ঘাই অংশ আৰম্ভ। ঘৰত চোৰ সোমাল, গিৰিহঁতনীয়ে চোৰক দুৱাৰ জপাই ধৰি আনন্দেৰে সমনীয়াহঁতলৈ মাত দিলে—সখীহঁত, গভাইত চোৰ ধৰা পৰিছে; আজি এৰণ নাই, তোমালোক বেগেতাই আহাঁ, "হামাকু মাৰিয়ে চোৰ পলাৱব।"

চোৰো গুদাই-এৰা বিধৰ ভকত নহয়; গোপীসকলক অহা দেখি কৃষ্ণয়ো নিজৰ সৈন্য-সামান্তৰ খোঁ-যা কৰিবলৈ বুলি মাত দিলে—'আহে সখি সব! শ্ৰীদাম, সুদাম, বিশাল, ঋষভ, স্তোককৃষ্ণ, সুবেল, অৰ্জ্জুন, তুহুঁ সব সত্বৰে আব। হামাক একেশ্বৰ দেখিয়ে চোৰ বোলিয়ে বহুত ঝুণ্টা ঝগৰা কৰইছে।"

উভয় পক্ষৰ সৈন্য গোটখালত মহা হুলস্থুল হল; কোন বাদী কোন বাদদিওঁতা তাৰ চিন নোহোৱা হৈ পৰিল। এতিয়া কৃষ্ণক পায় কোনে? মাত দিলে—

"আহে চাণ্ডী গোৱাৰী সব! হামাক কলঙ্ক দিয়ে তোহো সব কি এখাইতে চাব। তোবাসৱক আজু মাৰক আণ্ড মিয়া ভেটব। হামাক বাত বুঝব।" "আপনহি সৱে দধি দুগ্ধ খাই হামাক কলঙ্ক দেসি। তোৱা সবক হামু ছাড়ৱো নাহি।"

গোপীসকলে দেখিলে গতি বিষম! তেওঁলোকে এতিয়াহে বুজিলে তেওঁলোকে কি কদো-বৰলৰ বাহ জোকাই লৈছে। অগত্যা বাদদিওঁতাসকলে কথাৰ ডোল ঢিলাই দিবলৈ বাধ্য হল।—"আহে কানাই! তোহাক হামু চোৰ নাহি বুলিয়ে। তোহো আপন গৃহে যাব। তোহাক হামো সবে ছাৰলো।"

কিন্তু এতিয়া যে স্বৰে এৰিলেও কপটীয়ে নেৰা হল তাক হৰলা তেওঁলোকে গম পোৱাই নাই! তথাপি অগত্যা সমিলমিল হব লাগিলে এইদৰে হওক—"আহে চাণ্ডী গোৱাৰী সব! তোহো যব ছোড়ব, হামো তোহাক নাহি ছোড়ি। তব ছোড়ি যব হামাক কিছু লৱনু দেহ।"

পিছত শ্ৰীকৃষ্ণই নৃত্য গীত কৰি। আৰু গোপীসকলে তাৰ মাজে মাজে লৰণুৰ যোগান ধৰিব, এই মীমাংসাত বিচাৰৰ সিদ্ধান্ত শেষ হয়।

প্ৰায় এনে ধৰণৰ এটি দেমেলীয়া কাবাকথা কবিবৰ ৰামসৰস্বতীৰ "ভীম চৰিত" পুথিত পোৱা যায়। কাৰ্ত্তিক-গণেশক লগত লৈ ভীম মহেশ্বৰ গৰু চৰাবলৈ যায়; তেওঁলোকে হাবিৰ ফলমূল বিচাৰি পিট্‌পিটাই ফুৰোঁতে ইপিনে গৰু গৈ লোকৰ শস্যৰ মাজ সোমায়গৈ। এদিন এনে অৱস্থাত ভীমে গৰুটো মৰিয়াই আধামৰা কৰা দেখি যেতিয়া দুই ককাই-ভায়ে ঘৰত লগাই দিম বুলিলে, ভীমে সিহঁত দুইৰো ওপৰত গৰুমৰা বাদ দি নিজৰ সপক্ষে বিশ্বামিত্ৰক সাক্ষী বিচাৰিলে; ঋষিয়ে সপক্ষে সহানুভূতি দেখুৱাব নোখোজা যেন দেখি টপৰাই ঋষিৰ গাতে বাদটো পেলাই দিম বুলি ভীমে ভয় দেখুৱাত ঋষি পলাই পত্ৰং দিবলৈ বাধ্য হৈছিল।

কিন্তু ইমানতে নাট্যকাৰে নাটখন শেষ কৰা নাই; কিয়নো পুত্ৰস্নেহপৰায়ণা যশোদাক আনি সেই ঠাইত নেদেখুৱালে বাৎসল্যৰসপ্ৰিয় ভক্ত কবিৰ যে ভালেই নেলাগে,—নাটকৰ চৰম উন্নতিলৈ অহাটোতো পাছৰ কথাহে! এইখিনি সময়তে দামুৰি হেৰৱাই বিয়াকুল হোৱা গাইৰ দৰে যশোদাই কৃষ্ণক বিচাৰি বিচাৰি যমুনাৰ পাৰে

পাবে আহি উপস্থিত ; বাটৰ বাটকৰাক সুধিছে,—হেৰা বাটকৰা, মোৰ লৰা কলৈ গৈছে কৰবাত দেখিলা যদি বেগেতাই কোৱা। ইয়াৰ উত্তৰত বাটকৰাই কৃষ্ণৰ বৰ্ণনা সুধিলে। কৃষ্ণৰ আকৌ ৰূপবৰ্ণনা ! যশোদাই কৈ উঠিল—

"আহে পথিক ! হামাৰি বালক ঐছন ৰূপ, ভণ্টা খেড়ি খেলাইতে শ্ৰমজলে বদনপঙ্কজে শোভা কৰইছে। কুবলয় দল জিনিয়ে শ্যাম শৰীৰ প্ৰকাশ কৰইছে। দেখিতে পৰম আনন্দ মিলত।"

ইয়াতকৈ আৰু কৃষ্ণৰ কি ভাল পৰিচয় হব পাৰে ! কিন্তু যশোদাৰ পুত্ৰস্নেহৰ গভীৰতা জানো কিবা ইমানকে দেখুৱাই এৰিছে ? বাটকৰাৰ পৰা সন্তোষজনক উত্তৰ নেপাই যশোদা মূৰ্চ্ছিত হৈ মাটিত লেটি লৈ পৰি গল। এনেতে জানিবা এজনী গোপী আহি যশোদাক এইদৰে পৰি কন্দাৰ কাৰণ সুধিলে। কিন্তু এই কন্দাৰ কাৰণো কবলৈ কিবা এলা-পেচা কথা জানো ?—

"হে মাই গোৱালি ! তোহো হামু অভাগিনীত কি পুছহ ? হামু অনেক পুণ্য কৰিয়ে দেৱতাক বৰে কৃষ্ণক পুত্ৰ পাৱলো। সে প্ৰাণপুত্ৰ কৃষ্ণ খেৰি খেলাইতে বিহানে বজাৱল বিয়াল ভৈ গেল এখনো নাহি আৱলো। সে প্ৰাণপুত্ৰক বিচাৰি নপাই হামাৰি প্ৰাণ কৈছে ৰহব।"

ইয়াৰ পিছত অয়ত্নে সেই গোপীয়ে যশোদাক কৃষ্ণৰ শুভবাতৰি দি কৃষ্ণ নৃত্য-গীত কৰি থকা ঠাইলৈ তেওঁক লৈ গল, আৰু কৃষ্ণৰ এই চোৰ-চাতুৰীৰ কামবোৰৰ পৰা গোপী-সকলে কেনে বিমল আনন্দ পায় তাকো বৰ্ণাই সকলো কথা কলে।

দোলা দেখি দকৰা আকৌ খোৱা হল,—"কৃষ্ণক কোলে কয়ে, গলে বান্ধি বদন চুম্বন কয়ে পৰম আনন্দ পাৱল। শ্ৰীকৃষ্ণ মাৰক স্তনপান কয়ে, মাৰক বদন নিৰেখি কান্দি কান্দি গোপীক সব বৃত্তান্ত শুনাৱল।"

এইখিনিতে কাব্যৰ বিজয়মণ্ডিত চূড়াত আৰু চতুৰ শিশুকৃষ্ণৰ সম্পূৰ্ণ জয়জয়কাৰৰ মাজত নাটকৰ সমাপতি, যেতিয়া যশোদাই কলে—"আহে চাণ্ডী গোৱালী সব ! দাসীক দাসী ! তোহো সব হামাৰ ওহি বালক শ্ৰীকৃষ্ণক চোৰ বুলিয়ে কলঙ্ক কৰছি ! ছিঃ ! তোৱা সবক মুখে ছাৰ পড়োক। হে বাপু কৃষ্ণ ! ওহি বান্দীসবক ঠাৱে আৱৰ নাহি আৱব। হামাৰ ঘৰে দধি দুগ্ধ লৱনু কে পুছত ? যত খাইতে পাৰ তত হামু দেৱব। তোহাৰি পাৱৰ বালাই লওঁ। আহে বাপু ! তোহো হামাৰ কোটি পুৰুষক দেৱকো দেৱতা, মাথাক মুকুট, গলাক সাতসৰি, বুকৰ শীতল চন্দন।"

## পিপড়া গুচুৱা নাট

এই নাটখনিৰ কেৱল আৰম্ভনটিয়েই অতি বিতোপন ! ইয়াত নাটক মুকলি কৰিবলৈ পোনতে সূত্ৰধাৰ নাই, পোনতে গোপী-কৃষ্ণয়ে আৰম্ভ কৰি দিলে—

"আহে হামাৰ মন্দিৰে তোহো কে ?"

"অঃ ! হামাক নাহি চিনহ ! হামো বলভদ্ৰক কনিষ্ঠ ভাই !"

"আহে ! তোহো বলাইক কনিষ্ঠ ! আঃ জানলোঁ, জানলোঁ। কি নিমিত্তে এথা আৱলি থিক।"

"আহে ! পন্থ বিস্মৰণ হুয়ে হামাৰ মন্দিৰ বুলি আৱলোঁ।"

"হে কৃষ্ণ ! তোহো ঘৰ নাহি জানিয়ে আৱলি, ইহাত কোন দোষ নাহি। হামাৰ লৱনু কলসী ভিতৰে কৈছ হস্ত নিবেশিয়ে থিক !"

"আঃ ! হামাক পৰম দোষ পাৱলি। ওহি পিপীলিকা সব লৱনু নাশ কয়ল। ইহাক দূৰ কৰিতে হাত দিয়া আছি।"

"হে কানাই ! তোহো হামাক ভাল উপকাৰ কয়লি। আঃ ! ওহি নিদ্ৰাক বালক কিসক জগাৱলি।"

"হে গোৱালী ! ওহি বালক সমে ধেনু ৰাখলোঁ, হামাৰ এক বাচৰু নাহি পাৱত। তাহেক পুছিতে ওহি বালক জগাৱলোঁ।"

"আহে কানাই ! তোহো বড়ি নাগৰ, হামাৰ সব লৱনু খাই অৱ ঝুঠা বাত কহইছ। যব তোহো লৱনু নাহি খাৱল, তব বচন বোলিতে তোহাৰি বদন হন্তে কৈছে লৱনুক গন্ধ বাজ হোই।"

"আহে গোৱালী ! তোহো বড়ি দাৰুণ হৃদয়, আপোন জিহ্বা ৰাখিতে নপাৰি আপোন গৃহে লৱনু পাৱলি। অৱ ভাতাৰক ভয়ে হামাক অপযশ দেৱস। হামাৰ ঘৰে লৱনু কে পুছত, খাইবাক নপাই তোহাৰি ঘৰে চুৰ কয়ে লৱনু পাৱলোঁ।"

"আহে কানাই ! তোহাক হামু উত্তৰ নাহি পাৱলোঁ। আজু তোহাৰি মাৰক আগু সব কথা কহিয়ে হামো তোহাক যে জানো তা কৰব।"

এয়ে নাটখনিৰ চমুকৈ প্ৰথম আৰু প্ৰধান স্তৰ। ইয়াৰ পিছতে বাগী যশোদাৰ শোধঘৰত বাদী শ্ৰীকৃষ্ণৰ ওপৰত কোৱা সকলো বাদৰ গোচৰীয়াসকলৰ কথা শুনা হয়, কিন্তু প্ৰায় বিনাবিচাৰে এইবাৰ বাদীৰ বিৰুদ্ধে ৰাণীয়ে



আদেশ বিধান কৰে "হে পুত্তা ! তোহাৰি বাপ নন্দ সব গোৱালক ৰাজা, হামো তাহাক পত্নী। হামাক উদৰে জনমি তোহো ঐছন দুৰ্জ্জন ভেলি। হামাক গৃহে দধি নাই, দুগ্ধ নাই, লৱনু নাই, সন্দেশ নাই। কোন বস্তু নাহি থিক, তোহাক হামো কি খাইতে নাহি দেওঁ। তোহো কি ভোজন কৰত। কাঙ্গালেক ছৱাল যৈছন তদ্বৎ তোহো বেড়াৱ। আজু তোহাক হামু শিখাৱব। গোৱাল পাড়াক যৈছন নাহি যাৱ।"

সঁচাকৈয়ে মাতৃ-যশোদাৰ বিচাৰকস্বৰূপে শিশুকৃষ্ণৰ বিৰুদ্ধে ই মহা অবিচাৰ, আৰু "বড়ি দাৰুণ হৃদয় !" এই অন্যায়ৰ তীব্ৰ প্ৰতিবাদৰূপ দুৰ্ভাগ্য বাদী কেৱল মাথোন অভিমান কৰি থাকিল,—"আহে মাই ! তুহো হামাক বিস্তৰ নাহি বোলব, হামো তোহাক ভৰ্ৎসনি সহব নাহি। কোন ছাড় পুৰাতন কলস খানি ভাঙ্গলো। কড়া দুইৰ ধন হানি কয়লোঁ, তাহেক গাৱে নাহি সহল। আৱৰ কি সহবি। তোহাৰি ভাব দেখি সবলোকে জানল, তোহো যৈছন বড় মানুষক ঝী। অঃ হে মাই ! তোহো জনম আঠুকুড়ি ৰহয়ে থিক। হামো পুত্ৰ হুয়া সে দুঃখ দূৰ কয়লোঁ। অৱ হামাক আগু চাতুৰী লগাৱস। আঃ কি নিদাৰুণ হৃদয় ! আপোন পুত্ৰক দায়া নাহি জানত। জগত ঢাকিয়ে লৱনু চোৰ নাম দেলহ। আৰ হামাক কৰিতে কি ৰহল। অৱ অপমান সহিবাক নপাৰি মধুপুৰী পলাৱব। তোহাৰি ভাবনা চুৰ কৰব। হামাক নপাইয়া পাছে কান্দি মৰব।"

সঁচাকৈয়ে, যশোদা ! "আঃ কি নিদাৰুণ হৃদয় ! আপোন পুত্ৰক দায়া নাহি জানত !" কিন্তু যশোদাতকৈও আমাৰ নাট্যকাৰ কি নিদাৰুণ, কৃষ্ণৰ এই অভিমানৰ পাতনিৰ মাজত নাটকৰ সামৰণি পেলালে ! শিশুকৃষ্ণ চিৰকাল মাতৃৰ ওপৰত অভিমান কৰি ৰল, যশোদাই সেই অভিমানভঞ্জন কৰাই লৰাক আকৌ এবাৰ ধূলি জাৰি কোলাত লৈ মুখত গাখীৰ দিয়া চাবলৈ পাম পাম বুলি কিমান হেঁপাহেৰে বাটচাই ৰলো, কিন্তু আৰু তেনে হোৱা দেখিবলৈ নেপালো ! ভক্ত নাট্যকাৰে যদি নাটৰ কাৰণে কিৰ্পিণালি কৰি এই পিছৰ অংশ বাদ দিলে, তেন্তে এনে উৎকট কিৰ্পিণালি কেৱলীয়া মহাপুৰুষ শ্ৰীমাধৱদেৱৰ এই ঠাইৰ বাহিৰেতো সাধাৰণতে আৰু বৈষ্ণৱ সাহিত্যত কতো দেখিবলৈ পোৱা নেযায় ! নাট্য-কাৰে যদিও দুবাৰকৈ নাটৰ গীতত এই দুটি কথাৰ টিপনি দিছে,—

"কহয় মাধৱ মাই গালি পাড়া কাৰে।
ওহিতো নিয়ন্তা হৰি আতমা সবাৰে॥"

আৰু,—"কহয় মাধৱ, প্ৰভু আৰু কিছু নুবুজিয়ো
তোমাৰ জননী দুঃখ পাবে॥"

তথাপি এই দীণ-বৰাগী নাট্যকাৰৰ এই ভৈৰবী গীত পুত্ৰস্নেহপৰায়ণা যশোদা দেৱীৰ কাৰণে বৰ নিৰ্ম্মম হৈয়ে আমাৰ বুকুত বাজি ৰল ; কাব্য বা নাট্যৰ ন্যায়ো যে ইয়াতে যথাযোগ্য কৰা হৈছে, তেনে আমাৰ মনে নধৰিলে। যদিও অনেক ঠাইত সংসাৰত্যাগী মাধৱদেৱে সংসাৰৰ মায়া-মমতা গঢ়-গতি বৰ সুন্দৰকৈ বুজা যেন দেখুৱাইছে, তথাপি যশোদাৰ হৃদয়ৰ এই বিশেষ কথাষাৰ তেওঁ প্ৰকৃততে হৃদয়ঙ্গম কৰিব পাৰিছিল বুলি মনে মানিব নোখোজে কিয় ? বাৰু, শ্ৰীকৃষ্ণই যেতিয়া মাকৰ ওচৰত এই বুলি মুখওন্দোলাই এপাচিমান কৰিছিল, তেতিয়া যশোদাই সেই বেজাৰৰ ভাৰ তিনি ত্ৰৈলোক্যৰ মাজত ক'ত থৈছিল ?—তেওঁৰ চনকা বুকু তেতিয়া ৰাক ফাটি চুচিৰা নহৈছিল নে ?

## কাণখোৱা

কবিবৰ শ্ৰীধৰ কন্দলি অন্ততঃ এই বিষয়ত বৰ মৰমিয়াল বুলি আমি ডাঠি কব পাৰো। তেওঁৰ "কাণখোৱা" কাব্যৰ ভিতৰৰ দুটি গল্পৰ ঠেক সীমাৰ ভিতৰতে ইয়াৰ যি পৰিচয় দিছে, তাৰ কথা এইখিনিতে এবাৰ নকলে মহাপুৰুষ মাধৱদেৱৰ "পিপড়া গুচুৱা নাট"ৰ পৰিচয়েই সম্পূৰ্ণ নহব যেন লাগে ! কথা দুটি চমুতে এই :—

জগৰ হল যশোদাৰ, লৰা নিচুকাবলৈ বুলি গালে—"ঘুমটি যাযুৰে ওৰে কানাই, হৰে কাণখোৱা আসে। সকলো শিশুৰ কাণ খাই খাই আসয় তোমাৰ পাশে॥" এইখিনিতেই সকলো লেঠাৰ মূল,—

"মাৱৰ বচন শুনি পাশ চাপি
হাসিয়া বোলে কানাই ।
কেনেকুৱা গোটে কাণ খাই ফুৰে
চিনোৱা হাৱলি আই ।
তাৰ নাম শুনি ঘুমটি নাসয়
ডৰে কাম্পে মোৰ বুক ।
দেখিলে লৰবি পলাইবাক পাৰি
সত্বৰে চিনোৱা মোক ।"

ইয়াৰ পিছতে শিশুৰূপী ভগৱানে নিজৰ দশ অৱতাৰৰ কথা একাদিৰ পৰা বিৱাই যাবলৈ লাগিল, আৰু শেষত কলে—

"আসিয়া ইবাৰ কৃষ্ণ অৱতাৰ
হয়া আছো তযু ঘৰে ।
কাণখোৱা নাম শুনি মোৰ গাৱ
থৰ-থৰি কাম্পে ডৰে ॥
ঘুমটিৰ ছলে নিছুকিয়া মই
চক্ষু মেলি আছো চাই ।
কেনেকুৱা গোটে কাণ খাই ফুৰে
চিনায়োক মোক আই ॥"

লৰাৰ কথা শুনি যশোদা তল গল, অজ্ঞানতা আৰু বিবুধিৰ তেনেই অতল কূপত পৰিলগৈ, আৰু তত-মত নেপাই—

"মিছা সে বুলিয়া মুখে স্তন দিয়া
কৃষ্ণক সাবটি ধৰে ।"

এইখিনিতে প্ৰথমৰ প্ৰধানমানি কাব্য-খণ্ডৰ ওৰ পৰে ।

দ্বিতীয় গল্পটিৰ কথাও সেইদৰেই আৰম্ভ হল। পুৱা হল, শিশুকৃষ্ণ টোপনিৰ ভাও জুৰি তেতিয়াও ঢাৰি-পাটীতে পৰি আছে। এনেতে আহি লগৰ গোৱালৰ লৰাবোৰে যশোদাক কলে,—মাতৃ! কৃষ্ণক জগাই দিয়া।

"শুনিয়া তেখনে নন্দৰ ঘৰিণী
কৃষ্ণক ডাকিবে লৈলা ।
এত নিদ্ৰা কৰ কিসৰ ভাগৰ
আদিত্য উদয় ভৈলা ॥"

আকৌ পৰিল কদো-বাঁহত জুইৰ ফিৰিঙতি! যশোদাৰে দুৰ্ভাগ্য, ঢাৰি-পাটীৰ পৰাই পুতেকে মাত দিলে—

"যশোদাৰ বাণী শুনি চক্ৰপাণি
বোলন্ত নমাতা মাৱ ।
তোমাৰ আতাই বোপাই বোলন্তে
মুজুৰায় মোৰ গাৱ ॥
দিনা চাৰি পাক্ক ঘুচিবো নখাইবো
নযাইবো গোৰক্ষ স্থান ।
দুৰ্যশ কলঙ্ক দুঃখ সুমৰয়ে
নসহে মোৰ পৰাণ ॥"

আকৌ একালৰ পৰা লৰাই নিজৰ দুখৰ কথা বিৱৰি যাবলৈ ধৰিলে। পোনতে, তেওঁ জগতকাৰণ নাৰায়ণ, যশোদা গোৱালৰ জীয়েক; অথচ কৃষ্ণৰ ওপৰত এইদৰে দমদমনিৰ সীমা নাই! দ্বিতীয়তে, কৃষ্ণই লীলা কৰি অনন্ত ব্ৰহ্মাণ্ড সৃজি আত্মাৰূপে ধৰি আছে, অথচ ইপিনে যশোদাৰ ঘৰত জন্ম লৈ কৰকৰা ভাত খাই গৰু চৰাবলগীয়া হৈছে,—ইপিনেও পেটভৰাই ভাত খাবলৈ নেপাই পেটে-ককালে লাগি গাৰ আঁত শুকাই গৈছে! এইদৰে আৰু এহেজাৰ এটা বেজাৰ! যি জ্ঞান কৰ্ম্ম ভক্তি—জগতক সমস্ত শিক্ষা দিছে; যাৰ চতুৰ্ভুজ ৰূপ দেখি বিশ্বৰ চকুত চমক্ লাগে, তেওঁক কলীয়া কলীয়া বুলি উপহাস কৰে; যিজনে মোহিনী স্বৰূপে জগতক অমৃত পান কৰালে তেওঁ এতিয়া আহি যশোদাৰ ঘৰত "দধিচোৰ" নাম পালে; এইদৰে আৰু শ্ৰীকৃষ্ণই নো তেওঁৰ বেজাৰ ক'ত থয়?—

"হৰি অৱতাৰে গজেন্দ্ৰক মই
মুকুতি পদকো দিলোঁ ।
যজ্ঞৰূপে মই স্বৰ্গক চলিয়া
আপুনি উপেন্দ্ৰ ভৈলো ॥
পৃথু অৱতাৰে সাত পৃথিবীৰ
ভৈলোহোঁ এক নৃপতি ।
বাপেৰ কালৰ পুত্ৰ পাইলি মোক
মাতস তই বিগুটি ॥"
"আনো যত মোৰ মহিমা আছয়
কহিবাক লাগে কিক ।
মই হেন পুত্ৰৰ মাৱ বোলাইবাক
তোমাৰ আছোক ধিক ॥"
"কাঠবাজী বুলি জগতে হাসয়
দেখিলে সুমৰি হৰি ।
মই আসি তোৰ ঘৰে পুত্ৰ ভৈলো
সিটো দুঃখ দূৰ কৰি ॥



তথাপি আমাৰ স্নেহ নজানস
নকৰ মোত বিশ্বাস ।
আগে যে আছিলি তেনয় কৰিবো
দিন চাৰি বাট চাস ।"

সৰহ কি কব লাগিছে, কবলৈ লাজ লাগে,—বাঁহৰ বাঁহী বজাওঁতে দুই ওঁঠ ফাটি তেজ বৈ যায়!

'ছৰাতি সোণৰ বাঁশী গঢ়াই দেৱ
ৰাজ-পটেশ্বৰী তুই ।
গাঁতত পোতন্তে পেটাৰি বান্ধতে
ধনত লাগিবে জুই ॥"
"গৰু আগুৱন্তে ধাতু যায় মোৰ
কণ্টকী বনৰ সন্ধি ।
চৌপৰ দিনতো লৰৰিয়া ফুৰো
নটুৱা টনাক পিন্ধি ॥
কুটকুৰা চুলি পৰে গৰু ধূলি
কুকুহা পৰিয়া যায় ।
গুটা গুটী কৰি জটা বান্ধিলেক
তৈলে মাথা দেখা নাই ॥"

এইবাৰ আৰু এই কথাই কথা নহব! যিমান দুখ বেজাৰ হৈছে, তাৰ এটা প্ৰতিবিধান কৰিব লাগিব :—

"কথা কহন্তে ক্ৰন্দন আসয়
যত অপমান পাওঁ ।
যেবে হওঁ মই সিবা পৰ পুত্ৰ
তোমাসাক কন্দুৱাওঁ ॥
কংশ মামা মোৰ সাৰথি আছয়
আমাক নিব মতাই ।
ইটো অপমান সকলে যুজিবো
মথুৰা পুৰীক যাই ॥
দৈৱকী আইত মোৰ বৰ লুনি
থাকিবো তাহান পাশ ।
আমাক দেখিবে লাগিয়া তোমাৰ
হৈবে বৰ হাবিয়াস ॥"

ঠিক এইখিনিতে জানিবা মহাপুৰুষ মাধৱদেৱে তেওঁৰ নাটৰ সামৰণি মাৰিছে। দুই ঠাইতে কৃষ্ণ-অভিমানৰ এইখিনিতে এটি অপূৰ্ব্ব সামঞ্জস্য দেখা গল; কিন্তু আমাৰ মনেৰে নাট্যকাৰে যত নাটৰ সামৰণি মাৰিছে তাতে যেন কথাৰ সামৰণি পৰিবলৈ অনিচ্ছুক! সেইদেখি পিপড়া গুচুৱা নাটৰ ভাৱনা চাই আহি ৰাতিৰ ভিতৰতে আকৌ মিঠা তেলৰ সলিতাগছি লগাই কবি শ্ৰীধৰ কন্দলিৰ কাণখোৱা কাব্যৰ শেষ অংশৰ সোৱাদ লৈহে পাঠক শুবলৈ যাব পাৰিব, নহলে যে মাতৃ যশোদাৰ বুকুৰ গভীৰ বেজাৰৰ ভাৱনা চাওঁতেই ৰাতি আৰু টোপনি নাহে!

বৰ্ত্তমান পিপৰা গুচুৱা নাটৰ পৰা সেইদেখি কবি শ্ৰীধৰ কন্দলিৰ কাব্যৰ লগতে আৰু অলপ উজুৰা যাওক।—

লৰা জগাওঁতে যশোদাই মাতৃসুলভ মহৎ অভিমান এটা বুকুত লৈহে শ্ৰীকৃষ্ণক এষাৰ কথা মাগোন কৈছিল— "এত নিদ্ৰা কৰ কিসৰ ভাগৰ।" কিন্তু যিমানেই হক, মাতৃৰ হৃদয়; কৃষ্ণক সিমানলৈ এৰি দিব নোৱাৰে; সেইদেখি—

"কৃষ্ণৰ বচন শুনিয়া যশোদা
পুনু মাতে পাশ চাপি ।
এৰ হাবিয়াস মোৰ মাথা খাস
নকান্দিবা মোৰ বাপি ॥
মই অভাগীৰ ইবাৰ দোষক
মৰষিয়ো বনমালী ।
আনকাল যদি দোষ দেখা মোৰ
পাৰিবাহা মোক গালি ॥"

শিশুৰূপী ভগবানৰ আগত যশোদাৰ এই বিনীত হোৱা গৌৰবৰ উপমা দিবলৈ নাই!—মই বেটী অভাগিনীয়ে দোষ কৰিলো মোৰ বোপাই! কিন্তু এইবাৰলৈ, আৰু এইবাৰৰ কাৰণেহে, মোক ক্ষমা দিয়া; আগলৈ যদি এনে কৰা দেখা, তেনে যিমান মন যায় সিমান মোক গালি পাৰিবা মোৰ বোপাই!—এয়ে এই বাক্য কেশাবীৰ অভ্ৰভেদী গৰিমা।

কিন্তু ইমানতে জানো কাব্যৰ ৰস ওৰ পৰিছে!—

"মাৱৰ কাৰুণ্য বচন শুনিয়া
সন্তোষিত ভৈল মন ।
এক ডেৱে গৈয়া কোলাত চৰিয়া
পিৱাক লাগিল স্তন ॥

পৰম আনন্দে থাকিলেক কৃষ্ণে
চাক দন্ত দৰশাই।
ব্ৰহ্মাণ্ডৰ সুখে থাকিল যশোদা
কৃষ্ণৰ বদন চাই।"

সঁচাকৈয়ে, এইখিনিত "কাণখোৱা" কাব্যৰ সমাপতিয়ে মুকলি আকাশৰ তলত সমগ্ৰ ব্ৰহ্মাণ্ডৰ ভিতৰত সৰ্ব্বতোমুখী এহালি মাখোন মাতৃ-পুত্ৰক অকলে পূৰ্ণিমা নিশাৰ দৰে যেন সম্পূৰ্ণ আপোনপাহৰা অৱস্থাত ৰাখি গৈছে !

এতিয়া আকৌ এখন্তেক নাটৰ কথালৈ অহা যাওক। সম্পাদকদ্বয়ে তেখেতৰ বহুমূলীয়া পাতনিত অসমীয়া নাটৰ আঁতি-গুৰিৰ বিষয়ে সবিশেষ একো নকলে; পুথিখনি এতিয়া বিশ্ববিদ্যালয়ৰ পাঠ্য হৈছে যেতিয়া এই সম্বন্ধে যৎকিঞ্চিত আভাস থকা হলে ইয়াৰ মোল আৰু বাঢ়িল-হেতেন বুলি আমাৰ বিশ্বাস।

ভাৰতৰ প্ৰাদেশিক ভাষাত লিখা নাটৰ ভিতৰত প্ৰাচীনত্ব বিষয়ত বোধকৰো সন্মানে মাজত অসমীয়াই বিশেষ গৌৰব কৰিব পাৰে। যি সময়ত অসমীয়া সাহিত্যৰ মহামহিমান্বিত বৈষ্ণৱ যুগৰ ভৰপক, সেই সময়ত ইংৰাজী সাহিত্যৰ গৰিমাময় এলিজাবেথ যুগ তেনেই আমা-ডিমা; অসমীয়া নাটক অন্ততঃ পঞ্চদশ শতিকাৰ শেষভাগ মানৰ ভিতৰতে পোনতে ৰচিত হৈছিল, কিন্তু মাৰ্লৰ টেম্বৰ্লেইন নাটকৰ সৈতেহে ১৫৮৭ চনত সেই যুগৰ প্ৰকৃত ইংৰাজী নাটকৰ প্ৰথম সূচনা হয়,- গতিকে অসমীয়া নাট ৰচনা হোৱাতকৈ ই প্ৰায় এশ বছৰৰ পিছত পৰে। শ্ৰীশঙ্কৰদেৱে সেই আদি-এলিজাবেথ কালতে তীৰ্থপৰ্য্যটন কৰি অহাৰ পিছত প্ৰায় আজিকালিৰ দৃশ্যপটবোৰৰ দৰে নিজে কাপোৰত ছবি আঁকি চিহ্নযাত্ৰা নামে ভাৱনা পাতিছিল, আৰু নানান গীত পদ নাট আদি ৰচনা কৰিছিল। গ্ৰীচ আদি য়ুৰোপীয় নাট্যসাহিত্য ৰচনাৰ মূলতে যেনেকৈ ধৰ্ম্মমূলক নাটক, ভাৰতবৰ্ষৰ নাটকবো পাতনি হয় পোনতে ধৰ্ম্মমূলক ভাবতে,—যদিও ভাৰতীয় নাটক সৰ্ব্বতোভাৱে ভাৰতীয় মূলৰ পৰা ওলাইছে, আৰু ইয়াত গ্ৰীচ নাইবা ইটালী আদিৰ নাট্যৰ কোনো অন্য প্ৰভাব পৰা নাছিল বুলিয়ে য়ুৰোপীয় পণ্ডিতসকলবো মত। অসমীয়া পুৰণি নাটকেখনিয়েও নাটৰ এই সাধাৰণ ধৰ্ম্মভাবৰ মূলটো ৰক্ষা কৰিছে, আৰু বৈষ্ণৱ যুগত লিখা কেইখন নাটকৰ মূল কেইখনিৰ পৰা স্বভাৱতে ধৰ্ম্মভাবতে কেন্দ্ৰীভূত,—চোৰধৰা আৰু পিম্পৰা গুচুৱা নাটেই তাৰ প্ৰমাণ। কিন্তু আন আন বিভাগৰ দৰে অসমীয়াৰ জাতীয় সাহিত্যৰ এই ভাগটোতো আমি বৰ্ত্তমান একো উন্নতিৰ চিন দেখুৱাব পৰা নাই; এতিয়া আমি অতীতৰ ভেটিৰ ওপৰত আকৌ ভবিষ্যতৰ সোণালী মন্দিৰ গঢ়ি তুলিব লাগিবই লাগিব।

শ্ৰীডিম্বেশ্বৰ নেওগ

# বৰ্ত্তমান অসমীয়া সাহিত্য

[ অসম সাহিত্য-সভাৰ সপ্তম অধিবেশনত গৃহীত ]

সভাপতি ডাঙৰীয়া, উপস্থিত ভদ্ৰমণ্ডলী আৰু ভদ্ৰমহিলা-সকল—

আজি আমাৰ বৰ সৌভাগ্যৰ দিন, আজি এই সভামণ্ডপত বুঢ়া-ডেকা সকলো অসমীয়া সাহিত্যসেৱী উপস্থিত হৈছে। যি সকলৰ উৎসাহ আৰু উদ্যমত মৃত্যুৰ কবলৰ পৰা কথমপি অসমীয়া ভাষা আৰু সাহিত্যই পৰিত্ৰাণ পাইছিল, যি সকলৰ একান্ত চেষ্টাত আমাৰ সাহিত্যই আজি জীৱন ধাৰণ কৰিছে, আৰু যি সকলৰ ওপৰত আমাৰ সাহিত্যৰ ভৱিষ্যত উন্নতি আৰু অভ্যুদয় নিৰ্ভৰ কৰিছে, সেই সকলোটি আজি এই শুভ সম্মিলনত সমবেত হৈছেহি। আজিৰ এই সভাৰ ফালে চকুদি চাওক। তাহানি অসমীয়া ভাষা



আৰু সাহিত্যৰূপা দ্ৰৌপদীক লাঞ্ছিত কৰাৰ বাবে যি পঞ্চপাণ্ডৱে হাতত গদা ধনুকাড় লৈ সমৰ সজ্জাত সজ্জিত হৈ কৌৰৱৰ সহস্ৰ সহস্ৰ সেনানীক ধৰ্ম্ম-ক্ষেত্ৰ কুৰুক্ষেত্ৰত পৰাজিত কৰিছিল, সেই পঞ্চপাণ্ডৱ ভাটী বয়সত ভৰি দি আজি এই সভাত উপস্থিত। আপোনালোকে যদি পুৰাণৰ কথা ভাল নাপায়, তেনেহলে কওঁ, তাহানি শৰাইঘাটৰ যুদ্ধত যিসকল অসমীয়া বীৰে মোগলৰ সৈন্যক পৰাস্ত কৰিছিল, পাছলৈকো তেওঁলোকক বুৰঞ্জীলেখকসকলে শৰাইঘটীয়া বুলি সম্বোধন কৰিছিল। আমিও কওঁ, আমাৰ সাহিত্যৰ শৰাইঘটীয়াসকল আজিৰ এই সভাত উপস্থিত। ডাঙৰীয়াসকল ! আপোনালোকে বহুত দুখ-কষ্ট কৰি আজিৰ সভালৈ আহিব পাৰিছে, তাৰপৰা আমি ঠাহৰ কৰিছোঁ অসমীয়া সাহিত্যৰ উন্নতিৰ কামনা আপোনালোকৰ জীৱনৰ ব্ৰত, আৰু সেই কামনাকে শিৰোধাৰ্য্য কৰি যদি দুআষাৰমান কথা মই আপোনালোকৰ আগত দাঙ্গি ধৰো, মোৰ ধুকপ বিশ্বাস আপোনালোকে তাত অকণো আমনি নাপাব।

প্ৰবন্ধ-নিৰ্ব্বাচক সমিতিৰ সম্পাদকদ্বয়ে এই সম্মিলনৰ কাৰণে প্ৰবন্ধ লিখিবলৈ যিদিনা মোক অনুৰোধ কৰে সিদিনাৰে পৰা মোৰ মনত এটা কথাই বৰকৈ খুন্দিয়াইছে। আমি অসমীয়া জাতি মানুহৰ সংখ্যাত অতি কম। মাত্ৰ ১৫ কি ১৬ লাখ অসমীয়া কোৱা মানুহে এটা ভাষা আৰু এটা জাতীয়ত্ব ৰক্ষা কৰি থাকিব লগাত পৰিছে। বঙ্গদেশত বঙ্গালী-কোৱা মানুহৰে সংখ্যা আমাতকৈ বহুত বেছি, বঙ্কিমচন্দ্ৰৰ "সপ্তকোটি কণ্ঠ কল কল নিনাদ কৰালে," এই কথাফাকি আপোনালোকৰ বহুতৰ মনত আছে। এই সাত কোটি মানুহ ক'ত আৰু ১৫।১৬ লাখ মানুহ কত ? অসমীয়াৰ সংখ্যা কম হোৱাৰ কাৰণে আমাৰ সাহিত্যৰ উন্নতিসাধনাত আমি বহুত অসুবিধা ভুগিব লগাত পৰিছো।

অসমীয়া মানুহৰ সংখ্যা অনুসাৰে আমাৰ শিক্ষিত মানুহৰ সংখ্যাও নিচেই তাকৰ। আমাৰ এই আঙ্গুলিৰ আগত লিখিব পৰা সাহিত্যৰ মোলবুজা বা কিতাপ পঢ়াত ৰাপথকা কিছুমান নিৰ্দ্দিষ্ট সংখ্যক মানুহৰ মাজত এটা ভাষা আৰু সাহিত্য জীয়াই ৰখা কিমান টান তাক সকলোৱে বুজিব লাগিব। আমাৰ পাঠকশ্ৰেণী বা Reading Public নাই, গ্ৰন্থকাৰে নিজৰ ধন খৰচ কৰি কিতাপ প্ৰকাশ কৰিব লাগে, সেই কিতাপ বিক্ৰি নহৈ বহুত দিন ধোৱাঁচাঙ্গত বাগৰি থাকি অৱশেষত কীটপতঙ্গৰ আহাৰ হয়গৈ। আমাৰ বাতৰিকাকতৰ বেছি প্ৰচাৰ হোৱাৰ বাটত বহুত বিঘিনি। প্ৰকাশকসকলে বহুত লোকচানি ভৰি অৱশেষত বাতৰি-কাকত চলোৱা কাম এৰি দিবলৈ বাধ্য হয়গৈ। আন দেশত সাহিত্যসেৱা কৰি মানুহে জীৱিকা উপাৰ্জ্জন কৰিব পাৰে, আৰু মাজে মাজে সাহিত্যসেৱাৰ পৰা এজন দুজন অচলা ধনী হোৱাও আমাৰ চকুত পৰিছে; কিন্তু আমাৰ দেশত সাহিত্যব্ৰত মানে দাৰিদ্ৰ্যব্ৰত। দাৰিদ্ৰ্যৰ যন্ত্ৰণাত, উৎসাহৰ অভাৱত, মানুহে কিমান দিন উচ্চ ভাব আৰু উচ্চ অভিলাষ ৰক্ষা কৰিব পাৰে তাকো চাবলগীয়া। বঙ্গদেশত ভূস্বত্বৰ থিলঞ্জীয়া বন্দোবস্ত বা Permanent Settlementৰ কাৰণে এবিধ আজৰি থকা ধনী সম্প্ৰদায়ৰ সৃষ্টি হৈছে; তেওঁলোকে অন্ন-বস্ত্ৰৰ কাৰণে নিশ্চিন্ত হৈ সাহিত্যৰ চৰ্চ্চাত গোটেই জীৱন উছৰ্গা কৰিব পাৰে। কিন্তু অসমত প্ৰত্যেকজনে ভাত-কাপোৰৰ নিমিত্তে তুমুল সংগ্ৰামত লিপ্ত থাকিব লগাত পৰে, সেইদেখি সময়ত একাগ্ৰপতীয়া সাহিত্যসেৱকৰ সংখ্যা সৰহ হব পৰা নাই। যি কেইজনে দেহেকেহে সাহিত্যচৰ্চ্চাত লাগিছে, তেওঁলোকেও জীৱিকা আৰ্জ্জনৰ পৰিশ্ৰমত আজৰিতহে। আজিৰ সভাত যিজন সাহিত্যসেৱীক আমি অতি আদৰেৰে সভাপতিৰ আসনত বহুৱাইছো, কুপাবৰ বৰবকৱাৰ নিচিনা হাঁহিউঠা মৌলিক চৰিত্ৰৰ সৃজনকৰ্ত্তা শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াও জীৱিকাৰ কাৰণে সুদূৰ সম্বলপুৰ অঞ্চলত এই ভাটি বয়সত হাবি-বননি মহতিয়াই ফুৰিব লগাত পৰিছে।

ডাঙৰীয়াসকল ! আপোনালোক যিসকলে সাহিত্য-সেৱাত জীৱন অৰ্পণ কৰিছে, আপোনালোক দেশৰ কিমান শলাগৰ পাত্ৰ নিজে অনুমান কৰিব পাৰিব।

ওপৰত কোৱা অসুবিধাবপৰা আপোনালোক কোনেও নাভাবিব যে মই ইয়াত হতাশৰ বাণী প্ৰচাৰ কৰিবলৈ

আপোনালোকৰ আগত থিয় হৈছো। আমি অসমীয়া অতি ক্ষুদ্র জাতি, আমাৰ লোকসংখ্যা অতি কম, কিন্তু এই ক্ষুদ্র জাতিয়েই কি কৰিব পাৰে আৰু কি কৰিছিল আপোনালোকে তাক এবাৰ ভাবি চাবনে? যি মোগল ক্ষমতাই ভাৰতত একচ্ছত্র সাম্রাজ্য স্থাপন কৰিছিল, সেই অপৰাজেয় মোগল শক্তিয়ে এই সামান্য ক্ষুদ্র জাতিৰ আগত পৰাভৱ মনা নাইনে? মহাৰাষ্ট্রীয় বাহুবল, পঞ্জাব কিশোৰী ৰাজস্থানৰ ক্ষত্রিয় তেজ যি শক্তিৰ আগত অৱনতশিৰ হৈছিল, সেই শক্তিৰ সন্মুখত অতুলনীয় বিক্রম আৰু যুদ্ধ-কৌশলেৰে এই ক্ষুদ্র অসমীয়া জাতি চিৰস্মৰণীয় হোৱা নাইনে? মোগল সেনাপতি জয়সিংহাত্মজ ৰামসিংহই যি কৈছিল, সেই প্রশংসা-বাণীয়ে দেশ-প্রেমেৰে আপোনাৰ শৰীৰ ৰোমাঞ্চিত নকৰেনে?—"ধন্য ৰজা, ধন্য মন্ত্রী, ধন্য সেনাপতি, ধন্য সেনা? এক আদমিয়ে সকলো সেনা চলাইতে পাৰে। মই হেন ৰামসিংহে থলত থাকিও ছিদ্র নাপাও।"

আমি অসমীয়া ক্ষুদ্র জাতি, কিন্তু ক্ষুদ্র জাতিয়ে পৃথিৱীত কি কৰা নাই? সেই সামান্য ক্ষুদ্র গ্রীক জাতিয়ে য়ুৰোপীয় সভ্যতাৰ গুৰিৰ ঠাই পোৱা নাই নে? য়ুৰোপীয় নাট্যকলা, য়ুৰোপীয় স্থপতি বিদ্যা, য়ুৰোপীয় দর্শন এই ক্ষুদ্র গ্রীক জাতিৰ পৰা উদ্ভৱ হোৱা নাইনে? সেই ক্ষুদ্র ৰোমান জাতিয়ে য়ুৰোপৰ অধিকাংশ আৰু এছিয়াৰ এক অংশত তাহানি সাম্রাজ্য বিস্তাৰ কৰা নাইনে? আজিকালিৰ দিনতো আমাৰ চকুৰ আগতে ক্ষুদ্র জাপান জাতিয়ে মহাকায় ৰুছিয়া-সম্রাজ্যক লটি-ঘটি কৰা নাইনে? অন্য কথা নকওঁ, অতিক্ষুদ্র বৃটিশ জাতিয়ে পৃথিৱীত এখনি বেলিমাৰ নোযোৱা সাম্রাজ্য স্থাপন কৰা নাইনে? আৰু এটা সামান্য ইজৰায়েল জাতিৰ পৰা পাপীৰ পৰিত্রাণৰ মহাবাণী আজি ১৯ শ বছৰৰ আগেয়ে প্রচাৰিত হোৱা নাইনে? ইংলণ্ডৰ ৰাজমন্ত্রী অসাধাৰণ ৰাষ্ট্রনৈতিক মিঃ ডেভিড লয়েড জর্জ্জৰ ক্ষুদ্র জাতিৰ মহৎ কার্য্যাৱলীৰ বিষয়ে কোৱা উদ্দীপনাজনক কথা কেআষাৰে অসমীয়াৰ নিৰুদ্যম নিৰুৎসাহ প্রাণত আশা আৰু সাহসৰ ভাব সঞ্চাৰ কৰিব নোৱাৰিবনে?

"The world owes much to little nations and to little men. This theory of bigness—you must have a big empire and a big nation, and a big man—well, long legs have their advantage in a retreat......... but all the world owes much to the little five feet high nations. The greatest out of the world was the work of little nations. The most enduring literatures of the world came from little nations. The greatest literature of England came from her when she was a nation of the sighs of Belgium fighting a great empire. The heroic deeds that thrill humanity through generations were the deeds of little nations fighting for their freedom. Ah, yes and the salvation of mankind came through a little nation. God has chosen a little nation as the vassal by which He carries the choicest wines to the lips of humanity, to rejoice their hearts, to exult their vision, to stimulate and to strengthen their faith."

বাৰু, আমি স্বীকাৰ কৰিলো, ক্ষুদ্র জাতিয়ে পৃথিৱীত বহুত ডাঙৰ কাম কৰিব পাৰে; অসমীয়াই কৰিছিল আৰু আগলৈও কৰিব। কিন্তু তেনে উন্নতিশীল, আগবঢ়ুৱা, উদ্যমপূর্ণ মানুহ কেনেকুৱা হব লাগিব? ইয়াৰ উত্তৰত আমি কওঁ, প্রত্যেকজনে প্রকৃত মানুহ বোলাব পাৰিব লাগিব। অসমীয়াই যদি জগতৰ আগত উন্নতিশীল জাতি বুলি পৰিচয় দিব খোজে তেনেহলে প্রত্যেক অসমীয়াই প্রকৃত মানুহ বুলি গণ্য হবৰ উপযুক্ত হব লাগিব। যদি কোনো অসমীয়া উদ্যমশীল নিচেষ্ট কিম্বা খাইনে-কাণত-পিন্ধে এই ভাবলৈ সংসাৰৰ বহুমূলীয়া দিনকেইটা কটাবলৈ আহিছে, তেন্তে তেওঁক আমাৰ উন্নতিৰ বাটত



কণ্টক বুলি আমি স্বীকাৰ কৰিব লাগিব। এই যুগ হাত-সাবটি বহি থকাৰ যুগ নহয়, এই যুগ কর্ম্মৰ যুগ।

ওপৰত আমি যি আদর্শ উঙুকিয়াই আহিছো, প্রত্যেক অসমীয়াই নিজৰ সর্ব্বশক্তিৰ পূর্ণবিকাশ কৰি জাতীয় উন্নতিৰ ব্রতত সহায়কাৰী হব; এই আদর্শৰ পৰা সাহিত্যৰ পক্ষৰ পৰা আমি আৰু এটা কথা আশা কৰো। আমাৰ মানুহ কম, আমাৰ সাহিত্যসেৱী আৰু সাহিত্যৰ উন্নতি-চেষ্টা কিছুমান নির্দ্দিষ্ট মানুহৰ হাতত পেলাইদি দূৰৈৰ পৰা হাত চাপৰি বাই ৰঙ চাই থাকিলে নহব। প্রত্যেক অসমীয়াই নিজৰ শক্তি অনুসাৰে নিজৰ সাহিত্যৰ উন্নতিত ধৰিব লাগিব; যি সকলৰ গ্রন্থ লিখিব পৰা শক্তি আছে তেওঁলোকে গ্রন্থ লিখক, যি সকলে ধনেৰে অসমীয়া সাহিত্য প্রচাৰত সহায় কৰিব পাৰে তেওঁলোকে তেনে ধৰণৰ সহায় কৰক; যি সকলৰ শক্তি নাই, ধন নাই, তেওঁলোকে অন্য উপায়েৰে অর্থাৎ সাহিত্যৰ সঞ্জুলি আদিৰ যোগান ধৰি সাহিত্যৰ উন্নতিত ব্রতী হওক।

ওপৰত কোৱা কথাৰ পৰা কোনেও নাভাবিব যে অকল সাহিত্যসেৱাকে জাতীয় কার্য্যৰ একমাত্র অঙ্গ বুলি আমি মানি লৈছো। কিন্তু কোনো এটা জাতিৰ জীৱনৰ সাহিত্য একমাত্র অঙ্গ নহলেও প্রধান অঙ্গ বুলি আমি স্বীকাৰ কৰিব লাগিব। মহাপুৰুষ শঙ্কৰদেৱৰ আজি কেবা বছৰৰ আগত অসমত প্রাদুর্ভাৱ হৈছিল, কিন্তু সাহিত্যৰ সহায়েৰে তেওঁৰ মাহাত্ম্য আমাৰ কাষ চপা নাইনে? মহাবীৰ লচিত বৰফুকনে অপৰিমেয় মোগল সৈন্যক খেটুৱাই অগ্রণী জাতি বুলি অসমীয়াক দেশ-বিদেশে প্রচাৰ কৰিব পাৰিছিল, এই মহাপুৰুষৰ কীর্ত্তি-কাহিনী যুদ্ধ-কৌশল সাহিত্যৰ সহায়েৰে অসমীয়াৰ মাজত যুগমীয়া হোৱা নাইনে? মহাসতী জয়মতীয়ে নিজৰ দেহা বিসর্জ্জন দি স্বামীৰ জীৱন নিষ্কণ্টক কৰিছিল, সাহিত্যৰ সহায়েৰে এই অভিনৱ আদর্শ পৃথিৱীত প্রচাৰিত হোৱা নাইনে? আজি অসমীয়াই যি লৈ গৌৰৱ কৰো সেই সকলো কথা, সেই সকলো কীর্ত্তি সাহিত্যৰ সহায়েৰে আমাৰ আদৰৰ বস্তু হোৱা নাইনে? অতীতৰ লগত বর্ত্তমানৰ সংলগ্ন কৰি ভৱিষ্যতৰ উচ্চ আদর্শৰ বীজ ৰোপন কৰাত সাহিত্য যিমান শক্তিশালী কোনো জাতিৰ অন্যান্য কার্য্যাৱলী তিমান শক্তিশালী নহয়। সেইদেখি আমি কওঁ, জগতৰ আগত ক্ষুদ্র-অথচ উন্নতিশীল জাতি বুলি চিনাকী দি, পূর্ব্বৰ গৌৰৱ অনুসাৰে সন্মান পাবলৈ হলে প্রত্যেক অসমীয়াই সাহিত্যৰ উন্নতিত নিজ শক্তি অনুসাৰে নিযুক্ত হব লাগিব; তেনেহলেহে আমি ওপৰত অসমীয়া সাহিত্য-চর্চ্চাৰ যিবিলাক অসুবিধা উঙুকিয়াইছো সেইবিলাক দূৰ হব, আৰু অসমীয়া সাহিত্য-সেৱীয়ে আশা-উৎসাহ আদিৰ মাজত কাম কৰি নিজে ধন্য হব, আৰু সাহিত্যৰ উন্নতিত নিজৰ মনপ্রাণ ঢালি কাচি-পাৰি লাগিব পাৰিব।

ডাঙৰীয়াসকল! আপোনালোক সকলোৱে এইটো লক্ষ্য কৰিছে যে বিদেশীৰ প্রাদুর্ভাৱত অসমীয়াৰ জাতীয়ত্ব লাহে লাহে লোপ পাবলৈ ধৰিছে। এজন অসমীয়া শিক্ষিত ভদ্রলোকৰ ফালে চকুমেলি চাওক, তেওঁৰ সাজ-পাৰ চালচলনৰ পৰা আপুনি কেতিয়াও অনুমান কৰিব নোৱাৰিব তেওঁ অসমীয়া নে বঙালী। কোনোৱে এইটোত আশঙ্কা কৰে যে কালৰ গতিত এই বিদেশীৰ প্রভাৱ লাহে লাহে দকৈ শিপা মেলিবলৈ ধৰিলে অসমীয়াৰ জাতীয়ত্ব একেবাৰেই বিলুপ্ত হব। সেই দুর্যোগৰ সময়ত অসমীয়াৰ অতীত গৌৰৱ, অতীত কাহিনী, জাতীয় স্বাতন্ত্র্য পৃথক আচাৰ-ব্যৱহাৰ এইবোৰৰ কথা কোনে সোঁৱৰাই দিব? আমি কওঁ, আমাৰ সাহিত্য টনকিয়াল হলে আৰু এই সাহিত্য অসমীয়া জাতীয়ত্বৰ প্রতিবিম্বস্বৰূপ হলে আগলৈ আত্মবিস্মৃতিৰ যোগত পুৰণা স্মৃতি মনলৈ আনি সকলোকে আশা আৰু উন্নতিৰ পথত আগবাঢ়িবলৈ সম্বল যোগান দিব। য়ুৰোপৰ সভ্যতাৰ পুৰোহিত কলা-প্রিয় দর্শনপ্রিয় গ্রীক জাতি আজি জগতৰ বুৰঞ্জীৰ পৰা বিলুপ্ত হৈছে, কিন্তু সেই গ্রীক জাতিৰ সাহিত্যই জগতক নতুন আদর্শ নতুন পোহৰ বিলাব পাৰিছে। অসমীয়া সাহিত্যয়ো আত্মবিস্মৃতিৰ যুগত অসমীয়াক পুনৰ সঞ্জীবিত কৰিব, এইটো আমাৰ ধ্রুৱ বিশ্বাস। আমাৰ প্রার্থনা, প্রতি অসমীয়াই এই 'অতীত গৌৰৱবাহিনী' অসমীয়া সাহিত্য-বীণাপাণিৰ পূজাত আগভাগকৈ অসমীয়াক জগতৰ বুৰঞ্জীত শীর্ষস্থানীয় কৰিব।

অসমীয়াসকলৰ উমৈহতীয়া শক্তি বা গাইগোটা শক্তি অসমীয়া সাহিত্যৰ উন্নতিৰ কাৰণে প্ৰয়োগ কৰিলে সাহিত্যৰ কি কি অভাৱ গুচাব পাৰি তাৰ এটি চমু আভাস আমি সম্প্ৰতি দিবলৈ চেষ্টা কৰিম।

(১) আমাৰ জাতিৰ আৰু দেশৰ এখন ডাঙৰ বুৰঞ্জীৰ বিশেষ প্ৰয়োজন হৈছে। যি কেইখন অসমবুৰঞ্জী প্ৰকাশিত হৈছে সেইবোৰ বহল আৰু সম্পূৰ্ণ নহয়। তাত ৰজাসকলৰ কাৰ্য্যাৱলী আৰু যুদ্ধ-বিগ্ৰহ আদিৰ সংক্ষিপ্ত বিৱৰণ আছে, আৰু হয়তো মাজে মাজে এটি দুটি আখ্যায়িকা আছে; কিন্তু যিবোৰ কাহিনী আৰু আখ্যানৰ কাৰণে আমাৰ হাতেলিখা অসমবুৰঞ্জীবোৰ মনোমোহা হৈছে আৰু যিবোৰৰ কাৰণে তাহানি মুখে মুখে অসমবুৰঞ্জী শিকোৱা সম্ভৱ হৈছিল, সেইবোৰ আখ্যান আৰু কাহিনী আমাৰ ছপা হোৱা বুৰঞ্জীবোৰত নাই। আমি শুনিছো, স্বৰ্গীয় ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই 'কথাবুৰঞ্জী' নাম দি এই ধৰণৰ এখন সুবৃহৎ গ্ৰন্থ প্ৰণয়ন কৰাৰ চেষ্টাত আছিল। কিন্তু তেখেতৰ চেষ্টা কাৰ্য্যত পৰিণত হৈছিল নে নাই, আৰু তেখেতৰ আয়োজনৰ পৰা কাম কিমানদূৰ সম্পূৰ্ণ হৈছে, আমি কব পৰা নাই। শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা ডাঙৰীয়াই 'আহোমৰ দিন' নাম দি সেই ধৰণৰ এখন সুবৃহৎ গ্ৰন্থ লিখি সমাপ্ত কৰিছে, সেই কিতাপ ৰাইজৰ আগলৈ ওলালে আমাৰ কিমান উপকাৰ হব সেই বিষয় আপোনালোকক বহলাই নকলেও হব। অসমবুৰঞ্জীৰ এনে সোৱাদলগা এটা দুটা আখ্যানৰ আভাস আপোনালোকক কওঁ।—তাহানি গড়গয়া ৰজাৰ চাউচিং নামে নৰৰজাৰ পৰা পোৱা এগৰাকী কুৱঁৰী আছিল, তেওঁ ইমান পণ্ডিত আছিল যে ভৰিৰ আঙ্গুলীৰে আহোম অক্ষৰ লিখিব পাৰিছিল। বুঢ়াগোহাঁই আৰু বৰগোহাঁই এই দুজন মন্ত্ৰীৰ উপৰিও বৰপাত্ৰগোহাঁই নামে নতুন ৰাজমন্ত্ৰীৰ বাব এটি সৃষ্টি কৰাত ডা-ডাঙৰীয়া বিষয়াসকলৰ ঘোৰ আপত্তি হল। সুপণ্ডিতা বাগচতুৰা পাটমাদৈ চাউচিং গাভৰুৱে এই আপত্তি যি যুক্তিৰে খণ্ডন কৰিলে সি অতি বিচক্ষণ। তেওঁ কলে—"দুটা বজতৰ উধানত ভাত সিজাব নোৱাৰি, স্বৰ্গদেৱে বৰপাত্ৰগোহাঁইৰ পদ সৃষ্টি কৰি অসম্পূৰ্ণ তৃতীয় উধান নিৰ্ম্মাণ কৰিলে, তাত বিষয়াসকলৰ আপত্তি হব কিয়?' নাংবক্ৰু গাভৰু নামে আৰু এগৰাকী যুক্তিমতী অসমীয়া আইদেওৰ কথা আমি বুৰঞ্জীত পাওঁ। তেওঁ খোৰা ৰজাৰ পেহীয়েক আৰু চুগাম কোঁৱৰৰ মাক আছিল। কোচৰ সেনাপতি বীৰবৰ শুক্লধ্বজ বা চিলাৰায় দেৱানৰ লগত হোৱা যুদ্ধত অসম সৈন্যৰ পৰাজয় হোৱাত, কোচৰ ৰজাই অসমৰ সাতজন কোঁৱৰক কোচবিহাৰলৈ যাবলৈ ওল (Hostage) স্বৰূপে খুজিলে। চুগাম্ কোৱঁৰক কোচবিহাৰলৈ পঠিয়াবৰ প্ৰস্তাৱ কৰাত মাক নাংবক্ৰু গাভৰু উগ্ৰচণ্ডী হৈ ৰাজসভাত উপস্থিত হল আৰু কলে,—'দিখৌ নদীক ওভোটাই উজালেহে মোৰ পোৰ ভাটিলৈ পঠাব পাৰিবা। কোচৰ লগত যে হাৰিলা, তোমালোক কিহৰ মুনিহ। মোৰ মেখেলা তোমালোকে পিন্ধা, তোমালোকৰ ৰণৰ সাজ কুন-বিন-কুনখা মোক দিয়া, তেতিয়া বুজি পাবা মই তিৰুতা নে পুটাপু।" এই বুলি কৈ নিজৰ পুতেকক আঙ্গুৰি টানি নি বীৰদৰ্পে ৰাজসভা এৰি গুচি গল।

প্ৰতাপসিংহ ৰজাৰ বুৰঞ্জীত বহুত সুন্দৰ অপ্ৰকাশিত ঘটনাৱলী পোৱা যায়। আহোম কটকীয়ে কোচানৰ কটকী পাতালসিংহৰ নাম পাহৰি কলে—"যিবোৰ গৰুৰ আকাশৰ ফালে এটা শিং আৰু মাটিৰ ফালে এটা শিং থাকে তাক কি কয়?" আহোম কটকীৰ স্মৃতি-শক্তিৰ অভাৱ দেখি বুদ্ধিমন্ত প্ৰতাপসিংহ স্বৰ্গদেৱে সেইদিনৰ পৰা আহোম কটকী গুচাই বামুণ কটকীৰ ব্যৱস্থা কৰিলে। এবাৰ কছাৰী ৰজাই গুৱাহাটীৰ বৰফুকন মোমাইতামুলী বৰবৰুৱালৈ নামনী ৰজা বুলি চিঠি লিখিলে। প্ৰভুভক্ত মোমাই তামুলীয়ে ইয়াতে দায় ধৰি প্ৰতাপসিংহ স্বৰ্গদেৱলৈ লিখি পঠালে। সজ্ঞানপূৰ্ণ স্বৰ্গদেৱে উত্তৰ দিলে,—"বোপা, সেই কথাত বেজাৰ নাপাবা, তুমি যেন ডবাৰপৰীয়া নবাবকে যদি কছাৰী ৰজাই ৰজা বুলি সম্বোধন কৰিছে, তেনেহলে মোক সি কিমান ডাঙৰ বুলি ভাবিছে?" এই কথাষাৰে মিত্ৰ ৰাজ্যৰ লগত সম্ভৱ হোৱা মনোমালিন্য দূৰ কৰিলে। পিকৃসাইচেতিয়া বৰফুকনে তেওঁৰ দুগৰাকী ভাৰ্য্যাৰ দিনৌ দহবাৰ ঘটা কাজিয়া-পেচাল থম্‌থম্‌কৈ



ৰহি চাই থাকোতে ৰাজ্যৰ ৰণবিগ্ৰহৰ ফালে চকু দিবলৈ সময় নাপাইছিল। এই ত্ৰুটিত পিকৃসাইক বন্দী কৰি গড়গাৱঁলৈ নি বন্দীশালত থৈ দিয়া হল। দুগৰাকী সতিনীয়েকৰ হাই-কাজিয়া চাই থাকি ৰাজকাৰ্য্যলৈ অৱহেলা কৰা বন্দী পিকৃসাইক চাবলৈ বৰ হেপাহ হল। বুদ্ধিমন্ত কুৱঁৰীক এই বুলি হাক দিলে—"দুজনী সতিনীয়েকৰ গালি-গালাজ অবচন-বচন দিনে-ৰাতি শুনি পিকৃসাইৰ মাত-কথা বেয়া হৈ আছে।" কুঁৱৰীয়ে ৰজাৰ হাক-বচন নুশুনি বন্দীশাললৈ গৈ পিকৃসাইক সুধিলে, "কি কৰিছ, পিকৃসাই?" পিকৃসায়ে উত্তৰ দিলে—"পৈয়েৰে থৈছে ঠিকৃচায়।" তাৰ পাছত চাৰিকুৰি সোত্তৰ বছৰীয়া বুঢ়া ৰজাই মৃত্যুৰ আগন্তুক হোৱাত সন্তানস্বৰূপ ৰাজ্যৰ প্ৰজাসকলক চাবলৈ হেপাহ কৰিলে। দিখৌ নদীৰ দুই পাৰে প্ৰজাৰে দলদোপ-খেন্দোলদোপ হল। স্বৰ্গদেৱে এখন নাৱত উঠি ৰাইজৰ ফালে চাই আশীৰ্ব্বাদ দি চিৰকাললৈ বিদায় মাগিলে। ৰজাৰ মৰমত ৰাইজে হৈধ্বনি দি কলে—"স্বৰ্গদেৱ জীয়াই থাকক, আমি সদিয়াৰ কাচাইখাতী গোসানীক এশ নৰ বলি দিম।" ইয়াৰ দিনচেৰেকৰ পাছত স্বৰ্গদেৱৰ মৃত্যু হল। এই দৃশ্য কেনে মৰমৰ আৰু ব্যথালগা! ৰজাৰ কেনে প্ৰজাবাৎসল্য! ৰাইজৰ কেনে ৰাজভক্তি।

বুৰঞ্জীৰ পৰা আৰু ঘটনা দি আপোনালোকক আমনি নিদিওঁ! আপোনালোকে সহজে অনুমান কৰিব পাৰিব, অপ্ৰকাশিত অসমবুৰঞ্জীবোৰত কিমান সুন্দৰ সুন্দৰ ঘটনা ভৰি আছে। (আগলৈ)

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

# দৃষ্টিহীন

(আগৰ সংখ্যাৰ পিছৰ পৰা)

সকলোতকৈ বুঢ়া কণা—মই তোৰ চুলিৰ শবদ শুনিছো।

গাভৰু কাণী—এইবিলাক ফুলহে......

সকলোতকৈ বুঢ়া কণা—আমি তো তোক নেদেখো।

গাভৰু কাণী—(মই) নিজেই নিজৰ গাটোকে দেখা নেপাওঁ.........উঃ, জাৰ লাগিছে।

[ক্ষন্তেকতে পচোৱা বতাহ আহে, অদূৰস্থ সাগৰে তৰ্জ্জন-গৰ্জ্জন কৰি বলেৰে ওচৰৰ পাহাৰত ঠেকাখোৱাৰ শব্দ শুনা যায়]

প্ৰথম কণা—সেয়া শৰৎ পৰিছে!

দ্বিতীয় কণা—মোৰ মনেৰে ধুমুহা-বতাহ হে।

সকলোতকৈ বুঢ়ী কাণী—মোৰ বোধেৰে সেয়া সাগৰহে।

তৃতীয় কণা—সাগৰ? সেয়া সাগৰ নে? আমাৰ পৰা দুখোজতে!—কাষতে! আমাৰ কেউফালে শুনিছো—!—নহয়—সেইটো আন কিবাহে!

গাভৰু কাণী—মোৰ ভৰিতলতে ঢৌৰ শবদ শুনিছো।

প্ৰথম কণা—মোৰ মনেৰে সেয়া বতাহ, গছ-গছনিৰ শুকান পাতবিলাক লৰাইছে।

সকলোতকৈ বুঢ়া কণা—মোৰ অনুমানত মাইকীকেইজনীহে ঠিক।

তৃতীয় কণা—তেনেহলে সেইবিলাক ইয়ালৈকো আহিব!

প্ৰথম কণা—বতাহ নো কৰ পৰা আহে অ'?

দ্বিতীয় কণা—সাগৰৰ পৰা।

সকলোতকৈ বুঢ়া কণা—বতাহ সদায় সাগৰৰ পৰা বলে; আমাক সাগৰে বেৰি আছে যেতিয়া তাৰ পৰা নাহি আৰু কৰ পৰা আহিব?.........................

প্ৰথম কণা—সাগৰৰ কথা আৰু নেপাতিবিহঁক!

দ্বিতীয় কণা—কিন্তু আমাৰ গা পাৰতি খুজিছে যেতিয়া অলপ ভাবিব লাগিবতো!

প্ৰথম কণা—সেইখন যে সাগৰ তাক তো ঠিককৈ কব নোৱাৰ!

দ্বিতীয় কণা—মই তাৰ ঢৌবিলাকৰ শবদ শুনিছো নহয়! অলপতে মোৰ হাত দুখন তিতো-তিতোঁৱেই হৈছিল! আমি আৰু ইয়াত থাকিব নোৱাৰো! হয়তো পানীয়ে আমাক চাৰিউপিনে বেৰি আছে!

সকলোতকৈ বুঢ়া কণা—তেনে যাৱনো কলৈ?

দ্বিতীয় কণা—কেলেই লাগিছে কলৈ?—কেলেই?—তেতিয়া তেওঁ ঢৌৰ গোজৰণিখনৰ হাত সাৰিম; নাই, ৰ'লইক, যাওঁ ব'ল!

তৃতীয় কণা—হেৰ' তাৰ বাহিৰেও মই কিবা এটা শুনো যেন কৰিছো..............কাণপাতি শুনচোন!

[দূৰত শুকান পাতৰ ওপৰত পৰা ঘন ঘন খোজৰ শব্দ শুনা যায়]

প্ৰথম কণা—আমাৰ ফালে কিবা এটা আহিছে!

দ্বিতীয় কণা—সেয়া তেখেত আহিছে! তেখেত উভতি আহিছে!

তৃতীয় কণা - ইস্, তেখেতে সৰু ল'ৰা-ছোৱালীৰ নিচিনাকৈ ঘন ঘন টুপুক-টাপাক খোজ দিছে!..........

দ্বিতীয় কণা—তেখেতক আজি কোনেও ৰাম-টোৰা একোকে নকবিহক।

সকলোতকৈ বুঢ়ী কাণী—মোৰ মনেৰে সেইকেটা মানুহৰ খোজ নহয়!

[এটা ডাঙৰ কুকুৰ হাবি সোমায় আৰু সিহঁতৰ আগেদি যায়হি—নিৰৱ]

প্ৰথম কণা— কোন সেয়া—? —সেয়া কোন?—আমাক পুতো কৰক, (আপোনালৈকে) ইমান পৰ বাট চাই আছো! ........ [কুকুৰটো ৰয়; আকৌ উলটি গৈ কণা মানুহটোৰ আঁঠুত হাতোৰা কেটা থয়গৈ]—হ, হ, মোৰ আঁঠুত এইবিলাক আকৌ কি? ........ এইটো কিবা জন্তু নে কি? এইটো কুকুৰ হ'বলা! ........ আঃ আঃ, এইটো কুকুৰ! এইটো আমাৰ আশ্ৰমৰ কুকুৰটো!—উঠ! উঠ!— আহ! আহ!—সি আমাক নিবলৈ আহিছে! ঔচ্, ঔচ্—আহ! — আহ!

আনবিলাক কণা—আহ! আহ!

প্ৰথম কণা—সি আমাক ৰইথা কৰিবলৈ আহিছে! সি আমাৰ খোজ সুঙি সুঙি এইখিনি পালেহি! (সি) মোৰ হাতখন চেলেকিছে—সি যেন মোক শ শ বছৰৰ পিছতহে লগ পাইছে!—আহা! সি ৰঙতে হামিয়াইছে। শুনচোন, শুনচোন সি ৰঙতে (হামিয়াই হামিয়াই) মৰিব এতিয়া! শুনচোন।

আনবিলাক কণা—আহ! আহ! আহ!

সকলোতকৈ বুঢ়া কণা—সি কাৰোবাৰ আগে আগে ল'ৰি আহিছে হবলা ......

প্ৰথম কণা —নাই, নাই; সি অকল।—মই চলে আৰু একো অহা শুনা নাই। আমাক আৰু সহায় নেলাগে; ইয়াতকৈ কোন ভাল হব পাৰে! যলৈকে যাব খোজো সি তলৈকে লৈ যাব; সি আমাৰ কথা শুনিব........

সকলোতকৈ বুঢ়ী কাণী—মোৰ হলে তাৰ পিছে পিছে যোৱাত সন্দেহ—

গাভৰু কাণী—মোৰো।

প্ৰথম কণা—কিয়? সি আমাতকৈ ভালকৈহে দেখে।

দ্বিতীয় কণা—আমাৰ সেই মাইকীকেজনীৰ কথা শুশুনিবি!

তৃতীয় কণা—হেৰ' আকাশখনৰো কিবা এটা সলনি হল যেন লাগিছে। অনায়াসে উশাহ লব পাৰিছো দেখোন! বতাহবিলাকো বিশুদ্ধ.........

সকলোতকৈ বুঢ়ী কাণী—আ! এয়া আমাৰ চাৰিওকাষে সাগৰৰ মলয়া বতাহ বলিছে!

ষষ্ঠ কণা—মোৰ মনেৰে এতিয়া পোহৰ হব খুজিছে—বেলি ওলাব খুজিছে হবলা.........

সকলোতকৈ বুঢ়া কণা—মোৰ মনেৰে গধূলি হৈছে; লাহে লাহে জাৰ লাগি আহিছে.........

প্ৰথম কণা—আমি বাট (বিচাৰি) পাম। সি মোক চোৰচোৰকৰে চোচোৰাই আনিছে! সি আনন্দত উগলি পৰিছে! মই তাক ধৰি ৰখাবকে পৰা নাই!........ মোৰ পিছে পিছে আহইক! পিছে পিছে আহইক! আমি ঘৰলৈ যাওঁ! আহ!........

[সি উঠে, কুকুৰটোৱে তাক সাৰ-সুৰহীন সাধুজনৰ ওচৰলৈ চোচোৰাই লৈ যায়, আৰু ওচৰ পাই ৰয়গৈ]



আনবিলাক কণা—ক'ত অ, ক'ত? কলৈ গলি? চাবি, সাৱধান!

প্ৰথম কণা—ৰবি! ৰবি! এতিয়াই মোৰ পিছত নাহিবিহঁক; মই আকৌ ঘূৰি আহিম.........সি ইয়াতে ঠিয় হৈ ৰৈ আছে।—এইটো কি? অঁ।? অঁ।? মই কিবা বৰ চেচা বস্তু এটাত হাত দিলো।

দ্বিতীয় কণা—কি কৈছ? মই তোৰ মাতকে শুনা নাই।

প্ৰথম কণা—ছুলো........মুখ এখনত হাত দিলো হবলা!

তৃতীয় কণা—তই কৈছ কি?—তোৰ কথাকে বুজিব নোৱাৰি। তোৰ হৈছে কি?—ক'ত আছ?—এতিয়াই আমাৰপৰা ইমান আঁতৰ হলিনে?

প্ৰথম কণা—আইও বোপাই! এইটো কি মই এতিয়াও তত্ ধৰিব পৰা নাই........হেৰ, আমাৰ মাজতে এইটো মৰা মানুহ!

আনবিলাক কণা—আমাৰ মাজতে মৰা মানুহ? হেৰ তই কোনখিনিত? ক'ত আছ?

প্ৰথম কণা—মই সঁচাকৈ কৈছো, আমাৰ মাজতে মৰা শ এটা আছে! ঔ আই! মই মুখখনতে হাত দিছিলো! তহঁত মৰাশটোৰ পিছতে বহিছহঁক! আমাৰে কোনোবাটো হঠাৎ মৰিব পায়। চাওঁ, তহঁতে বাৰু কথা কচোন; মই উনুকিয়াও, কোন কোননো জীয়াই আছহঁক। ক'ত আছহঁক অ? মাকহঁত আটাইবোৰে একেলগে মাত হঁক!

[পাগলী কাণীজনী আৰু কলা কণা মানুহটোত বাজে সকলোৱে উত্তৰ দিয়ে; মাইকী তিনজনীয়ে প্ৰাৰ্থনা কৰিবলৈ এৰে]

প্ৰথম কণা—মই তহঁতৰ মাতবিলাক চিন ধৰিব নোৱৰা হলো!........আটাইবোৰে একেদৰে মাতিছহঁক দেখোন!........ইহঁত আটাইবিলাক কঁপিছে।

তৃতীয় কণা—উত্তৰ নিদিয়াৰ ভিতৰত দুটা থাকিল!... সিহঁত দুটা ক'ত?

[সি লাখুটিদালেৰে পঞ্চম কণাক ছোৱে]

পঞ্চম কণা—আহ্—মই শুনিছিলো;—শুই লওঁ ৰ!

ষষ্ঠ কণা—এইটো তো সি নহয়—— এইজনী পাগলীজনী নে কি?

সকলোতকৈ বুঢ়ী কাণী—তাই মোৰ পাছতে বহি আছে; মই শুনিছো—তাই জীয়াই আছে..............

প্ৰথম কণা—মোৰ মনেৰে...... মোৰ মনেৰ এয়া আমাৰ সাধুজনহে!........তেখেত ঠিয় হৈয়ে আছে!... আহইঁক। আহইঁক, আহ।

দ্বিতীয় কণা—ঠিয় হৈয়ে আছে?

তৃতীয় কণা—তেনে তেখেত মৰা নাই!

সকলোতকৈ বুঢ়া কণা—ক'ত অ? কত?

ষষ্ঠ কণা—আহ চাহি!

[পঞ্চম কণা আৰু পাগলী কাণীজনীত বাজে বাকী সকলোৱে খপিয়াই খপিয়াই মৰা শটোৰ ফালে যায়]

দ্বিতীয় কণা—তেখেত এইখিনিত নে? এইখিনিত নে?

তৃতীয় কণা—হে প্ৰভু, হে ঈশ্বৰ! আমাৰ কি দশা হব?

সকলোতকৈ বুঢ়ী কাণী—গুৰুদেউ! গুৰুদেউ! এয়া আপুনি নে? গুৰুদেউ কি হল? আপোনাৰ কি হল? কক, আমাক ককচোন! আমি সকলো আপোনাৰ কাষ চাপিছোহি, কক! হায়! হায়!

সকলোতকৈ বুঢ়া কণা—হেৰ' পানী অলপ আনহঁকচোন!—এতিয়াও বোধহয় ধাতু আছে........

দ্বিতীয় কণা—চেষ্টা কৰি চাওঁহক ধৰ!........ আমাক কিজানি আশ্ৰমলৈ নিব পাৰেই........

তৃতীয় কণা—নাই, মিছা! সকলো অনৰ্থক! ক'তা, তেখেতৰ বুকৰ ঢপঢপনি নায়েই........শিল-যেন-চেচা হল!

প্ৰথম কণা—কথা এষাৰো নোহোৱাকৈ মৰিল।

তৃতীয় কণা—এবা, অন্ততঃ তেওঁ আমাক কোৱা (খবৰ দিয়া) উচিত আছিল!

দ্বিতীয় কণা—আই ঐ দেহি! কিমান বুঢ়া হলহি!... আজিহে তেওঁৰ মুখখন ছুইছো........

তৃতীয় কণা—[মৰা-শটো হাত ফুৰাই চায়] তেখেত আমাতকৈ দীঘল ডাঙৰ আছিল।.........

দ্বিতীয় কণা—চকুকেটা মেল খায়েই থাকিল ; হাত-যোৰকৈকে মৰিল ।.........

প্ৰথম কণা—তেখেত অকাৰণতে এইদৰে মৰিল......

দ্বিতীয় কণা—ঠিয় হৈ থকা নাই, শিল এটাৰ ওপ-ৰত বহি আছে... .. ..

সকলোতকৈ বুঢ়ী কাণী—হে প্ৰভু, হে ঈশ্বৰ ! এই বিলাকতো মই একোকে নেজানিলো—একোকে.........তেওঁ ইমান দিন নৰীয়াত পৰি আছিল.........দেহি, আজি চাগৈ বৰ কষ্ট পালে ! হায়, হায় ! ইস, ইস ! তেওঁৰ বেমাৰ বুলি আমাক কেতিয়াওতো কথা একাষাৰকে নকলে !.........আমাৰ হাতকেখন মাথোন ধৰিছিল...... তাতেনো বাক আমি জানো কেনেকৈ ?.........কোনে নো বাক জানিব ?...হেৰ আঠু কাঢ়ইক, আমি (তেখেতৰ চাৰিওফালে) আঠুকাঢ়ি প্ৰাৰ্থনা কৰোহঁক,......আঠুকাঢ়-হঁক.........

[ মাইকীকেজনীয়ে বেজাৰেৰে আঠুকাঢ়ে ]

প্ৰথম কণা—মোৰ আঠু কাঢ়িবৰ সাহ নহয়.........

দ্বিতীয় কণা—কিহৰ ওপৰত আঠুকাঢ়ো কোনে জানে...........

তৃতীয় কণা—তেখেতৰ বেমাৰ-তেজাৰ হৈছিল নে কি ?.........ক'তা, আমাক তো কেতিয়াও নকলে.........

দ্বিতীয় কণা—যাবৰ সময়ত কিবা এটা ফুচফুচোৱা মই শুনিছিলো ........বোধকৰো আমাৰ ভনী পাভকৰ আগত কিবা কৈছিল ; কি কৈছিলে হেঁ ?

প্ৰথম কণা—তাই তো এতিয়া নেমাতে !

দ্বিতীয় কণা—তই আৰু আমাৰ কথাৰ উত্তৰ নিদিয় ! আছ নো ক'ত বাৰু মাতচোন !—মাত !

সকলোতকৈ বুঢ়ী কাণী—তহঁতে তেখেতক বৰ কষ্ট দিলি ; কলৰৱ-ৰূপৰ কৰিলি—তহঁতেই তেখেতক মাৰিলি... আৰু নেযাব ; ( ঠেঁহ পাতিবি )—আলিৰ দাতিৰ শিলৰ ওপৰতে বহি বহি থাবলৈ বিচাৰিবি— দিনৰ দিনটো ভোৰভোৰাই থাকিবিহঁক !........দেহি তেওঁ বেজাৰত হুমুনিয়াহ পেলোৱা মই শুনিছিলো কি-কৰিব কি-নকৰিব তেখেতৰ উপায় বুদ্ধি হৈৰাল.........বিয়োৰত পৰিল...

( আগলৈ )

---

# হাকিমী দিনৰ কথা

মই এম,এ, বি,এল, পাছ কৰি গুৱাহাটীত দুবছৰ ওকা-লতি কৰাৰ পাছত বুজিলো যদিও মই আইন আৰু আৰ্টছত য়ুনিভাৰ্ছিটিত সৰ্ব্বোচ্চস্থান অধিকাৰ কৰি-ছিলো, সেয়ে মোক হাকিমৰ কাম নিদিয়ে । হাকিমৰ কামৰ বাবে যে খুব ইচ্ছা আছিল এনে নহয় ! ঘৰত কিন্তু সকলোৰে ইচ্ছা মই হাকিমৰ কাম যেনে-তেনে লবই লাগিব । বিশেষকৈ মোৰ আয়ে চিঠিখনেপতি মোলৈ লিখি সোধে, মই কেতিয়াকৈ হাকিম হম । আইক কত ৰকমে বুজালো, আয়ে নুবুজে । আয়ে কয়,— "চাচোন বোপাই ! বঙ্গাৰ দিনত আমাৰ ঘৰ মানুহ কম আছিল নে ? ঘৰত ৪০০।৫০০ বেটী-বন্দীয়ে কাম কৰিছিল ; তথাপি আপুনি-হোৱা বকৱা লৰা এটাই হাকিম হৈয়ে সিবাৰ থিয়েটাৰ চাবলৈ যাওঁতে আমাক কম অপমান দিলে নে ? নগৰৰ মানুহেও হাকিম বুলি তেওঁৰ কথাহে শুনিলে, মোলৈ কাণকে নিদিলে ! যি মোৰ আগত এতিয়াও পাটী-ধৰাত বহিব নোৱাৰে, সেইবোৰক মোৰ আগত বহুৱাই কত অপমান দিলে ! সেই অপমান আজিও মই পাহৰা নাই ! এতেকে, বোপাই, তই হাকিম হবই লাগিব !"

মযো দেখিলো, অন্ততঃ আইক সন্তোষ দিবলৈকে মই হাকিম হবলগীয়া হল । এই ভাবি এদিন কমিশ্যনাৰ চাহাবক পুৱা দেখা কৰিবলৈ গলো । কমিশ্যনাৰ চাহাবৰ লগত বাৰে-ভচহ কথা পাতি থাকোতে কথাৰ মাজতে কলো, "সুবিধা পালে মই হাকিমৰ কাম লবলৈও সাজু আছো ।"

কমিশ্যনাৰ চাহাবে বৰ অসন্তুষ্ট কথা এটা শুনাৰ দৰে মোৰ চকুলৈ তধালাগি চাই অলপ সময় ৰল, অলপ পাছতে মিচিকাই হাঁহি মোক কলে,—"ফুকন ! কথাটো শুনি মই বৰ দুখ পালো । আপোনাক হাকিমী কাম দিব পৰা হলে সুখী হলোহেতেন ; কিন্তু এটা কথা, এই বছৰতে মাথোন আমি তিনিজন হাকিম লম । সেই তিনিজন জয়েজয়ে ডাঙৰ মানুহৰ লৰাকে লব লাগিব, আৰু সেই তিনিজন একৰকম ঠিকো হৈ আছে ; প্ৰথমজন ৰায়বাহাদুৰ বৰাৰ পুতেক, দ্বিতীয়জন ৰায়চাহাব গগৈৰ জোঁৱায়েক, তৃতীয়জন আমাৰ বৰ্ত্তমান তেজপুৰৰ হাকিম মিঃ শইকীয়াৰ ভাতিজাক । আপুনি বোধকৰো জানে হাকিমৰ কামকিটা দিওঁতে আমি ডাঙৰ মানুহৰ লৰা পালে আনক নিদিওঁ । এই ছলতে কব খোজো, আপোনালোকৰ বহুত লৰাই আজিকালি বি,এ, পাছ কৰিছে ; সিহঁতক এজুকেশ্যন ডিপাৰ্টমেণ্ট আৰু মিনিষ্টেৰিয়েল ডিপাৰ্টমেণ্টত দিব পাৰি । আমি অসমীয়া পালে, কেতি-য়াও আন মানুহক চাকৰি নিদিওঁ ।" কমিশ্যনাৰৰ কথাৰ সুৰ বুজি উত্তৰত কলো, "আপুনি তেন্তে এতিয়াও অসমৰ মানুহবিলাক চিনিবলৈ বহুত বাকী ; আশাকৰো আপুনি সোনকালে কোন ভাল কোন বেয়া চিনিব পাৰিব ।" এই বুলি চাহাবৰ পৰা বিদায় লৈ বঙলাৰ পৰা নামিলো ।

( ২ )

চাহাবৰ কথাষাৰ মোৰ মনত বৰকৈ লাগি গল ! উস ! বোলে "যি নেপায় চৰণৰ ধূলি ; সি মাতিছে কুকুৰ-পো বুলি ।" অথচ মুখেৰে কৈছে, ভাল মানুহৰ লৰাক কাম দিছো ! ক'তা, প্ৰকৃততে ভাল মানুহৰ লৰা কেইটা হাকিম হৈছে ? আনফালে চালেও, বিদ্যা-বুদ্ধিত যি চোকা বুলি প্ৰমাণ দিছে সিহঁতৰ তো বহুতে কাম পোৱা নাই ! চাহাবিলাকৰ মানত যেয়ে দিনে-ৰাতিয়ে তেল ঘহিব পাৰে সেয়ে ডাঙৰ মানুহ হবলা ! ই কথাই কথা নহয়, যেনে-তেনে এনে এটা নিয়ম কৰিব লাগে যাতে বিদ্যা-বুদ্ধিত যিবিলাক লৰা বিশেষৰূপে চোকা সেইবিলাকেও হাকিমৰ নিচিনা ডাঙৰ কামবিলাক পায় ; তেতিয়া আৰু এনে বেমেজালি নহব । যি নিজৰ প্ৰতিভাৰ বলত ডাঙৰ হব পাৰে হওক ; সেইবুলি ডাঙৰ মানুহৰ লৰাক কাম দিছো বুলি এটা ভেকো-ভাৱনা হৈ থকা অনুচিত ।

বহুত ভাবিলো, বহুত চিন্তিলো ; অথচ হাকিম হোৱাৰ উপায় আৰু নেপালো । কিন্তু হাকিম হবই লাগিব, আইৰ আদেশ ।

এনেতে হঠাৎ যোৰহাটৰ হাকিম ৰায়বাহাদুৰ দত্ত ডাঙৰীয়াই তেওঁৰ ছোৱালীটী মোলৈ বিয়া দিয়াৰ সম্বন্ধে এখন চিঠি লিখিলে । মযো ভাবিলো, এয়ে সোণালী সুযোগ । ৰায়বাহাদুৰ দত্ত হাকিমৰ ছোৱালী আনিলে মোৰ হাতৰ পৰা আৰু হাকিমী কাম কোনে নিব পাৰে ? সোধ-পোচ নাই, ততালিকে উত্তৰ দিলো —মই সম্পূৰ্ণ-ৰূপে সন্মত । আয়ে কিন্তু বা বিষয় নোহোৱা সাধাৰণ মানুহৰ ছোৱালী আনিব খোজাত দেও দি উঠিছিল । মই কোনোমতে আইক বুজালো—আজিকালি তেওঁবিলা-কহে ডাঙৰ মানুহ, বাকীবোৰ নহয় ।

শুভদিন এটাত মোৰ বিয়া হল । যিদৰে ভাবিছিলো সেইদৰেই, পিছ বছৰতে শহুৰ ৰায়বাহাদুৰ দত্তৰ চিঠি এখন নি কমিশ্যনাৰ চাহাবক দিয়াত, বিনা-কৈফিয়তে মোৰ হাকিমী কাম পাবলৈ হল । ছিলেকশ্যন কমিটিয়েও কমিশ্যনাৰ চাহাবে যি কলে, তাতে "হয়" হে দিলে ; "না" বুলিবলৈ তেওঁবিলাকৰ সাধ্য নহল ।

আঠ বছৰমান হাকিমী কাম কৰি আসামৰ কেউখন জিলা ঘুৰাৰ পাছত নগাওঁত ছিনীয়ৰ হাকিম স্বৰূপে বহি-লোহি ।

আইৰ আদেশত যদিও এই আঠ-বছৰ হাকিমী কাম কৰিলো, লাহে লাহে কিন্তু এতিয়া মোৰ হাকিমী কামলৈ অনিচ্ছা হৈ আহিবলৈ ধৰিলে । প্ৰথম কাৰণ, যেই সেই কাৰণে ডিপুটী কমিশ্যনাৰৰ হুকুম অনিচ্ছাস্বত্বেও পালন

কৰিবলগীয়া হোৱা ; দ্বিতীয় কাৰণ, অফিছৰ কেৰাণী-বিলাকে কোনো কাম ভুল কৰি হাকিমৰ গাত বাগি দি হাকিমক ওপৰৱালাৰ ৰঙা ৰঙা চকু দেখুউৱা। মুঠতে, বহুত সময়ত মোৰ হাকিমৰ অৱস্থা "মাছো নহয়, মঙহো নহয়,— কাচ।" নাইবা নাকি-লগোৱা ম'হ। এফালে টানে ওপৰ-ৱালাই, আনফালে টানে কেৰাণীয়ে ; ইত্যাদি কাৰণত হাকিমৰ কামটোলৈ মোৰ বিৰাগ হবলৈ ধৰিলে।

এনেতে "কুজৰ মুৰত কিল" পৰিলহি। আমাৰ দেশলৈ ন-কৈ অহা মৈমনসিঙীয়া আৰু গাঁৱলীয়া মানুহৰ এখন মোকৰ্দ্দমা মোৰ ফাইলত পৰিলহি।

মোকৰ্দ্দমাটো আছিল এনে ;—বছেৰেকমানৰ আগতে কলঙ নৈৰ উজনীত এডোখৰ ছৰকাৰী মাটিত দহদৰমান বাৰে-ঠাই-বাগৰা মৈমনসিঙীয়া মানুহ বহিলহি। তাৰ অলপ ওচৰতে এখন বামুণ-কলিতাৰ গাঁও। সেই গাৱঁৰে বামুণ এজনৰ লগত মৈমনসিঙীয়া এটাই মিতিৰালি কৰি টকাত দুঅনা হিছাপে সুদ দিবলৈ টকা ধাৰে নি কাৰবাৰ কৰিবলৈ ধৰিলে। বামুণেও সুদ সৰহকৈ পাই মৈমনসিঙীয়াৰ লগত ঘনিষ্ট কাৰবাৰ কৰিবলৈ আৰম্ভ কৰিলে। এইদৰে কিছুদিন যোৱাৰ পাছত যোৱা ফাগুনত বামুণৰ একমাত্ৰ কন্যা সাদৰীৰ শান্তি-বিয়া পাতিলে। দৰাৰ ঘৰ বামুণৰ ঘৰৰ পৰা সাত মাইলমান দূৰৈত। দৰাই যেতিয়া শান্তি লৈ দোলাত ছোৱালী লৈ যায়, তেতিয়া দৰা-ছোৱালী বামুণৰ ঘৰৰ পৰা আধামাইল মান আহোতে হঠাৎ পুলৰ তলত লুকাই থকাৰ পৰা ৩।৪ টামান মৈমনসিঙীয়া ওলাই দোলাৰ পৰা ছোৱালীজনী উলিয়াই লৈ বিদ্যাপবেগে পলাবলৈ ধৰিলে। দৰাৰ লগত থকা ২০।২৫ টা ডেকা মানুহে হাতে হাতে একোডাল বাঁহ লৈ সিহঁতক খেদি গলত, সিহঁতে উলটি থু-থু কৰি খেদি আহিল। মৈমনসিঙীয়াৰ থু গাত পৰি জাত যায় বুলি পৰম-পবিত্ৰ হিন্দু ডেকাজাক পলাই পত্ৰং দিলে। সিপিনে ১৪ বছৰীয়া বামুণী ছোৱালীজনীক মৈমনসিঙীয়াই লৈ গল। হিন্দু ডেকা-জাকে দৰাৰ লৈতে আহি জিলাত দৰখাস্ত কৰি আপত্তি জনালেহি,— সিহঁতৰ ছোৱালী তো মুছলমানে জাত মাৰি-লেই, এতিয়া ছোৱালীৰ দাম দুহেজাৰ আৰু বিয়াৰ খৰচ এহেজাৰ সিহঁতে পাব লাগে। বৰছাহাবে জানিবা ছোৱালীজনীৰ ওপৰত এনে অত্যাচাৰ হোৱা শুনি দৰ্খাস্ত-খন পুলিছলৈ দি লিখিলে—ছোৱালীজনী উদ্ধাৰ কৰিব লাগে। তথাপি দৰাটোৱে কয়,—"জাত যোৱা ছোৱালী মোক নেলাগে ; টকাহে লাগে।" পৰমপবিত্ৰ উদাৰ হিন্দু ধৰ্ম্মৰ আজি ইমান অধঃপতন !!

পুলিছে ছোৱালীজনী বামুণৰ লগত টকাৰ কাৰবাৰ কৰা মৈমনসিঙীয়া আব্দুলৰ ঘৰৰ পৰা উদ্ধাৰ কৰি মোক-দ্দমা চালান দিলে। মোকদ্দমাটো পৰিলহি মোৰ ফাইলত। এনেতে মোকদ্দমাৰ শোধ চলি থাকোতেই খিলঞ্জ ওপৰ থাপত ছৰকাৰী কাম কৰা এজন বিদ্বান মুছলমান ভদ্ৰ-লোকে মোলৈ এখন ভিতৰুৱা চিঠি দিলে। চিঠিৰ এক অংশত মোলৈ এইদৰে লিখিছিল, "আপুনি হিন্দু হাকিম হৈ হিন্দু-মুছলমানৰ কাজিয়াৰ মোকদ্দমা শুধিছে ; বিশেষকৈ জাতি আৰু ধৰ্ম্ম সমন্ধীয়। আপুনি মোকৰ্দ্দমা সোধোতে মনত কৰিব, মৈমনসিঙীয়াবিলাক আমাৰেই ধৰ্ম্মভাই। আজিকালি হিন্দু-মুছলমান এক হোৱাৰ দিনত এই মোক-দ্দমাৰ ফলাফলত যেন আমি মনত দুখ নেপাওঁ—" ইত্যাদি।

মোলবী ছাহাবৰ চিঠিখন পাই মই নেহাঁহি নোৱাৰিলো ! তত্তালিকে "বাৰ"ৰ বি,এল, উকিল মিঃ আলিক মতাই আনি চিঠিখন পঢ়িবলৈ দিলো। মিঃ আলিয়ে চিঠিখন পঢ়ি মোক কলে— "হুকন ! আপুনি আইনমতে মোকদ্দমাৰ ৰায় দিব। মই মুছলমান হলেও জাতিত অসমীয়া। দুৰাচাৰ মৈমনসিঙীয়াই আমাৰ অসমীয়া ছোৱালীৰ ওপৰত অত্যাচাৰ কৰাৰ বাবে উপযুক্ত শাস্তি পাব লাগে—" ইত্যাদি ইত্যাদি।

দেৰমাহমানৰ মুৰত মোকৰ্দ্দমাখনৰ ৰায় দিলো। মোক-দ্দমাৰ ৰায়ত সিহঁতে কম বয়সীয়া অসমীয়া ছোৱালীৰ ওপৰত অত্যাচাৰ কৰিছে বুলি "চেঞ্জন"লৈ পঠিৱা হল আৰু ৰায়ৰ লগতে লিখি দিলো যে মোকৰ্দ্দমাৰ বিচাৰত মৈমনসিঙীয়াই ছোৱালীৰ ওপৰত অত্যাচৰ কৰাৰ উপৰিও পোৱা গল, সিহঁতে গৰু কাটি ওচৰৰ হিন্দু গাওঁবিলাকৰ নামঘৰ আদিত গৰুৰ হাড়-মুৰ আদি পেলাই দি অত্যাচাৰ কৰে। সিহঁতৰ অত্যাচাৰত উপায় নেপাই বহুত মানুহে নিজৰ কৌটি-কলীয়া ঘৰ-বাৰী এৰি দূৰ-দূৰণিলৈ উঠি যাব লগা হৈছে। ইয়াৰ উপৰিও, মৈমনসিঙীয়াই আমাৰ দেশৰ মাটি যেনেকৈ লবলৈ ধৰিছেহি, ইয়াৰ ফলত কিছুমানি আৰু ৩০।৪০ বছৰৰ পাছত আসামত মাটি নাইকিয়া হব, আৰু মাটিৰ অভাৱত অসমীয়াই চাহ-বাগিচাত কোৰমাৰিও ভাত পাবলৈ টান হব। ইত্যাদি কাৰণত যেন ছৰকাৰে মৈমনসিঙীয়াক আমাৰ দেশলৈ অহাটো বন্ধ কৰে, আৰু যি মৈমন-সিঙীয়া আমাৰ দেশলৈ আহিল, সিহঁতৰ ওপৰত ভাল ছৰকাৰী বিষয়া দি সিহঁতক অসমীয়া শিক্ষাত শিক্ষিত কৰি অসমীয়া কৰি তোলক। এয়ে নহলে, এতিয়া তেজপুৰ, মঙ্গলদৈ, নগাওঁত যি ধৰণৰ মোকৰ্দ্দমা আৰম্ভ হৈছে, ইয়াৰ ফলাফলৰ পৰা ভৱিষ্যতে বহুতো অমঙ্গল হোৱাৰ সম্ভৱ।'

এই মোকৰ্দ্দমাখন হোৱাৰ দুমাহমানৰ পিছত কমিশ্যনাৰ ছাহাবৰ অফিছৰপৰা এখন কাকত মোৰ হাতত পৰিলহি। তাত কমিশ্যনাৰে মোক সুধিছিল যে উক্ত মোকৰ্দ্দমাত মই হিন্দু হৈ হিন্দুৰ ফালে টানি আসামৰ মুছলমানসকলৰ স্বাৰ্থত অযথা অন্যায় কৰিছো। ইয়াৰ ভাল কৈফিয়ৎ দিব নোৱাৰিলে মোৰ দণ্ড হব, ইত্যাদি।

আগেয়ে উল্লেখ কৰি আহিছো, হাকিমী কামলৈ মোৰ বহুতো বিৰাগ হৈ আহিছে ; তাতে এই চিঠিখন আহি জানিবা মোৰ কটা ঘাতহে চেঙা তেল পৰিল। কথা নাই, বতৰা নাই,—তত্তালিকে হাকিমী কামৰ ইস্তফা এখন লিখি পঠাই দিলো।

বাইজ ! সেই কাৰণেহে কৈছো, মোৰ কুজৰ মুৰত জানিবা এই মোকৰ্দ্দমাখন কিল পৰিলহি। আজি আঠ বছৰৰ মুৰত মই আজি আকৌ গুৱাহাটীৰ "বা'ৰ"ত উকিল।

শ্ৰীনৰেশচন্দ্ৰ ভূঞা

---

# মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ

## সপ্তম আধ্যা

### মণিপুৰীয়াৰ কৃতজ্ঞতা

এইদৰে স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ মহাৰাজৰ দিনত অসমৰ সমৃদ্ধিৰ কালত মণিপুৰৰ ৰজা জয়সিংহই অসমৰ সৈন্যৰ সাহায্যত মানক স্বদেশৰপৰা খেদাবলৈ সক্ষম কৰিছিল। কিন্তু কালৰ গৰ্ভত কি অভিসন্ধি লুকাই আছে তাক পথালিচকুৱা নৰমনিষে ধৰিব নোৱাৰে। ৰাজেশ্বৰসিংহৰ দিনত অসমীয়া সৈন্যৰ প্ৰকাৰান্তৰ সহায়েৰে মণিপুৰত জয়-সিংহ ৰজা সংস্থাপিত হোৱাৰ একুৰি বছৰ পাছত অসমৰ ভাগ্যআকাশত মোৱামৰীয়া বিদ্ৰোহৰূপী ৰাহুৰ পুনৰ আবিৰ্ভাব হোৱাত দেশ ছাৰখাৰ হবলৈ ধৰিলে। পূৰ্ব্ব মিত্ৰ—হেনজানি অসমৰ স্বৰ্গদেৱ গৌৰীনাথসিংহ মহাৰাজে মণিপুৰৰ ৰজা জয়সিংহৰ ওচৰত সহায় মাগিলে। সেই অৰ্থে ১৭০৮ শকৰ ফাগুন মাহত ৰজাদেৱে বাহবৰীয়াৰ কটকী বিষ্ণুৰামক পত্ৰসন্দেশ দি মণিপুৰীয়া ৰজাৰ ঠাইলৈ পঠালে, আৰু মুখ-জেৱানে জয়সিংহ ৰজাক এইদৰে কবলৈ ধৰিলে,— "আমাৰ দেশত মোৱামৰীয়াই বিদ্ৰোহ কৰিছে। পূৰ্ব্বৰ প্ৰীতিলৈ চাই মণিপুৰৰ ৰজা আহিব আৰু কিছু যোদ্ধা মানুহকো আনিব।"

### মৰাণৰ যুদ্ধ-প্ৰণালী

ইয়াৰ পিছত উজনী-নামনীৰ নানান ঠাইত আমাৰ সেনাৰে সৈতে মোৱামৰীয়াৰ ৰণ লাগিল। মোৱামৰীয়াৰ শিষ্য দেশজুৰি আছে, সিহঁতে ক'ৰপৰা কেতিয়া আহি ৰণ কৰে তাৰ একো স্থিৰতা নোহোৱাত আমাৰ সৈন্যই যুদ্ধৰ একো সুচল নাপালে। সম্মুখ সমৰত আমাৰ অস-মীয়া সৈন্য অগ্ৰগণী, সেইদৰে সুচলমতে ৰণ কৰিবলৈ হলে শত্ৰুৰ গতি-বিধিৰ সন্ধান পাব লাগে, কিন্তু মোৱা-মৰীয়া মহন্ত শিষ্য দেশত ক'ত ক'ত আছে আৰু সিহঁতে ক'ত জুম বান্ধি আমাৰ সৈন্যৰ কাৰণে টোকোন জাঠি

লৈ থাপ দি আছে ইয়াৰ সন্তেদ পায় কোনে? মোৱামৰীয়াৰ শিষ্য-সম্প্ৰদায়ৰ আলেখলেখ গতিবিধি সন্তেদ লোৱাত আমাৰ সুচতুৰ অসমীয়া চোৰাংচোৱাবোৰ বিফল-মনোৰথ হল। তাৰ উপৰিও দেশ লণ্ড-ভণ্ড কৰি ৰাইজৰ বস্ত্ৰ-বাহানি লুৰিবৰ সুবিধা হব বুলি বহুত নতুন মানুহ মোৱামৰীয়াৰ শিষ্যশ্ৰেণীত ভুক্ত হল। শত্ৰু-সেনাৰ সংখ্যা আৰু গতিবিধিৰ একো উৱাদিহ বুজ নেপাই আমাৰ সেনা বিমোৰত পৰিল। মোৱামৰীয়াৰ উৎপাতত তিষ্ঠিব নোৱাৰি স্বৰ্গদেৱ গৌৰীনাথ সিংহ উজনী এৰি গুৱাহাটীৰ বাহৰলৈ গল। মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়া, নামতিয়ালৰ বৰবৰুৱা, সন্দিকৈৰ পানীফুকন আৰু ঢেকিয়াল ফুকনৰ লগত যোৱা সকলো ফৌজ কলিয়াবৰত লগ লাগিল, তাৰে পৰা আটাইখিনি সৈন্য স্বৰ্গদেৱ থকা ঠাইলৈ যাব খুজিলে। এই চাৰিজনা সেনাপতিয়ে দেশৰ দুৰবস্থাৰ কথা আলচ কৰিবলৈ বহিল। বৰবৰুৱাই কলে,—“আমাৰ এই কাঁড়ী বাকৰতীয়েৰেই স্বৰ্গদেৱে যুদ্ধ কৰি অনেকবাৰ বঙালক জিনিছে, তথাপি এই কাঁড়ী বাকৰতিয়ে মোৱামৰীয়াক দেখিলে মাত্ৰকে পৰাঙ্মুখ হৈ বিভঙ্গে পলায়। ঈশ্বৰ-ঈশ্বৰীৰ ইচ্ছাতে এইৰূপ হল, এতেকে কালচক্ৰ বলৱন্ত বটে, বুজন নাযায়।”

তাৰ পাছত মোৱামৰীয়াৰ লৈতে যুদ্ধ-বিগ্ৰহাদিত আমাৰ বহু মানুহ হানি হল, দেশত পয়মাল লাগিল। কিন্তু ধন্য পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়া!—“সেইবেলা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই পক্ষীয়ে যেনেকৈ শিশুটিক পখাৰে আৱৰে, সেইৰূপে ডাঙৰীয়াই দেশখন ৰক্ষা কৰিছিল।”

## অসমত মণিপুৰীয়া ধৰ্ম্মাধি

গৌৰীনাথসিংহ স্বৰ্গদেৱৰ অনুৰোধমতে মণিপুৰীয়া বুঢ়াৰজা জয়সিংহ স্বদেশৰ নানান কাৰ্য্যত লিপ্ত থকাত নিজে অসমলৈ আহিব নোৱাৰিলে। ১৭০৯ শকত জয়সিংহ ৰজাৰ কথামতে ৰজাৰ গুৰু ধৰ্ম্মাধি, গৌৰাঙ্গ, খগেন্দ্ৰ আৰু অভিমন্যু, এই তিনি কটকীৰ লৈতে সৈনা-সামন্ত লৈ আহি ৰজাৰ চকিত থাকি স্বৰ্গদেৱৰ গুৱাহাটীৰ বাহৰলৈ খবৰ দি পঠিয়ালে। তিনিজনা মণিপুৰীয়া কটকীয়ে ৰজাৰ চকিত ধৰ্ম্মাধিক লৈ নামতিয়ালৰ বৰবৰুৱাই তেওঁলোকক ধাৰণ'মতে তুলিলে। পাছে স্বৰ্গদেৱে আজ্ঞা কৰিলে,—মণিপুৰীয়া ৰজাই আমাৰ শত্ৰু মোৱামৰীয়াক ৰণ কৰিবলৈ ইহঁতক পঠিয়াইছে, ইহঁতে ধৰ্ম্মাধি সহিতে উজাই গৈ দিচৈত মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগ লৈ ৰণ কৰক।”

পাছে মণিপুৰীয়া কটকীয়ে কলে,—“আমাৰ মণিপুৰীয়া ৰজাই আমাক এইৰূপে শিকাই পঠিয়াইছে বোলে তহঁতে স্বৰ্গদেৱলৈ জনাই বৰবৰুৱাৰ লগে প্ৰবৰ্ত্তি ৰণ কৰিবি।” আমাৰ কটকীয়ে ৰহালৈ আহি ধৰ্ম্মাধিক সকলো কলেহি। ধৰ্ম্মাধি গুৱাহাটীলৈ গল, স্বৰ্গদেৱৰ আজ্ঞামতে জয়নাথ বৰবৰুৱাই শুক্ৰেশ্বৰত পূৰ্ব্বপ্ৰথামতে ধাৰণে তুলিলে। গুৱাহাটীৰ বৰফুকনক অন্য বিষয়াই কটকী বুলিবৰ হলে ব্ৰহ্মপুত্ৰৰ দাঁতিত শুক্ৰেশ্বৰৰ এই ওখ ঠাইখনিতে সভামণ্ডপ পাতি চন্দ্ৰোৱাৰ তৰি, কটকী তোলাৰ নিয়ম আছিল। ১৭০৮ শকৰ বহাগ মাহত থাচীয়া পাহাৰৰ খৈৰামী কটকী মণুৰাই নৰলৈং আদিক এই শুক্ৰেশ্বৰতে মহা পম্মোভৰেৰে তোলা হৈছিল। মণিপুৰৰ ধৰ্ম্মাধিক স্বৰ্গদেৱে নিজে নীলাচল পৰ্ব্বতত তুলিলে।

স্বৰ্গদেৱৰ আজ্ঞামতে হাতীবৰুৱাৰ ঘৰৰ নিবুকিয়াল ৰাজখোৱাক ন-ফুকন পাতি আৰু সন্দিকৈ ঘৰৰ তামুলী লিগিৰা গেন্ধেলাক ওপৰ-দৈয়ঙীয়া ৰাজখোৱা পাতি ধৰ্ম্মাধিৰ লগত দি উজনী ৰণলৈ পঠোৱা হল। ধৰ্ম্মাধি আৰু তেওঁৰ লগৰ মণিপুৰীয়া সৈনাবোৰক নানান ঠাইত মোৱামৰীয়াৰ লগত ৰণ কৰিলে; কিন্তু যুদ্ধবিদ্যাত অনিপুণ ধৰ্ম্মগুৰু ধৰ্ম্মাধিৰ যুদ্ধচালনাৰ পৰা আমাৰ বিশেষ লাভ নহল।

১৭১১ শকৰ কাতি মাহত গৌৰীনাথ সিংহ স্বৰ্গদেৱে গুৱাহাটীৰ বাহৰ এৰিলে। পাছত তাৰপৰা গৈ নগাঁৱত পোনতে হাঁহচৰা, পাছলৈ থুটাৰমুৰতে বাহৰ কৰি থাকিল। পিছৰ বাহৰৰপৰা স্বৰ্গদেৱে বাহৰৰিয়াত কটকী গৌৰী, নিৰহৰ বাণেশ্বৰ, আৰু গজপুৰীয়াৰ কৃষ্ণ হৰি এই তিনিক মণিপুৰীয়াৰ ৰজাৰ তালৈ পঠিয়ালে।



## মোৱামৰীয়া যুদ্ধত জয়সিংহ

১৭১২ শকৰ পুহমাহত চাৰিংৰাজাৰ মণিপুৰীয়া সৈন্যৰে লৈতে আমাৰ তিনি কটকীয়ে মণিপুৰীয়া বুঢ়াৰজা জয়সিংহক আনি থুটাৰমুৰ বাহৰৰ ওচৰতে ঘৰ কৰি দিলে। এদিন বকতীয়ালৰ জয়নাথ বৰবৰুৱাই জয়সিংহ ৰজাক কলে,—“স্বৰ্গদেৱে মণিপুৰৰ ৰজাক বুঢ়াগোহাঁই ডাঙৰীয়াৰে লগলাগি ৰণ কৰিবলৈ উজনীলৈ যাবলৈ কৈছে।” তাতে জয়সিংহ ৰজাই অসন্তোষ পাই কলে,—“স্বৰ্গদেৱৰ লগত দেখা-সম্ভাষা নোহোৱাকৈ মই কেনেকৈ উজনীলৈ যাম?”

বুঢ়াৰজা জয়সিংহই এইদৰে কোৱাতো আমাৰ স্বৰ্গদেৱৰ লগত তেওঁৰ দেখা-সাক্ষাতৰ কোনো ব্যৱস্থা কৰা নহল। ইয়াতে বেজাৰ-অসন্তোষ পাই জয়সিংহ ৰজাই চৰি মাৰি নগাঁও খাগৰীজানৰ ওপৰ হাঁতীপৰা পালেগৈ। তেতিয়া স্বৰ্গদেৱে অনুতাপ কৰি খাৰঘৰীয়াফুকন, তামুলীফুকন আৰু ঢেকিয়ালফুকন এই তিনিক পঠাই মণিপুৰীয়া ৰজাক ওভোটাই আনিলে। এইবাৰ জয়সিংহ ৰজা অসমলৈ আহোঁতে তেওঁৰ লগত তেওঁৰ পুতেক মধুচন্দ্ৰ যুৱৰাজো আহিছিল।

১৭১৩ শকত জয়সিংহ ৰজাই মধুচন্দ্ৰৰে লৈতে দিচৈৰ কোঠত থকা মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগ ললেগৈ। ডাঙৰীয়াই দিচৈৰ কোষতে ঘৰসজাই দি ৰজাক ৰোজ-বাজ দিলে, আৰু তেওঁৰ মন ভাল লগাবলৈ কোঠৰ ওচৰতে ডাঙৰ চৈৰ ঘৰ এটা কৰি সেই ঘৰতে ভেটি বন্ধাই ওপৰত ৰঙা চন্দ্ৰতাপ তৰি জয়সিংহ ৰজাক বহুৱালে। সেই সভাত মৰঙীখোৱাৰ বৰফুকন, নাওবৈছাফুকন, ন-ফুকন, নেওগফুকন, দুৱৰাৰ ন্যায়সোধা ফুকন এইসকলেও মৰ্য্যাদাৰ তাৰতম্যৰূপে বহিল। মণিপুৰীয়া ৰজাৰ লগত অহা মণিপুৰীয়া কটকী বেজীয়া আৰু কামদেউ সেই ঘৰতে ভেটিৰ ওপৰত চন্দ্ৰতাপ তৰি আঁৰকাপোৰ মেৰিয়াই বহিল।

বুঢ়াগোহাঁয়ে সুধিলে,—“মণিপুৰীয়া ৰজা, তুমি যেতিয়া মণিপুৰ ছাৰি আহাঁ, সেবেলা তোমাৰ দেশৰ গোব্ৰাহ্মণ, দেশস্থ প্ৰাণিসকল কুশলে আছিল নে?”

জয়সিংহ ৰজাই কলে,—“ঈশ্বৰ-ঈশ্বৰীৰ কৃপাত কুশলে আছে, আপুনি মঙ্গলে থাকিবা, আমাৰ এইহে ইচ্ছা।”

বুঢ়াগোহাঁই ডাঙৰীয়াই মণিপুৰীয়া ৰজাক বাটত কিমান কষ্ট পালে সুধিলে, ৰজাই সকলো কথা ভাঙি কলে। পাছে ডাঙৰীয়াই কলে,—“আমাৰ পূৰ্ব্বীয় স্বৰ্গদেৱ সকলে মণিপুৰৰ ওপৰ ৰজাবোৰৰ লৈতে মিত্ৰভাৱ হৈ গৈছে, সেই প্ৰীতিত থাকি স্বৰ্গদেৱে শত্ৰু-পৰাভৱত কটকী পঠাই ৰজাক জনাইছে। ৰজাযো শত্ৰু নষ্ট কৰিব পাৰিলে ৰজাৰ যশধৰ্ম্মকীৰ্ত্তি বাঢ়িব, আৰু পূৰ্ব্বপ্ৰীতিও অতিৰেক বৃদ্ধি পাব। যেহেতু—

> গজানাং পঙ্কমগ্নানাং গজ এৱ ধুৰন্ধৰঃ।
> সন্ত এৱ সতাং নিত্যং আপদুদ্ধাৰ হেতৱঃ॥

মণিপুৰীয়া ৰজাই কলে,—“মহামন্ত্ৰী ডাঙৰীয়া, স্বৰ্গদেৱৰ দেশ-বিভ্ৰাটৰ কথা তোমাৰ কটকীৰ মুখে শুনি বহু খেদ পাই নগাঁৱত স্বৰ্গদেৱৰ লৈতে দেখা-সম্ভাষা হলোঁ। তাতে স্বৰ্গদেৱে আজ্ঞা কৰিলে বোলে মণিপুৰীয়া ৰজাই উজাই গৈ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াৰে লৈতে মিলি আমাৰ শত্ৰু মোৱামৰীয়াক মাৰকগৈ। এইৰূপে স্বৰ্গদেৱৰ আজ্ঞাত আহি আমি ডাঙৰীয়াৰে লৈতে সম্প্ৰতি দেখা-সম্ভাষা হৈছোঁহি। এতেকে, ডাঙৰীয়া, আপুনি ব্যৱস্থা কৰি ৰণ কৰালেহে হব।”

পাছত বুঢ়াগোহাঁই ডাঙৰীয়াই ৰজাক সুধিলে,—“ৰজাৰ লগত যোদ্ধা সহিতে মানুহ কিমান আহিছে?” ৰজাই কলে,—“ঘোঁৰা সহিতে ৪০০ টা, হিলৈ সহিতে ৪০০ টা, আৰু ভাৰী বেগাৰী হব হেজাৰ দুই এক মান।”

ডাঙৰীয়াই এই কথাত সন্তুষ্ট হৈ ৰজাক বিদায় দি নিজ বহালৈ পঠালে। এই সভাত বুঢ়াগোহাঁই ডাঙৰীয়াই ৰজাক আৰু যুৱৰাজক সোণৰ খাৰু এযোৰকৈ, আৰু ৰাজযোগ্য বস্ত্ৰ-অলঙ্কাৰ, আহাৰৰ ব্যৱহাৰৰ কাৰণে সচুলিসৈতে ভোজনৰ সামগ্ৰী দিলে।

বুঢ়াগোহাঁয়ে টীয়ক নৈৰ ওচৰত দুটা কোঠ দিছিল। দিচৈৰপৰা ডাঙৰীয়াই মণিপুৰীয়া ৰজাৰেসৈতে টীয়কৰ কোঠলৈ গল। ৰংপুৰ নগৰ তেতিয়া মৰাণৰ হাতত আছিল, ডাঙৰীয়াই মৰঙীখোৱা ন-ফুকন আৰু সন্দিকৈৰ ওপৰ দৈয়ঙীয়া গেন্ধেলা ৰাজখোৱা আৰু মাজিউ দৈয়ঙীয়া ৰাজখোৱাক লগত দি মণিপুৰীয়া ৰজাক ৰংপুৰৰ ফালে

পঠিয়ালে। জয়সিংহ ৰজাই এই কথামতে মৰাণক খেদি নি গৌৰীসাগৰত থাকিলগৈ। ইয়াৰপৰা মধুচন্দ্ৰ যুৱৰাজে সৈন্য লৈ ৰংপুৰৰ ফালে গল, যুৱৰাজৰ পাছে পাছে বুঢ়া-ৰজাও গল। ঔগুৰিৰ চকি পাওঁতে ফন্দিকৰি আলিৰ দাতিয়ে দাতিয়ে লুকাই থকা মোৱামৰীয়াহঁতে বাঁহে-বাঁহে ওলাই আহি মণিপুৰীয়াৰ লগত ৰণ কৰিবলৈ ধৰিলে। মণিপুৰীয়াৰ সৈতে মৰাণৰ ভীষণ যুদ্ধ হল; উপায় নেপাই মগলু সেনা অনেকপোনে ভাগিল। জয়সিংহ ৰজাই চুইৰাজ নামে ঘোঁৰাত উঠি নিজেও প্ৰাণ টাকি মোৱা-মৰীয়াৰ লগত যুজিবলৈ ধৰিলে, মধুচন্দ্ৰই অসীম সাহেৰে যুদ্ধ কৰিছিল, কিন্তু যুদ্ধত তিষ্ঠিব নোৱাৰি মণিপুৰীয়া ৰজা আৰু সৈন্য হুঁহকি ভাগি আহিল। সেই ৰণত বিস্তৰ মণিপুৰীয়া মানুহ পৰিল। জয়সিংহ ৰজাৰ সৰ্ব্বস্ব লুটি মৰাণে নিলে। ৰজাই আহি টীয়কৰ বুঢ়াগোহাঁইৰ লগ ধৰি যুদ্ধৰ বৃত্তান্ত সকলো জনালে। পাছে ডাঙৰীয়াই ৰজাৰসৈতে হুঁহকি দিচৈৰ কোঠলৈ আহিল। জয়সিংহ ৰজাই এহেজাৰ মণিপুৰীয়া সৈন্য ডাঙৰীয়াৰ লগত থৈ দুই নৈৰ মুখে দেশলৈ গল।

বুঢ়াৰজা জয়সিংহ মণিপুৰলৈ উভটি যোৱাৰ পাছতো মৰাণ সৈন্যৰ সৈতে মণিপুৰীয়া সৈন্যৰ দিচৈৰ সিপাৰে ৰণ লাগিছিল। ইয়াতো মণিপুৰীয়া সৈন্য ৰব নোৱাৰি দুই নৈৰ মুখে নিজ দেশলৈ গুচি গল।

## জয়সিংহ ৰজাৰ কীৰ্ত্তি

১৭১৪ শকত অসমৰপৰা উভটি গৈ জয়সিংহ মহাৰাজে কোনো জেঙ্গা-জঞ্জাল নোহোৱাকৈ সুস্থিৰমতে মণিপুৰ ৰাজ্য চলাবলৈ ধৰিলে। এইজনা ৰজা বৰ ধৰ্ম্মপ্ৰাণ আৰু বিদ্যোৎ-সাহী আছিল। তেওঁৰ আদেশমতে ৰজাৰ ঘৰত ৰাধাকৃষ্ণৰ পূজাৰ অনুষ্ঠান হয়, আৰু পাঁচজন বিদগ্ধ মণিপুৰীয়া পণ্ডিতে 'চন্দ্ৰাঙ্ক' নামে এখন বৃহৎ জ্যোতিষৰ গ্ৰন্থ সঙ্কলন কৰে। জয়সিংহৰ দিনৰ পৰা মণিপুৰত মাধৱাচাৰ্য্যপন্থী বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচলন হয়, আৰু দেশময় ৰাধাগোবিন্দৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰি ৰজাদেৱে বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰে। জয়সিংহই ইম্ফালৰ সমীপৱৰ্ত্তী কাঞ্চিপুৰত কাবেঙ্গৰ চাৰিপাশে এটা ডাঙৰ খাল খানি প্ৰাসাদ ৰক্ষাৰ বন্দোবস্ত কৰি দিয়ে।

ৰজা নিজে বৰ সুপণ্ডিত আছিল, বুৰঞ্জী শাস্ত্ৰত তেওঁৰ বৰ ব্যুৎপত্তি আছিল। তেওঁৰ সৰলতা, উন্নত মন আৰু অমায়িকতাৰ গুণে জয়সিংহ ৰজাই অন্য ৰাজ্যৰ ভাল বস্তু, আচাৰ-ব্যৱহাৰ গ্ৰহণ কৰি নিজ দেশত তাক প্ৰচলন কৰাইছিল। অসমত পিয়ল কাৰ্য্য দেখি সৰ্ব্বপ্ৰথমে মণি-পুৰত পিয়লৰ প্ৰথা উলিয়ায়; অসমত থাকোতে হস্তীপৰী-ক্ষাৰ আগনিশা যুগলমূৰ্ত্তি সমাজিকত্ত দেখি মণিপুৰ দেশত পাছলৈ তাৰ প্ৰবৰ্ত্তন কৰে। অসমৰ জয়সাগৰ, গৌৰীসাগৰ, শিৱসাগৰৰ নিচিনা বিয়াগম বিয়াগম পুখুৰী দেখি নিজৰ দেশত জয়সিংহ ৰজাই এটা বৰ ডাঙৰ পুখুৰী খনায়, আৰু অস-মীয়া টোপছিলৰ চানেকীৰ নিজ দেশতো টোপছিলৈ নিৰ্ম্মাণ কৰিবৰ নিমিত্তে কমাৰশাল স্থাপন কৰেগৈ। মণি-পুৰীয়া, মছলমান, নগা আদি সকলো প্ৰজাৰ প্ৰতি জয়সিংহ ৰজা সমদৰ্শী আছিল। ত্ৰিপুৰা আৰু অসম ৰাজ্যৰ সৈতে তেওঁ চিৰকলীয়া মিত্ৰতা স্থাপন কৰি যায়।

বয়স বাঢ়ি অহাত জয়সিংহ ৰজাই পুতেক লাৱণ্যচন্দ্ৰ ওৰফে হৰ্ষচন্দ্ৰক প্ৰধান যুৱৰাজ পাতি তেওঁক ৰাজ্যভাৰ অৰ্পণ কৰি তীৰ্থযাত্ৰা কৰে। তাৰে পদ্মা নদীৰ কাষৰত ভগবানগোলা বা শ্ৰীপাট ক্ষেত্ৰ নামে নৱদ্বীপৰ অন্তৰ্গত এডোখৰ ঠাইত মণিপুৰৰ প্ৰবল প্ৰতাপী ৰজা জয়সিংহ কৰ্ত্তা মহাৰাজা ১৭২১ শকত জীৱন-লীলা সম্বৰণ কৰে।

জয়সিংহৰ মৃত্যুৰ পাছত তেওঁৰ প্ৰথম পুত্ৰ লাৱণ্যচন্দ্ৰ মণিপুৰৰ ৰজা হয়। দুবছৰৰ পাছে তেওঁৰ এগৰাকী মাহী মাকে লাৱণ্যচন্দ্ৰক হত্যা কৰে, আৰু মধুচন্দ্ৰ সিংহাসনত বহে। পাঁচ বছৰ ৰাজত্বৰ পাছত মধুচন্দ্ৰকো প্ৰাণে মৰা হয়। তাৰ পাছত চৌৰজিত মাৰ্জ্জিত মানে বুঢ়াৰজা জয়সিংহৰ দুজনা পুতেক সিংহাসনত বহে। এওঁলোকৰ দিনত কছাৰ আৰু মান দেশৰ লগত মণিপুৰৰ কেবাখনো যুদ্ধ লাগে। ইংৰাজী ১৮২৬ চনত হোৱা য়াণ্ডাবু সন্ধিসূত্ৰে জয়সিংহৰ পঞ্চমপুত্ৰ গম্ভীৰ সিংহ মণিপুৰ আৰু কুবো উপত্য-কাৰ ৰজাৰূপে সিংহাসনত প্ৰতিষ্ঠিত হয়।

সম্প্ৰতি গৰিবনাৱাজ ৰজাৰপুত্ৰ ভোত্ৰামছাইৰ সন্ততি শ্ৰীলশ্ৰীপঞ্চযুক্ত মণিপুৰেশ্বৰ ভক্তৱৰ্য্য চূড়াচান্দসিংহ ছি-বি-ই মহাৰাজ বাহাদুৰ মণিপুৰৰ সিংহাসনত অধিষ্ঠিত হৈ আছে।

(আগলৈ আছে)

# ন আলহী

সাজ আজি দীঘল দিনৰ
গধূৰ কামৰ বোজা,
পদূলি-মুখত ন-আলহী—
আনন্দৰহে কথা।
উঠা হে উঠা! বঢ়োৱা আগ
তামোল-পাণৰ বটা—
ন আলহী দুৱাৰ-মুখত,—
আনন্দৰহে কথা।

কোন হে তুমি? কোন নো বাৰু
সকাম তোমাৰ কি?
আনন্দ আজি নাইহে আমাৰ,
দিমনো তোমাক কি?
নীল আকাশত সৰুবে হাঁহে
পানীত শতদল;
নাই হে আমাৰ মুখত হাঁহি
নাই হে মনত বল।

নীল আকাশত জোনৰ হাঁহি—
পৃথিবী ঢৌৱাই যায়,
ৰূপালী ডাৱৰ উলাহত উৰে,—
আমাৰ উলাহ নাই।
অন্তৰ বাহিৰ শুদা হে আমাৰ,
নাই সোণ ধান ধন;
কিহেৰে তোষো, কিহেৰে সোধো
আকুল অন্তৰ মন।

পদূলিত আছে শেৱালী বকুল
সিঁচৰতি হৈ পৰি,
দুবৰি-বনত নিয়ৰ মুকুতা
আছে দুটি এটি সৰি;
সম্বল আমাৰ এয়েহে আজি,
লোৱা হাতত তুলি;
মুখতো আজি নোলায় বাণী—
সুধিম নো কি বুলি?

ন সুবাস বতাহত আহে,
লবে বিৰিখৰ পাত;
ক্ষমিবা সকলো—মৰষিবা দায়
শিৰত যুৰিছো হাত।
অতি কুমলীয়া সেউজীয়া বোৱা
ধাননিত লবে-চৰে;
কৰা আশীৰ্ব্বাদ, সোণৰ শহেৰে
ধৰা যেন ভৰি পৰে।

মধুৰ তোমাৰ আশীষত যেন
মধুৰতা ভৰি পৰে,
মধুৰ মধুৰ মধুৰ দানেৰে
ধৰণী উপচি পৰে।
মধুৰ মলয় বই যক যেন
মধুৰ সুগোন্ধ দানি,
বৰ নৈ হ'ক মধুৰতাময়
দানি মধুময় পানী।

বুদ্ধি আমাৰ মধুময় হৈ
সন্তোষ কৰোক পান,
সন্ধিয়া প্ৰাতস মধুময় গীতে
জুৰাওক আমাৰ কাণ।
মধুময় হোক জনক-জননী,
সহোদৰ ভাই-ভনী;
আত্মীয় স্বজন হোক মধুময়—
যতেক বিশ্বৰ প্ৰাণী।

মধুময় হ'ক আকাশ পৃথিবী
হাবি-বন গছ-লতা,
ধূলিকণাটিতো মধুৰতা ভৰি
বিয়াপক মধুৰতা।
ৰাঙলী বেলিটি হোক মধুময়
মধুৰ বৰণ সানি;—
মধুময় হোক পুণ্য গৰু-গাই
মধু দুগ্ধামৃত দানি।

# পোৱা কিতাপৰ বিষয়ে

অশ্রু— কবিতাৰ কিতাপ। শ্রীযুত তাৰিণীচৰণ দাস প্রণীত। বেচ পাঁচ অনা। লেখকৰ কবিতা লিখিবৰ ক্ষমতা আছে। কবিতাবোৰ পঢ়ি আমি সন্তোষ পাইছোঁ।

৺শ্রীশ্রীগোপালদেৱৰ চৰিত্র (ভবানীপুৰীয়া)।—৺যোগেশ্বৰ মহন্তৰ দ্বাৰাই সংগৃহীত, আৰু দিহিং সত্ৰাধিপতি গোস্বামীৰ আদেসানুসাৰে শ্রীভীৰ্থনাথ গোস্বামীৰ দ্বাৰাই প্রকাশিত। বেচ ১৫০

প্রকাশকে লেখিছে—৺শ্রীগোপালদেৱৰ চৰিত্র চাৰিখনি। পূৰ্ণানন্দদেৱৰ কৃত, ৰামগোপাল কৃত, ৰামদাস কৃত, হৰিবল্লভ কৃত। চাৰিওখনি চৰিত্র মিল কৰি চাই সাৰ সংগ্রহ কৰি এই চৰিত্র কৰা হৈছে।

মুঠতে, আমি চৰিত্ৰখন পাই অতি আনন্দিত হৈছোঁ। চাৰিউখন যদি স্বকীয়াকৈ যেনে আছিল তেনেকৈ ছপা কৰা পালোহেঁতেন তেন্তে আৰু আনন্দিত হলোহেঁতেন।

কিন্তু ছপাত ইমান ভুল কিয়? অনেক ঠাইত এনেকুৱা ভুল যে কথাৰ মানেই নহয়, আৰু ওলোটা মানে হয়। দুটা এটা এনেকুৱা হোৱাহেঁতেন আমাৰ কবলৈ বিশেষ একো নাথাকিলহেতেন, কিন্তু বিস্তৰ। দুটা চাইটা দেখুৱাওঁ:—"ব্রাহ্মজন ভক্ত," হব লাগে বাৰজন ভক্ত। "হাতমেলি ভালক" "হাতমেলি ডালক"ৰ ঠাইত। "তচ্ছৰতে" হব লাগে, "ওচৰতে।" "সিজল বকৰা"—"সিজন বকৰাৰ" ঠাইত। "অংশৰূপে শঙ্কৰে কৰিলা নিৰূপণ"—হব লাগে "অঙ্কৰূপে" ইত্যাদি।

গোপাল আতাৰ ঘৰ শিৱসাগৰৰ ওচৰৰ নাজিৰাত। তেওঁ লৰাকালত লাঙ্গি গদাপাণি কোঁৱৰেৰে সৈতে উমলিছিল। মহাপুৰুষ মাধৱদেৱৰ ঘোষা শাস্ত্ৰৰ বিষয়ে এই চৰিত্ৰত কোৱা হৈছে—মাধৱদেৱে ভক্তসকলক কৈছে—

"এহি ঘোষা গ্রন্থখানি পঢ়িবা সদাই।
শঙ্কৰদেৱৰ হস্তে যিবাখানি পাইলোঁ।
ইটো ঘোষা গ্রন্থত তাহাক নিবন্ধিলোঁ।
শাস্ত্ৰ বিচাৰিয়া মই যিবা খানি পাইলো।
সি সব সকলো কথা ঘোষাত বান্ধিলো।
আপোনাৰ বুদ্ধি অনুসাৰে যেন ভৈলা।
এহি ঘোষা গ্রন্থত তাহাকো বন্ধা গৈলা।
এতেকে ঘোষাক কেহো নেৰিবা সদাই।
আৰু বিচাৰিলে বোধ হৈব সমুদাই।"

"শ্রীশঙ্কৰদেৱে কলে;—বড়াৰ পো, এখনি ঘোষা শাস্ত্ৰ কৰা। শ্রীমাধৱদেৱ,—ঈশ্বৰপুৰুষ, কোন প্রকাৰে। শ্রীশঙ্কৰদেৱ;—পকা বগৰিৰ দৰে বাহিৰে থাৰলৈ কোমল ভিতৰে গুটিটি টান। শ্রীমাধৱদেৱ;—ভাল; এই বুলি "মৎস্য কূৰ্ম্ম" ঘোষাটি লেখিলে। শ্রীশঙ্কৰদেৱে (হাঁহি);—বড়াৰ পো, মোক দিয়াচোন। এই বুলি "মুক্তিত নিস্পৃহ যিটো" ঘোষাটিৰ প্রথম চৰণ লেখোতেই শ্রীমাধৱদেৱে কলে;—আমাক দিবলৈ হক, এই বুলি দ্বিতীয় চৰণ লেখিলে।" বৰ যদুমণি আতাই ভবানীপুৰীয়া গোপাল আতাক গুৰু মানি তত্ত্ব কথা সুধিলত গোপাল আতাই কলে—

"শুনা যদুমণি যেন কথা তত্ত্ব সাৰ।
কৃষ্ণ বিনে অপৰ দেৱতা নাহি আৰ।
নাহি ক্ষয় বৃদ্ধি যাৰ জনম মৰণ।
ভকতিৰ হেতু মাত্র হোন্ত উত্তপন।
বাক্য কৰ্ণ মনৰ গোচৰ নাহি যাৰ।
লোকৰ কুশল হেতু হোন্ত অৱতাৰ।
যদি কৰ্ম্ম গুণ হয় সহজে ৰহিত।
তথাপি ভক্তৰ মাত্র সাধা মনোনীত।
সেহি গুণ কৰ্ম্ম কৰি শ্ৰৱণ-কীৰ্ত্তন।
দুৰ্ঘোৰ সংসাৰ দুঃখ হৰে সৰ্ব্বজন।
অনাদি অনন্ত জ্ঞানময় অব্যক্ত।
শুদ্ধ পৰমব্রহ্মৰূপে থাকন্ত সতত।
বুদ্ধি মন ইন্দ্রিয়ে নপাৰে তৰ্কিবাক।
জড় জীৱ সিহেতু নপাৰে ভজিবাক।
যাৰে সাধুজনৰ কৰুণা নিমিলয়।
তাৰে দুৰ্ব্বাসনা পুৰুষক নছাড়য়।
দুৰ্ব্বাসনা দূৰ গৈলে যাৰ যিকালত।
হৃদয়ত তত্ত্বজ্ঞান হোৱয় বেকত।
অমূৰ্ত্তক জ্ঞানমূৰ্ত্তি হোৱে মায়াময়।
মূৰ্ত্তিত ভজিলে জ্ঞান-বিজ্ঞান ঘটয়।



সাকাৰত হন্তে নিৰাকাৰক চিনয়।
সাকাৰ শুচিয়া নিৰাকাৰ বোধ হয়॥
পৰিপূৰ্ণৰূপে হৃদয়ত প্রকাশয়।
এতেকেসে হৰি গুৰু ভিন্ন নকহয়॥
আন একো ধৰ্ম্ম নাচৰিয়া যিটো নৰে।
হৰিগুণ নাম মাত্র সততে সুমৰে॥
হৰিগুণ নাম মাত্র ধৰ্ম্ম শিৰোমণি।
নাহি আন ধৰ্ম্ম একো হৰি নাম বিনি॥
হয়া এক মতি সঙ্গ লৈয়া ভকতৰ।
শ্ৰৱণ কীৰ্ত্তন কৰিবেক মাধৱৰ॥"

একাদশ স্কন্ধত লেখা ছবিধ ভক্তৰ কথা গোপালদেৱে এইদৰে কৈছে:—

"একাদশ স্কন্ধে ছয়জন ভক্ত
বোলয় যাক নিশ্চয়।
স্বৰ্গকামী, মোক্ষকামী দুইজন,
জানা আৰু মহাশয়॥
সমান ঐশ্বৰ্য্য কামী এক জন,
অনিমাদি সিদ্ধি কামী।
এসবে সহিতে জানা চাৰিজন,
কহিলো তোমাত আমি॥
মহাভাগৱত নিগু'ণা সহিত
অনুৰাগা দুইবিধ।
একাদশ স্কন্ধে এহি ছয়জন
কহয় কৰি প্ৰবন্ধ॥

• • •

ধ্ৰুৱ মহন্তক বুলি স্বৰ্গকামী,
মুচকুন্দ মোক্ষ কামী।
অনিমাদি মুনি সিদ্ধ সব জানা
কহিলোহো নিষ্ঠে আমি॥
সমান ঐশ্বৰ্য্য কামী গজেন্দ্ৰক
বুলিয়া জানা নিশ্চয়।
নিগু'ণা ভকত নাৰদক জানা
এসবে প্ৰমুখ্যে কয়॥
সানুৰাগা গোপী সবক দেখাইলো
পৰম গম্ভীৰ ভক্ত।
তোমাৰ আগত কহিলো সাম্প্ৰত
জানা আৰু নিষ্ঠে নিষ্ঠ॥
প্ৰতিমাত কাষ্ঠা ধ্ৰুৱ মহন্তৰ,
স্বৰ্গ মুখ্য ফল হয়।
ভাগৱত কাষ্ঠা মুচকুন্দে কৰি
মোক্ষক পাইলা নিশ্চয়॥
ঋষি সবে জানা ধ্যানত কাষ্ঠায়ে
অনিমাদি সিদ্ধি পাইলা।
গজেন্দ্ৰ ৰূপত কাষ্ঠা ভৈল জাত
সাৰূপ্য তাত লভিলা॥
নামত কাষ্ঠায়ে নাৰদ ৰহিল
ভকতি সাংযোগ্য পাই।
গোপীসবে প্ৰেম অনুৰাগ ভাৱে
ৰহিলেক সমুদাই।

• * •

আৰু একবিধ সপ্ৰেম ভকতি
শঙ্কৰেসে মাত্ৰ কয়
ভকত সহিতে এক প্ৰীতি হয়া
সৎসঙ্গে সুখে তৰয়।
সকল ধৰ্ম্মৰ শিৰত প্ৰকাশে
যেন ৰত্ন চুড়ামণি
পৰম ৰহস্য ভকতি তোমাত
কহিলোহো যদুমণি॥"

এদিন ৰৰনগৰৰ পৰা কিছুমান ভকত আহি গোপাল আতাক সেৱা কৰি মুঠাৰ কঠ এখন ভেটি দিলে।—

গোপালে বোলন্ত আৰু নলাগয় মোক।
তোমৰা সকলে নিয়া-আনক দিয়োক॥
শুনিয়া ভকতসৱে বুলিলা বচন।
এথাকে আনিলোঁ আমি কৰিয়া যতন॥
ঐত কৰি কোন ৰব আমাৰ আছয়।
যেন লাগে কৰা আৰে কহিলো নিশ্চয়॥
এহি বুলি ভকতসকল চলি গৈলা।
পৰাণহৰিক তেবে গোপালে মাতিলা॥
বোলে প্ৰাণহৰি মোৰ বাক্য ৰাখিয়োক।
একুৰা অগনি আনি আমাক দিয়োক॥
শুনি প্ৰাণহৰি অগ্নি তেখনে আনিলা।
গোপালদেৱৰ আগে অগ্নি জ্বালি দিলা॥
কঠখানি তৈতে নিয়া গোপালে দিলন্ত।
দেখি প্ৰাণহৰি হেন বাক্য বুলিলন্ত॥
ভাল কঠখনিক পুৰিবে নলাগয়।
মহাশ্ৰদ্ধা কৰি তাৰা আনিয়া আছয়॥
আপোনাক লাগি কৰি আছয় যতন।
শুনিয়া গোপালে হেন বুলিলা বচন॥

আতা * মোৰ বসিয়াছে কলাঠহবাত।
মই কিকাৰণে আৰে বসিয়ো ইহাত॥
কঠ ভাল তৈলে নে কি ভকতি বাঢ়য়।
কলঠহবাত হৰি ভক্তি নিসিজয়।
এতেকে ইহাত কেহো ইচ্ছা নকৰিবা।
গলে কন্থা বান্ধি হৰি ভকতি কৰিবা॥

এদিন সাতজন ভকতে হৰিণাৰ মাংস কিনি আনি গোপালদেৱক ভেটিলে। গোপালদেৱে তেওঁলোকক সকলোকে একোভাগ কৰি বাটি দিবলৈ কলে। তেওঁলোকে ভাগ কৰিলত, গোপালদেৱে জনেপতি দেখি চাই এভাগ বেছি পালে। কাৰণ সুধিলত ভকতসকলে কলে যে তেওঁলোকে গোপালদেৱক সন্মান কৰি দুভাগ দিছে। এই কথা শুনি গোপালদেৱে মাংসৰ ভাগ নিনি ঘৰৰ ভিতৰলৈ গুচি গল। ভকতসকলে দায় লাগিল জানি ক্ষমা-প্ৰাৰ্থনা কৰিলত, গোপালদেৱে কলে, যে তোমালোকে সকলোকে সমান কৰি বাটি দিয়া, তেহে নিম।

গোপালদেৱে ভকতসকলক উপদেশ দিছিল—

আপোনাৰ মনত বিচাৰ কৰি চাইবা।
যদি জোখা পোৱা তেবে নির্ব্বিষয় হৈবা॥
কন্থা পিন্ধি ভিক্ষা মাগি কৰিবা ভোজন।
হৰি ভক্তি আচৰিবা কৰিয়া যতন॥
হৰিনাম কীৰ্ত্তনক সততে কৰিয়া।
থাকিবাহা আপোনাৰ মৰ্য্যাদা ৰাখিয়া॥
তুহি তেবে আপুনিয়ে বিষয় কৰিবা।
পৰদাৰা গমনত পাপ নাচৰিবা॥
হেন জানি তুমি সবে পাপ নাচৰিবা।
ভকতৰ স্ত্ৰীক মাতৃ সমান দেখিবা॥
ভকত সাহতে এক কলেৱৰ হৈবা।
সহজে ৰহিবা একো বাদ নকৰিবা॥"

"ভকতৰ হেন ভাব হৈবাক লাগয় তাৰ,
সিবেলা গোপালে কহিলন্ত।
শাক কচু কন্থা কানি আপোনাক হীন মানি,
যাবা সবে ধৰ্ম্ম আচৰন্ত॥
তাবাসে হৰিক পায় যাত একো স্পৃহা নাই,
জানি আত দুঃখ নকৰিবা।
গাৱে কানি কন্থা উৰি ভিক্ষায়ে ভোজন কৰি,
তোবা সবে ধৰ্ম্ম আচৰিবা॥

আনৰ কথাকে নকওঁ, আজিকালি গোপালদেৱৰ পৰা বঢ়া সত্ৰীয়াসকলেই এই আদৰ্শৰ পৰা কিমান দূৰত আছে, তেওঁলোকেই ভাবি চাওক!

এদিন নিত্যানন্দ নামে গোপালদেৱৰ এজন ব্ৰাহ্মণ ভকতে গোপলদেৱক ঘোষাত থকা দহ-পৰীয়া ঘোষাটোৰ মানে সুধিলে। গোপালদেৱে তাৰ মানে ভাঙি কৈ তেওঁক কলে—

"আৰ কি অৰ্থক তুমি বুজিবে পাৰিবা।
কেনমতে পৈয়া লোক সৰত কহিবা॥
আতা মাধৱেও আউল পাইলা যে পূৰ্ব্বত।
ঘোষা কৰি শুনিলন্ত আপুনি মনত॥
বোলে ঘোষা গুটি কৰিলোহোঁ কি কাৰণে।
ইহাৰ অৰ্থক আনে বুজিবেক কোনে॥
যেহি যেহি প্ৰকাৰে কি নকহোক আৰু।
কদাপিতো নপাৰিবে আউল মাৰিবাক॥
এতেকেসে ঘোষা কাটি গুচাইবে চাহিলোঁ।
আগে কৰিলোহোঁ যাতে তাতেসে ৰাখিলোঁ॥
এহি বুলি মাধৱ নিচুকি ৰহিলন্ত।
কৃপাযুক্ত হৈয়া পাছে মোত কহিলন্ত॥

দশ পৰীয়া ঘোষাটো এই:—

অপাৰ সংসাৰ সিন্ধু আৰ বিষ্ণুসে পৰম পাৰ যত
পাৰ আছে তাত পৰম্পৰমাত্মাৰূপে।
তেন্তে তুমি জানা ব্ৰহ্মপাৰ পৰ পাৰিভূত যত পাৰ
তাসম্বাৰ পাৰ বিষ্ণুসে পাৰ স্বৰূপে॥"

ইয়াৰ সংস্কৃত মূল:—

"পাৰংপৰং বিষ্ণুৰপাৰ পাৰংপৰং পাৰমপাৰৰূপী।
সব্ৰহ্মপাৰঃ পৰপাৰভূতঃ সঃ পৰাণামপি পাৰপাৰঃ॥"

লাঙ্গি গদাপাণিৰ বিষয়ে গোপালদেৱে এদিন ভকতসকলক কৈছে:—

"শুনিয়ো ভকতসব আমাৰ বচন।
লাঙ্গি নৃপতিক দেখি আছা কোন জন॥
যাৰা নাই দেখা তেবে চাহিয়ো আমাক।
আমাক চাহিলে জানা দেখিয়ো বাজাক॥
মই আৰ নৃপতিৰ এক ঠান মান।
মোক দেখিলেও আন নলাগে প্ৰমাণ॥
সি ৰাজাৰ ৰাজ্য ভুঁই কুশলে আছন্ত।
আছে বুলি ভকতসকলে কহিলন্ত॥
আৰু ভালমতে তাঙ্ক প্ৰশংসা কৰিল।
ইহাৰ দিনত হৰি ভকতি সিজিল॥
তাহন্তপৰে নাহি আন উত্তম নৃপতি।
হেনমানি হৰিযে ৰহিলা মহামতি॥"

* তেওঁৰ গুৰু মহাপুৰুষ শ্ৰীমাধৱদেৱ।



সম্মিলন প্ৰবন্ধাৱলী। পঞ্চম ভাগ। আসাম ছাত্ৰ-সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ দ্বাৰাত প্ৰকাশিত। বেচ আঠ অনা। পাই শলাগ লৈছোঁ।

প্ৰভাত। সপ্তম খণ্ড। গ্ৰীষ্ম সংখ্যা। যোৰহাট নৰ্ম্মাল স্কুলৰ আলোচনী কাকত। পাই শলাগ লৈছোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---

# নাটঘৰ

## মেক-আপ্ (Make up) বা সজ্জা-কৌশল

Make up বা সজ্জা-কৌশল কথাটো শুনিবলৈ যেনে সহজ, কিন্তু কামত সি তেনে সহজ নহয়। আমাৰ অভিনেতাসকলে মুখত কিছুমান ৰৰণ সানি তাত সেন্দুৰৰ দুই এটা ছাঁট দি, নাইবা চকুৰে-গালে দুই এডাল ৰেখা আঁকি ললেই make up শেষ বুলি ভাবে। Make up যদি ভাল নহয় তেন্তে অভিনেতা যিমানেই প্ৰতিভাশালী হওক তেওঁৰ মুখ expressionless অৰ্থাৎ ভাব-বৈচিত্ৰ্য-অভিব্যক্তি-বিৰল হবই হব।

অভিনেতাই ৰঙ্গমঞ্চত অৱতীৰ্ণ হোৱাৰ আগতে তেওঁ যি ভাৱত ওলাব তাৰ বিষয়ে পুঙ্খানুপুঙ্খৰূপে জানিব লাগিব, অৰ্থাৎ ক'ত কোন আঁক ডাল পাৰিলে তেওঁক বুঢ়াৰ দৰে দেখুৱাব, ক'ত কোনখিনিত কোন ৰং ঘহিলে তেওঁ আকৌ ডেকাৰ তেজথকা ৰৰণ ওভোটাই পাব, চকুৰ তলে-ওপৰে ক'ত কেনেকৈ কলা ৰৰণ সানিলে, কিমান সানিলে তেওঁক পগলা বা, জীৰ্ণ বা অসুস্থ বা, ৰোগী বুলি জানিব; ক'ত ৰেখা দিলে কুট, বা, প্ৰেমিক, বা সাধু বুলি জানিব ইত্যাদি। এইবোৰ ভালকৈ জানি তাক কামত খটাব পাৰিলেহে তেওঁৰ make up নিজে নিজেই সুন্দৰকৈ ফুটি উঠিব। অৱশ্যে এই সজ্জা-কৌশলৰ দ্বাৰাই সকলো ভাব মূৰ্ত্তকৈ ফুটাই তুলিবৰ হলে যথেষ্ট পৰিশ্ৰম আৰু অধ্যৱসায়ৰ দৰকাৰ।

অভিনয় আৰম্ভ হোৱাৰ আগতে অভিনেতাসকলে make up ঠিক কৰি লব লাগিব। বহুসময়ত এটি ভাৱতে বিভিন্ন অঙ্ক বা দৃশ্যত মুখৰ বিভিন্ন ৰৰণ সলাবৰ আৱশ্যক হয়। ধৰক, প্ৰথম অঙ্কত হয়তো কোনো অভিনেতাক সেই দৃশ্যৰ উপযোগীকৈ স্ফটিকাভপীত (Amber) ৰৰণ সানিলেই হয়তো শুৱাব, কিন্তু দ্বিতীয় অঙ্কত আগতকৈ মুখৰ সৌন্দৰ্য্য বেছি কৰিবলৈ অলপ নীল আভাৰ দৰকাৰ হব। এই ৰৰণ সলনি এনেভাৱে কৰিব লাগিব যাতে দৰ্শকে কোনোমতেই গম নেপায়। কিন্তু অভিনেতাই ইয়াৰ কাৰণে ভালকৈয়ে পৰিশ্ৰম কৰিব লাগিব। অভিনেতাই সদায় মনত ৰখা উচিত যে অভিনয় কৰাটো উজু নহয়, তাৰ কাৰণে যথেষ্ট পৰিশ্ৰম, অধ্যৱসায় আৰু জ্ঞানৰ আৱশ্যক। • • •

যিসকল অভিনেতাই বুঢ়াৰ ভাৱ লৈ সোলা দাঁত দেখুৱাবৰ ইচ্ছা কৰে, তেখেতসকলে সচৰাচৰ "Email Noir" বুলি এবিধ ৰৰণ দাঁতত সানে। এই ৰৰণ সানিলে মানুহে দাঁত থকা সত্ত্বেও দেখিবলৈ নাপায়। ইয়াৰ সলনি কেতিয়াবা তাৰ অভাৱত জোতাৰ চিয়াহীও ব্যৱহাৰ কৰে, কিন্তু সি বিপদজনক। • •

বিলাতত ছিৰিল মড নামৰ এজন বিখ্যাত অভিনেতাৰ "গ্ৰামপি"ৰ ভাৱত যি make up দেখুৱাই

গৈছে, সি হেনো অতুলনীয়। প্ৰতি ৰাতিয়েই তেওঁ হেনো তেওঁৰ শৰীৰত বয়সৰ ৰেখা আৰু বাৰ্দ্ধক্যৰ চিনবোৰ ফুটাই তুলিবলৈ অজস্ৰ পৰিশ্ৰম কৰিছিল। শৰীৰৰ ভিতৰত হাতেই হৈছে make up-অৰ পক্ষে সৰ্ব্বোৎকৃষ্ট, সেই কাৰণে ভাল make up কৰিবলৈ হলে আগতে হাত ঠিক কৰি লোৱা উচিত। এই "গ্ৰামপি"ৰ ভাবৰ অভিনয় ফুটাই তুলিবলৈ ছিৰিল মড়ে ১৯৭০ এহেজাৰ নশ সত্তৰ ঘণ্টা পৰিশ্ৰম কৰিছিল।

কোনো বিখ্যাত চৰিত্ৰ অভিনয় কৰিবলৈ গলে তাৰ চুই এখন ছবি আঁকি বা আঁকাই লৈ তাকে আগত লৈ দাপোণত চাই চাই অভ্যাস কৰা উচিত। যিসকল অভিনেতাই কোনো কোনো ঠাইত নিজৰ শৰীৰৰ আকৃতি সলাব খোজে তেওঁলোকে দাঁতৰ ঠিক ওচৰত তুলাৰ "পেড," ভৰাই গালখন অলপ ওফন্দাই লব পাৰে। ইয়াৰ দ্বাৰাই মাতো অলপ সলনি হয়। চেপেটা নাকও বহু সময়ত "গ্ৰিজ পেইণ্ট" দি তিলফুল যেন জোঙা কৰি লব পাৰে। তাক দেখি কোনেও কল্পিত বুলি কব নোৱাৰিব।

Make up-এই হৈছে কৃতকাৰ্য্যতাৰ প্ৰথম সোপান। make up সুবিধা নহলে কোনো ভাবেৰেই পূৰ্ণ প্ৰাণ দিবলৈ অভিনেতা সমৰ্থ হব নোৱাৰে।

আমাৰ ষ্টেজবোৰত এই খাই কথা make up-অকে অভিনেতাসকলে বৰকৈ মন নকৰে যেন লাগে, কিন্তু ৰঙ্গমঞ্চত অৱতীৰ্ণ হোৱাৰ আগতে make up হে সম্পূৰ্ণ হোৱা উচিত—এই কথা যেন সকলো অভিনেতাই মনত ৰাখে।

## এলিজাবেথৰ যুগৰ ইংলণ্ডৰ নাটশাল

ৰাণী এলিজাবেথৰ ৰাজত্বৰ দিনতেই ইংলণ্ডৰ নাটশালৰ সৃষ্টি হয়। সেই সময়ত লণ্ডনত আৰু আন আন ঠাইত বহু ব্যৱসায়ী নাট্য সম্প্ৰদায়ৰ উদ্ভৱ হৈছিল, আৰু জনসাধাৰণৰ নাটকাভিনয় চাবলৈকো বৰ হেঁপাহ হৈছিল। ইংলণ্ডত সৰ্ব্বপ্ৰধান যি দুটা নাটশালৰ সৃষ্টি হয় সেই দুটাৰ নাম হৈছে থিয়েটাৰ (Theatre) আৰু কাৰ্টেইন (Curtain)। প্ৰায় ১৫৭৬ খৃষ্টাব্দত লণ্ডনৰ শ্বেৰডিট্ (shoreditch) নামৰ ঠাইত দুটা নাটশালৰ প্ৰতিষ্ঠা হয়। শুনা যায় যে এলিজাবেথৰ সময়ত লণ্ডনত কমেও বাৰটা নাটশাল আছিল। ইয়াৰ ভিতৰত সকলোতকৈ প্ৰসিদ্ধ হয় Glove Theatre. এই থিয়েটাৰৰ নাম বোধকৰো বহুতে শুনিব পায়। এই নাটশালৰ সৈতে ইংলণ্ডৰ শ্ৰেষ্ঠ নাট্যকাৰ শ্বেক্সপীয়াৰৰ বহুত দিন সম্বন্ধ আছিল। ১৫৯৯ খৃষ্টাব্দত এই নাটশালটো ছাউথবাৰ্ক নামৰ ঠাইত পতা হয়, আৰু এই ঠাইতে ১৬০২ খৃষ্টাব্দত শ্বেক্সপীয়াৰৰ বিশ্ববিখ্যাত নাটক হেমলেট Hamlet-অৰ অভিনয় হয়। ১৬১৩ খৃষ্টাব্দত জুই লাগি এই নাটশালটো ভস্ম হয়। তাৰ পাছত বহুদিন অভিনয় বন্ধ থকাৰ পিছত ১৬৪৪ খৃষ্টাব্দত ইয়াক স্থানান্তৰিত কৰা হয়। সেই সময়ৰ নাটশালৰ আকাৰ আজি কালিৰদৰে নাছিল। বিশেষজ্ঞসকলে কয় যে Glove Theatreঅৰ বাহিৰ (exterior) অষ্টভুজ (Octagonal) আছিল আৰু ভিতৰ বৃত্তাকাৰ (circular)। সেই সময়ত নাটশাল ৰোমান নাটশাল amphitheatre-অৰ দৰে অনাবৃত আছিল, কেৱল অভিনয় কৰা ঠাইডোখৰত হে চালি দিছিল।

সেই সময়ত চিত্ৰিত দৃশ্যপটৰ (Painted Scenery) ব্যৱহাৰ নাছিল। অভিনেতাৰ ওলোৱা-সোমোৱাৰ কাৰণে মাত্ৰ এখন আঁৰকাপোৰ ব্যৱহৃত হৈছিল আৰু ঠাই নিৰ্দ্দেশ কৰিবৰ কাৰণে সেই ঠাইৰ নাম লেখা এডোখৰ কাঠ (board) ৰঙ্গমঞ্চৰ ওপৰত আৰি দিয়া হৈছিল। দৃশ্য বিষয়ে (Scene) এনে অসম্পূৰ্ণতা দেখা গলেও দৃশ্যৰ সৰু-সুৰা কথাবোৰলৈ (details) চকুৰখা হৈছিল। শয়ন-কক্ষ দেখুৱাবৰ কাৰণে ষ্টেজৰ



ওপৰত এখন শয্যা পতা হৈছিল, আলহী-ঘৰ দেখুৱাবৰ কাৰণে ৰঙ্গমঞ্চ, এখন মেজ, তাত মদৰ বটল, গিলাছ ইত্যাদি দি তাৰ চাৰিওফালে বেঞ্চ দিয়া হৈছিল, ইত্যাদি। অভিনয়ৰ সুবিধাৰ কাৰণে ৰঙ্গমঞ্চৰ পাছত ৮।৯ ফুট ওখ ঠাইত এখন স্থায়ী কাঠৰ বাৰান্দা (balcony) নিৰ্ম্মাণ কৰা হৈছিল। যেতিয়া কোনোৱে কাৰোবাৰ কথা মনে মনে শুনিবলগীয়া হৈছিল তেতিয়া সি আহি এই বাৰান্দাত ঠিয় দিছিলহি। তাৰ বাহিৰেও দুৰ্গৰ প্ৰাচীৰ ইত্যাদি ইয়াৰে দেখুৱা হৈছিল।

সেই সময়ত পোছাক-পৰিচ্ছদৰ কাৰণে তেনে সতৰ্কতা অৱলম্বন কৰা নহৈছিল। সাজ-পোছাক দেশ-কালৰ উপযুক্তকৈ পিন্ধিবৰ কথা তেওঁলোকে তেতিয়াও উপলব্ধি কৰা নাছিল। নাটকৰ পাত্ৰ-পাত্ৰী যি দেশৰ বা যি যুগৰেই নহক, অভিনেতাই সেই সময়ৰ সাজ-পোছাককে পিন্ধি ওলাইছিল—কিন্তু সি অতি সুন্দৰ আৰু আড়ম্বৰপূৰ্ণ আছিল।

অভিনয় সচৰাচৰ পুৱা সময়ত হৈছিল আৰু যিমানপৰ অভিনয় হৈছিল তিমানপৰ নাটশালৰ ওপৰত এখনি নিছান উৰুৱাই থোৱা হৈছিল। অভিনয় আৰম্ভ হোৱাৰ আগতে তিনিবাৰ বংশীধ্বনি হোৱাৰ পাছত এজন সৌম্যদৰ্শন পুৰুষ (Solemn personage) ৰঙ্গমঞ্চত প্ৰবেশ কৰি প্ৰস্তাৱনা (Prologue) আবৃত্তি কৰিছিল। এওঁলোকে সচৰাচৰ এটা কলা দীঘল হলো-চোলা (cloak) পিন্ধিছিল। নাটক শেষ হোৱাৰ পাছত বা কেতিয়াবা অন্তৰ মাজে মাজে হাস্যৰসৰ অভিনয় হৈছিল; ইয়াক মানুহে (jig) জিগ্ নামেৰে অভিহিত কৰিছিল। এই জিগ্ প্ৰায়েই clown বা বহুৱাৰ দ্বাৰাই হৈছিল। সেই সময়ত comic আৰু tragic দুয়োবিধ নাটকতেই clown দেখা গৈছিল। আৱশ্যক বুজি এই jig সম্বন্ধে এখন ইংৰাজী কিতাপৰ পৰা অলপ উদ্ধৃত কৰি দিয়া গল। "The jig was a kind of comic ballad declamation in doggerel verse either really or professedly an improvisation of the moment introducing any person of event which was exciting the ridicule of the day and accompanied by the performer with tabor and pipe and with grotesque and farcical dancing."

গভীৰ বিয়োগান্ত নাটকৰ (deep tragedy) অভিনয়ৰ সময়ত ক'লা আঁৰকাপোৰ ব্যৱহাৰ হৈছিল।

লৰা বা ডেকাৰ দ্বাৰাই তিৰুতাৰ ভাও অভিনীত হৈছিল। ইংলণ্ডৰ বুৰঞ্জীত দেখিবলৈ পোৱা যায় যে দ্বিতীয় চাৰ্লছৰ ৰাজত্বৰ প্ৰাৰম্ভত প্ৰায় ১৬৬০ খৃষ্টাব্দত তিৰুতাই প্ৰথম ৰঙ্গমঞ্চত যোগদান কৰে আৰু অনুসন্ধানৰ ফলত জনা যায় যে অথেল' Othello নাটকৰ ডেছডিমনা Desdemonaৰ ভাৱত সৰ্ব্বপ্ৰথম অভিনেত্ৰীৰ আবিৰ্ভাৱ হয়। ৰঙ্গমঞ্চত তিৰুতাৰ আবিৰ্ভাৱত বহুতে প্ৰথমে বিৰাগপ্ৰকাশ কৰিছিল যদিও এই পৰিবৰ্ত্তনৰ মূলত যি যুক্তি (properiety) আৰু সুবিধা আছিল সি সোনকালে তেওঁলোকৰ বিৰক্তি গুচাবলৈ সমৰ্থ হৈছিল।

---

# টোকা

## অপৰাধী

বহুতো মানুহ পাৰিপাৰ্শ্বিক অৱস্থাত পৰি অপৰাধী হৈ পৰে। কিন্তু এনে মানুহো আছে যি অপৰাধ কৰাৰ সংস্কাৰ লৈয়েই জন্মগ্ৰহণ কৰে। এই অপৰাধীৰ মনস্তত্ত্ব বৰ জটিল। মনস্তত্ত্ব বাদ দিও সিহঁতৰ গাতো অপৰাধীৰ বিশেষত্ব থাকে। তেনে মানুহৰ প্ৰায়েই কাণৰ ওপৰৰ ভাগ স্থূল হয়, আৰু ওঁঠো আন মানুহতকৈ সাধাৰণতঃ শকত।

## হেমলেটৰ ( Hamlet ) ভাৱ

নাট্যজগতত হেমলেটতকৈ বহু-অভিনীত বিখ্যাত ভূমিকা আৰু নাই। ৰঙ্গমঞ্চত কেৱল এটা মাত্ৰ ভূমিকাকে ইমান বিভিন্নভাৱে আৰু দেখুউৱা হোৱা নাই। আচৰিত যে এই হেমলেটৰ ভূমিকা কেতিয়াও পুৰণি বা একেবিধৰ হৈ পৰা নাই। প্ৰত্যেক নতুন নাট্য-প্ৰতিভাই, তাৰ মাজত ন ন সৌন্দৰ্য্যৰ সঞ্চাৰ কৰিব পাৰিছে। আচল কথা কবলৈ গলে, হেমলেটৰ ভূমিকা বৰ্ত্তমান অভিনেতা-সকলৰ পক্ষে অগ্নি-পৰীক্ষা হৈ পৰিছে—এই পৰীক্ষাত উৰ্ত্তীণ হব পাৰিলে যশলাভ অৱশ্যম্ভাৱী।

জাৰ্ম্মেনীত হেমলেটৰ ভূমিকাত Emi Devrient-অৰ নাম সৰ্ব্বপ্ৰধান বুলি প্ৰসিদ্ধ। এই ভূমিকাত ইটালীৰ সৰ্ব্বশ্ৰেষ্ঠ দুজন অভিনেতা Rossi আৰু Sini-এও প্ৰসিদ্ধি লাভ কৰিছে। হেমলেটৰ মৃত্যু-দৃশ্যৰ অভিনয়ত Salvinik বোলে পৃথিবীৰ আৰু কোনো অভিনেতাই চেৰ পেলাব পৰা নাই। আমেৰিকাত Edwin Booth এই ভূমিকাত অভিনয় কৰি প্ৰসিদ্ধ হৈছে।

ফ্ৰান্সত এই ভূমিকাত প্ৰথম Charles Fechter, দ্বিতীয় Sarah Bernhardt, তৃতীয় Mounet Sully।

বিলাতত হেমলেটৰ ভূমিকাত নাম কৰিছে গেৰিক, এডমণ্ড, কীন, মে ক্ৰেডী, চাৰ্লছকীন, ফেলপছ, আৰ্ভিং (১৮৭৪), বিলছন বেৰেট (১৮৮৪), ছাৰ হাৰ্বাৰ্ট বীৰভ্ৰম ট্ৰি (১৮৯২), ফৰ্বছ-ৰবাৰ্টছন (১৮৯৭) এইচ, বি, আৰ্ভিং (১৯০৫) আৰু মেথিছন লেং প্ৰভৃতিয়ে। এওঁলোকৰ ভিতৰত আকৌ সৰ্ব্বপ্ৰধান বুলি স্বীকৃত হৈছে ছাৰ হেনৰি আৰ্ভিং, আৰু ফৰ্বছ ৰবাৰ্টছন। শেষৰজন নটৰ অভিনয় চাই সমালোচকসকলে কৈছিল—এওঁ হেমলেটৰ ভূমিকা অভিনয় কৰিবলৈকে জন্মগ্ৰহণ কৰিছে।

## আমেৰিকাৰ সৰ্ব্বশ্ৰেষ্ঠ অভিনেতা

জেমছ কে হেকেট আমেৰিকাৰ সৰ্ব্বপ্ৰধান অভিনেতা। অলপ দিনৰ আগতে তেখেতে বিলাতলৈ আহি শেক্সপীয়াৰৰ জন্মোৎসৱত অথেল' Othello ভাও দিছিল। তেওঁৰ অভিনয়ত মুগ্ধ হৈ বিলাতৰ মানুহে তেওঁক "The greatest Shakespearean actor of an epoch" বুলি বৰ্ণনা নকৰাকৈ থাকিব পৰা নাই। ফ্ৰান্সলৈ গৈও তেওঁ "Chavalier of the Legiond' Honneur" উপাধি লাভ কৰে। আমেৰিকাৰ আৰু এজন অভিনেতা তেওঁৰ সমান-বুলি বিবেচিত হয়; নাম ই, এইচ, ছোদাৰ্ণ। ফিল্ম-জগতত বৰ্ত্তমান আমেৰিকাত ডগলাচ ফেয়াৰবেঙ্কছ আৰু ৰুডলফ ভেলেন্টিন' প্ৰসিদ্ধ।

## হাস্যৰস-অভিনেতাৰ হাঁহিৰ অভাৱ

লিষ্টন বিলাতৰ এজন বিখ্যাত হাস্যৰসৰ অভিনেতা। প্ৰতি ৰাতি তেওঁৰ অভিনয় চাই হাঁহোতে হাঁহোতে দৰ্শকৰ পেটৰ নাড়ী-ভুৰু ছিগাৰ উপক্ৰম হৈছিল। লিষ্টনৰ হাস্য-ৰসৰ অভিনয়ত যেতিয়া গোটেই চহৰৰ ঢকা-ডিঙ্গৰা লাগিবৰ উপক্ৰম, সেই সময়ত এজন বিখ্যাত ডাক্তৰৰ ওচৰত এজন মানুহ উপস্থিত হলগৈ। মানুহজনে কলে—'মই বৰ অসুস্থ। মানসিক অৱসাদৰ কাৰণে মোৰ জীৱন বৰ কষ্টকৰ হৈ পৰিছে।' ডাক্তৰে কলে—'কি কয়—একো নহয়—সেইবোৰ আপোনাৰ মনৰ ভাব মাথোন। মনক লঘু কৰোক। বিমৰিষ হৈ নাথাকিব, গা বেয়াৰ কথা নাভাবিব—হাঁহক—গাওক—হাঁহি ধেমালিকৈ থাকিব।' মানুহজনে কলে—"হা ঈশ্বৰ! ডাক্তৰ, জীৱনত মই এবাৰ প্ৰাণ খুলি হাঁহিবলৈ অৱকাস পালে হাজাৰ হাজাৰ টকা দিব পাৰো।" ডাক্তৰে কলে—'হাজাৰ টকা কিয়? মাত্ৰ দুটামান টকা দিলেই আৰু বিমৰিষ হৈ থাকিব নালাগিব। শুনক, আজিয়েই আপুনি থিয়েটাৰলৈ যাওক—মই নিশ্চয়কৈ কৈছো যে লিষ্টনে আপোনাক এনে হঁহুৱাব যে জীৱনত আৰু নাপাহৰিবা।" মানুহজন—"লিষ্টন? নহয়, মোক হঁহুৱা তেওঁৰ কাম নহয়।' ডাক্তৰ—'কিয় নহয়?' মানুহজন—'কাৰণময়েই সেই লিষ্টন!' ডাক্তৰ স্বৰগপৰা মানুহৰ দৰে বল।

( Behind the footlights, By Mrs Alec. Tweedie )

---

# কাঁহুদী আৰু খাৰলি

হিন্দু মুছলমানৰ মিল। বাঢ়ক ছাৰি দিনে দিনে টুটিহে গৈছে। ভাৰতৰ মহাতুৰ্দ্দশা বুলিব লাগে। মহাত্মা গান্ধিয়ে গহ্নগতি দেখি শুৰি-বঠা এৰি দিলে। তেওঁ কি কৰিব! কপালৰ কথা। যি হওক, আমাৰ মনেৰে তেওঁ ভালকে কৰিলে। লৰা যদি এধাকটা হয়, তাক ডাঙৰে যিমানকে মূৰে-ভৰি-নাকাঢ়িবলৈ কয়, সি উলটি সিমানকে কাঢ়ি থাকে। সেইদেখি সেই টটাটিঙাক শুধৰাবলৈ সেইটো বাট এৰি দি আন বাট ধৰাহে উচিত। সেইটো বাট হৈছে:— তাক তাৰ মনোনীত আওবাটেই একেবাৰেই ভালকৈ চেকুৰিবলৈ এৰি দিয়াটো। তাৰ সেই আও-বাটে সি বলিয়া-বতিয়া হৈ চেকুৰি ফুৰোতে যেতিয়া তাৰ পিঠি বগাৰি জেং আৰু কোট কোৰা কাঁইটে ছিৰাছিৰ কৰিব; পেট কাঠৰ জোঙাল মূঢ়াই খুচি ফালি এধাধুন কৰিব; আৰু খাৱৈত পৰি ভৰি ভাগিব; আৰু "আই ধৰ বাই ধৰ" লাগি পৰিব, তেতিয়া বাৰ্ব্বেৰ চেতন অহাটো ধ্ৰুপ। নিজে তিতি বুৰি শিকাটোৱেই ভাল শিকনি। সেইদেখি সম্প্ৰতি হিন্দু-মুছলমানে পৰস্পৰ মূৰ ফগাফলি কৰাটোৱেই একৰকম ভাল। ফটা মূৰ লৈ যেতিয়া টটাটিঙা দুয়ো ৰৰখাৱৈত পৰি ভালকৈ কেকাব, তেতিয়া দুই ভাইৰ মিলৰ আদিপাঠ কিতাপৰ প্ৰথম পাত মেল খাব।

• • •

কুৰু-পাণ্ডৱক মিলাবলৈ, দুই ভাইক দন্দ নকৰিবলৈ, তেওঁলোকৰ কত হিতৈষী বন্ধু-বান্ধৱে, ঋষি-মুনিয়ে, আৰু শ্ৰীকৃষ্ণই চেষ্টা কৰিলে, বুজালে, কিন্তু একোতে একো নহল! হল কেতিয়া? তেতিয়া, যেতিয়া তেওঁলোকৰ তিনি-যুগীয়া বুঢ়া ভীষ্মকে প্ৰমুখ্য কৰি বুঢ়া ডেকা লৰা এই এটাইবোৰৰে হাত, ভৰি, মূৰ ভাগিল আৰু অঘাইটং অভিমানী দুৰ্যোধনৰ কৰঙন গদাৰ কোবত ভাগি "আই ঐ! বোপাই ঐ! মৰিলো ঐ!" লাগিল। ইয়াৰ পিছত দুই দলৰ পো-নাতিবোৰেই মিলিজুলি ভাৰতত হেজাৰ বছৰ সুখ-শান্তিৰে ৰাজত্ব কৰিলে। আপদৰ এনে বাটে শান্তি ডাঙৰ সভা-সমিতিৰ বক্তৃতাৰ বাটেদি হোৱা নাছিল। মিলন-সন্দেশ হাতত লৈ দুৰ্য্যোধনৰ সভালৈ যোৱা কৃষ্ণক দুৰ্য্যোধনে বান্ধি ধৰি কিলাব খুজিছিল। এদলে এতিয়াও পাৰিলে গান্ধিক বান্ধি-ধৰি কিলায়।

• • •

সকলোৱে জানে যে প্ৰবল বিপক্ষক পৰাভৱ কৰি বা বিপক্ষৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি সেইজনৰ গৰাহৰ পৰা কোনো বস্তু উলিয়াই আনিবৰ হলে, নিজৰ ফালৰ সকলোটি একেমুঠীয়া হৈ লব লাগিব। আমিও জানো, আমিও বুজো; কাৰণ আমি মূৰ্খ হলেও একে-বাৰেই এনে অধামূৰ্খ নহওঁহঁক। কিন্তু আমি হিন্দু-মুছল-মান বুজন-নিৰ্গত। আমি বৰ স্বাৰ্থপৰ। আমি লোকৰ ফুচুলনি শুনি বা নিজৰে অন্তৰত থকা ভূত বা চৈতানৰ কথা শুনি, আগতপৰা বা হাত মেলিলেই চুকি পোৱা ধন-মানৰ সদ্যঃ সুখ লভিবৰ লোভত, বৰ পৰিশ্ৰম বা দুখ কৰিহে লভিব পৰা কিন্তু ভবিষ্যতৰ মহৎ সুখ, বিপুল বিভূতিলৈ একেবাৰেই চকু মুদিছোহঁক; গতিকে আমাৰ ভাল হব কেনেকৈ? বৰভাই হিন্দুৰ ভিতৰত এনে বুজন-নিৰ্গতৰ লেখ বৰ কম বুলি নাভাবিবা। কিন্তু সৰুভাই মুছলমান বন্ধুসকলে মোক ক্ষমা কৰিব, নকৈ নোৱাৰো যে দুখৰ কথা, তেওঁলোকৰ লেখ আৰু বেছি, আৰু সৰহ। হিন্দুতো আজি হেজাৰ বছৰ গোলামৰ শাৰীত পৰি তেওঁলোকৰ গাৰ নোমৰ শুৰিডালেপতি গোলামৰ গোন্ধ ওলাই আছেই, কিন্তু মুছলমানসকলো তেওঁলোকৰ উচ্ছৃত মঞ্চৰপৰা তললৈ ইমান সোনকালে পৰাৰ অনেক কাৰণৰ ভিতৰত ইও এটা ঘাই কাৰণ নহয় জানো?

• * •

মাথোন তপতে তপতে নিজৰ সুবিধালৈ আৰু নিজৰ ভিতৰৰ এমুঠিৰ সুবিধালৈ চকু দি গোটেই দেশৰ মানু-হৰ সুবিধা আৰু ভাললৈ চকু নিদি যি চলে তাতকৈ এচকুৱা আৰু কোন হব পাৰে? এনে এচকুৱাৰ কাৰ্য্যৰ ফলতে দেশ তললৈ যাব লাগিছে। নিজে নিজৰ ভবিত

ভৰ দি মুঠিলে, যি লোকৰ ঢোকা-ভেজালৈ আশা কৰে সি লোকৰ ঢোকা-ভেজাত থিয় হৈছে যেন দেখা গলেও চিৰকাললৈকে চাকোলা হৈ থাকিব তাক নকলেও হব। স্বায়ত্বশাসন লাভ হলে, যে সৰহীয়া দলে তাকৰীয়া দলক হেচি মাৰিব, এই অদ্ভুত ধাৰণাই মানুহৰ মনত কেনেকৈ ঠাই পায় কব নোৱাৰো। ভ্ৰম ধাৰণাৰ বশবৰ্ত্তী হৈয়েই কিন্তু কিছুমান মানুহে কাচুটি এৰিছে। পৃথিবীত, আৰু আইকৈ ভাৰতত এনেকৈ তাকৰীয়া সৰহীয়া দুই ভাগে পৰস্পৰ ঠেলাঠেলিকৈ নমৰাকৈ আগৰ কালত থাকিব পৰাটো দেখা নাযায় জানো? মানুহ যে গৰুমহৰ জাক বা গছগছনি নহয়, মানুহ হে, এইটোও ভাবিব নোৱাৰি নে? পৃথিবীত তাকৰীয়া দলও সুস্থ সবল হৈ থাকি সৰহীয়া দলেৰে সৈতে সংসাৰ-যাত্ৰা নিৰ্ব্বাহ কৰি থকাটো নাভূত-নাশ্ৰুত নহয়। নাভূত-নাশ্ৰুত তো দূৰৰ কথা, বৰং এনেটোৱেইহে যে সততে চকুত পৰা আৰু সম্ভৱ কাৰ্য্য, এইটোকো বঢ়িয়াকৈ দেখা যায়। তাকৰীয়াই সৰহীয়ালৈ একেবাৰেই মিছা ভয় কৰি "পৰত আশ" "বনত বাস" কৰে আৰু কৰি থাকিবলৈ ওলায়, এইটো বেজাইৰ কথা। যেতিয়া ভাৰতত বাঘ ৰজা আৰু ভালুক ৰজা আছিল তেতিয়া আফ্ৰিকাৰ সিংহই এই দুই ৰজাৰ ৰাজ্য পাহাৰা দি ৰক্ষা কৰি আছিল নে? আৰু তেনেকৈ থাকিলেহে এই দুই ৰজাই নিজৰ ৰাজ্য ৰক্ষা কৰিব পাৰিব, যদি এনেটোহে কথা হয়, তেন্তে তেনে ফপহুতা ৰাজ্যৰ কুচুং ৰজা হৈ থাকিবলৈ যোৱাটোও অপমানৰ কথা নিশ্চয়। কোনোৱে ভাবিছে হবলা যে সিংহৰ আশ্ৰয়ত আৰু সহায়ত কিছুকাল থাকি নিজৰ গাত বল বান্ধি লৈ পিছত থিয় হোৱা যাব। সেইটো কিন্তু নেচেল; কাৰণ সি স্বভাৱৰ বিপৰীত। মাকৰ আঁচলত ধৰি থাকোতা লৰা, বুঢ়া হলেও লৰা হৈয়েই থাকিব। নিজৰ বাহুবল আৰু বুদ্ধিবলেৰে যি দুই পক্ষ থিয় হৈ থাকিবলৈ যত্ন নকৰি তৃতীয় পক্ষৰ সহায়লৈ বাট চাই থাকে, 'সেই দুই পক্ষৰে গতি ৰসাতল।

* * *

ভাৰতবৰ্ষতে যে অকল কালীপূজা কৰি ডকাইত আৰু চোৰে ডকাইতি আৰু চুৰ কৰিবলৈ যায় এনে নহয়, পৃথিবীৰ আন আন সুসভ্য দেশৰ চোৰবো এনে পৰ্কিতি আছে। ৰোমৰ ডাঙৰ গিৰ্জ্জা ছেণ্টপিটৰত অনেক চোৰ-ডকাইতে সেৱা-অৰ্চ্চা কৰি চুৰি-ডকাইতি কৰিবলৈ যোৱাটো সিহঁতৰ ভিতৰত সাধাৰণ ৰাতি। ফ্ৰান্সৰ চোৰে পেৰিছৰ "নটৰ ডেম" Noter Dame নামৰ ডাঙৰ গিৰ্জ্জাত তেনে কৰে। পেৰিছৰ আপাচি ( Apaches ) শ্ৰেণীৰ চোৰে চুৰ কৰিবলৈ যোৱাৰ আগতে কুঁজাৰ কুঁজটো ছুই যায়। সেইদৰে গলে হেনো সিহঁত কৃতকাৰ্য্য হয় বুলি সিহঁতৰ বিশ্বাস। এদল চোৰ আছে, সিহঁতৰ বিশ্বাস যে লগত এন্দুৰৰ মূৰ এটা লৈ গলে কাৰ্য্যসিদ্ধি হয়। যদি কেনেবাকৈ সেই মূৰটো হেৰায়, সিহঁতৰ মাজত আতঙ্ক উপস্থিত হয়। ঠগবিলাকে ছাগলীৰ গাখীৰ মাটিত ঢালি দেবীক সন্তুষ্ট কৰি ডকাইতি কৰিবলৈ যায়। ইংৰাজ চোৰে পুলিছ-থানাৰ ওচৰৰ ঘৰত চুৰ কৰিব পৰাটো শুভ লক্ষণ বুলি ভাবে। অনেক য়ুৰোপীয় চোৰে ভিকহক খুৱায়, আৰু ভিক্ষা দান কৰে। ভাৰততো বিখ্যাত তাঁতিয়া ভিলৰ এনে অপৰিমিত দান কাৰ্য্যৰ কথা প্ৰচাৰিত আছে। বিলাতৰ অনেক দগধা চোৰে নিয়মমতে গিৰ্জ্জালৈ গৈ উপাসনা কৰে। হোটেলৰ চোৰে ১৩ নম্বৰৰ খোটালিত চুৰ কৰিবলৈ নোসোমায়, কাৰণ সিহঁতৰ বিশ্বাস, সেই খোটালিত চুৰ কৰাটো সিহঁতৰ পক্ষে অমঙ্গলৰ কথা। কোনো কোনো খৃষ্টান চোৰে দেওবাৰে চুৰ নকৰে।

* * *

"আসামত বিদেশী" এই নামৰ কিতাপ এখন শ্ৰীযুত জ্ঞাননাথ বৰা বি,এলৰ পৰা পাইছোঁ। তেওঁৱেই গ্ৰন্থকৰ্ত্তা। কিতাপখন সৰু, কিন্তু জোখত গধুৰ। তাত যি কেইটা প্ৰশ্নৰ আলচ কৰা হৈছে, সেই কেইটা সকলোৱে ভালকৈ ভাবিবলগীয়া। গ্ৰন্থৰ ঘাই সিদ্ধান্ত, উদ্দেশ্য আৰু উপায়:—

(১) "আসামত বিদেশীয়েই উন্নতিৰ বাটত ঘাই বিঘিনি।"

(২) তাক আঁতৰাই অসমীয়াই কৰ্কাল পোন কৰিব লাগিব।



(৩) ধনেই সকলো প্ৰকাৰ উন্নতিৰ মূল। বিনা ধনে কোনো দেশে আজিলৈকে উন্নতিৰ বাটত আগুৱাব পৰা নাই। যদি জাতীয় উন্নতিলৈ কোনোৱে বাঞ্ছা কৰে তেন্তে তেওঁ প্ৰথমে মানুহে যাতে ধন আৰ্জ্জনৰ ব্যৱস্থা কৰে তাৰ চেষ্টা কৰিব লাগিব। ধন নহলে পঢ়াশালি পাতিব নোৱাৰি, ধন নহলে কলেজ হব নোৱাৰে, ধন নহলে বিশ্ববিদ্যালয় হব নোৱাৰে, ধন নহলে কল-কাৰখানা পাতিব নোৱাৰি, ধন নহলে ছাত্ৰ বিদেশলৈ পঠাব নোৱাৰি, ধন নহলে কি বিজ্ঞান, কি সাহিত্য, কি দৰ্শন, একোৰে চৰ্চ্চা হব নোৱাৰে। ধন নহলে দেশ যে কেৱল দৰিদ্ৰ হয় এনে নহয় জ্ঞান লাভৰ উপায় নাপাই মূৰ্খও হয়।

(৪) আসামত ধন নাই আৰু আজিও অসমীয়াই ধন আৰ্জ্জনৰ ব্যৱস্থা কৰা নাই।

(৫) অসমৰ বেহা-বেপাৰ তেনেই বিদেশীৰ হাতত বেপাৰ-বাণিজ্য তেওঁলোকে গোটেই হাত কৰি অজস্ৰ ধন নিবলৈ ধৰিছে, আৰু অসমীয়াই নিৰুপাই হৈ মুখ মেলি চাই আছে। দোকান-পোহাৰ বিদেশীৰ হাতত। অসমত বাঢ়ৈ, নাপিত, ধোবা, গুৱাল, দৰ্জ্জি পৰ্য্যন্ত বিদেশী।

(৬) ধন আৰ্জ্জনৰ ঘাই উপায় বেপাৰ আৰু ব্যৱসায়। যদি অসমীয়াই নিজৰ অস্তিত্ব ৰাখিবলৈ মন কৰে, তেন্তে আসামৰ বেপাৰ আৰু ব্যৱসায় নিজৰ হাতলৈ আনিব লাগিব। বেহা-বেপাৰ হাতলৈ অনা অসমীয়াৰ মূল কৰ্ত্তব্য।

(৭) কি উপায়ে ইয়াক হাত কৰিব পাৰি এয়ে সমস্যা। স্বাধীন দেশত আইন কৰি নিজৰ বেপাৰ-ব্যৱসায় বিদেশীৰ হাতৰ পৰা নিজৰ হাতলৈ অনা হয়। কিন্তু অসমৰ সেই বাট বন্ধ। তেন্তে আন কি উপায়?

(৮) আন উপায়—"অসমীয়াই অসমীয়াক সহায় কৰা। অসমীয়াসকলে ঠায়ে ঠায়ে দোকান পাতিবলৈ আৰু বেপাৰ কৰিবলৈ ধৰিলে অসমীয়া ৰাইজে তেওঁলোকক সকলো প্ৰকাৰে সহায় কৰিব লাগিব; আসামৰ ইমূৰৰ পৰা সিমূৰলৈকে একেলগে বহুত অসমীয়াই বেপাৰ কৰো বুলি আগুৱাই আহিব লাগিব আৰু তেওঁলোকক সহায় কৰো বুলি গোটেই ৰাইজ একত্ৰ হৈ উঠিব লাগিব। যি ঠাইত বিদেশীয়ে দোকান আৰু বেপাৰ কৰিছে সেই ঠাইলৈ অসমীয়াই গৈ দোকান আৰু বেপাৰ দিব লাগিব আৰু গাওঁলীয়া ৰাইজে সেই অসমীয়া বেপাৰীকহে মাথোন সহায় কৰিব লাগিব।

(৯) এই কাৰ্য্য সাধন কৰিবলৈ অসহযোগী আন্দোলনৰ নিচিনা এটা ডাঙৰ আন্দোলন লগাই দেশ থলক লগাব লাগিব। গাৱেঁ গাৱেঁ নগৰে নগৰে অসমীয়া ৰাইজক বুজাব লাগিব যে ভাৰতৰ স্বৰাজ লাভৰ কাৰণে আসামৰ স্বাতন্ত্ৰ্য ৰক্ষা কৰাৰ আৱশ্যক হৈছে; আৰু বৰ্ত্তমান অৱস্থাত ধন-বল নহলে সেই স্বাতন্ত্ৰ্য ৰক্ষা নহয়। ধনলাভৰ ঘাই উপায় বেহা-বেপাৰ। ই এতিয়া অসমীয়াৰ হাতত নাই। বিদেশীৰ হাতৰ পৰা বেহা-বেপাৰ অসমীয়াৰ হাতলৈ আনিব লাগিব। এদলে দোকান দিওঁ বেপাৰ কৰো বুলি মৰো-জীওঁ-সো-আধি কৰি ওলাব লাগিব, বাকীবোৰে তেওঁলোকৰ দোকানৰ পৰা হে বস্তু-বেহানি নিব লাগিব, আৰু তেওঁলোকক হে মাথোন বেপাৰ কৰিবলৈ বস্তু দিব লাগিব। এই ভাব মানুহৰ মনত জাগৰিত কৰিবলৈ ৰীতিমতে নগৰে নগৰে সভাসমিতি, গাৱেঁ গাৱেঁ শাখা-সমিতি পাতিব লাগিব; আৰু ঠায়ে ঠায়ে বক্তৃতা দি কাকতত লিখি দেশময় আন্দোলন কৰি তোলপাৰ লগাব লাগিব।

(১০) এই কাৰ্য্যসাধনত অৱশ্যে বহুত বিঘিনি। বিদেশীয়ে ধন বলেৰে বা আন উপায়েৰে এই কাম নিষ্ফল কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব। বিদেশীয়ে নানা উপায়েৰে অসমীয়া ৰাইজক হাত কৰিবলৈ চেষ্টা কৰিব। কিন্তু বিদেশীৰ সেই যত্ন যাতে সফল হব নোৱাৰে, তাৰ চেষ্টা গুৰিৰে পৰা কৰিব লাগিব।"

ওপৰৰ এইবোৰ গ্ৰন্থকাৰৰ কথা। আমাৰ কথা:— ওপৰৰ কথাত এৰা, এৰা, হয়, হয়। উপায়বোৰ বৰ টান। কিন্তু টান উপায় নহলে টান কাম কৰাও টান। কাম নকৰি গোত্তত উপজি উটি গলে, জাজি হৈ উটি যোৱাইহে হব, নিজৰ একো নহয়; লোকৰ ঘাটত লাগি থাকি লোকৰ জুইৰ খৰি মাথোন হোৱা যাবৰ সম্ভৱ।

অসমীয়া দোকানী আৰু সাউদক হে মাথোন সহায় কৰিবলৈ অসমীয়া ৰাইজক বুজাব লাগিব সঁচা; কিন্তু কোনে বুজাব? বুজাব এদল শিক্ষিত স্বদেশহিতৈষী উৎসাহী ডেকাই, তেওঁলোকেই "অসহযোগী আন্দোলনৰ নিচিনা এটা ডাঙৰ আন্দোলন লগাই দেশ থলক লগাব লাগিব।" এতেকে এই দল ডেকা কেনে হব লাগিব তাৰ সম্পৰ্কে দুই চাৰিআষাৰ কওঁ। (১) হব লাগিব একেবাৰেই স্বাৰ্থত্যাগী। নিভাঁজ দেশহিতৈষী, আৰু সেই হিতৈষিতাৰ ভিতৰত এটোপাও আত্মসুখ, আত্মসন্মান আত্মলাভৰ পানী থাকিব নালাগিব। এটোপা থাকিলেও সেই কাৰ্য্যৰ গাথীৰ কুৰুচিব। (২) তেওঁলোক ৰাইজৰ ঘৰলৈ আৰু কামলৈ যাব লাগিব "বাবু" বা "শ্ৰীযুত" বা "ডাঙৰীয়া" হৈ নহয়; একেবাৰেই "দীঘলা কাই" বা "কিনাৰাম ভাই" হৈ। আৰু হাতত নাঙল, কোৰ, শোটা বাঢ়নী লৈ। তেওঁলোকৰ টোপোলাত অহা চাউল, মগুমাহ আতাগুৰি ঘিউ আৰু চেনি নাথাকিব; থাকিব আহু চাউল আৰু লাওপাত কচুপাত ঢেকিয়া আৰু লাইজাবৰি। মুঠতে তেওঁলোক দীঘলা কাই আৰু কিনাৰাম ভাইৰে সৈতে আহাৰ আচাৰ-ব্যৱহাৰত একে হব লাগিব, আৰু দীঘলা কিনাৰামৰ দুখ-পতিৱা সুখ-ভগিৱা হব লাগিব। নতুবা তেওঁলোকৰ কথা গাৱঁলীয়া ৰাইজে নুশুনে; আৰু দুই চাৰিজনে শুনা যেন দেখুৱালেও পেটে পেটে সন্দেহ কৰিব, যে এই "বাবু" ডাঙৰীয়াসকলে আমাৰ পৰা সুবিধা লবলৈহে আহিছে, আৰু এওঁলোকৰ ইও এক ফন্দি।

৩। এইদলৰ শিক্ষিত ডেকা দুজন-তিনিজনকৈ একোখন গাৱঁত সোমাই থাকি তেওঁলোকে সেই সেই গাৱঁৰ ভিক্ষাৰ ভাৰ লওক; শোটা-বাঢ়নী লৈ গাৱঁৰ জাবৰ চাফ কৰক, নাঙল কোৰ লৈ গাৱঁলীয়াৰ পথাৰত আৰু শাকনিবাৰীত সহায় কৰক; স্বাস্থ্যৰ বিষয়ে নিজে আহি দেখুৱাই আৰু বুজাই গাৱঁলীয়াক স্বাস্থ্যৰক্ষাৰ উপায় শিকাওক; পথাৰ আৰু হোলাৰ দূষিত পানী খোৱাটো পৰিত্যাগ কৰাওক; খোৱা পানীৰ পুখুৰীত গা ধোৱা, কাপোৰ ধোৱা ইত্যাদি যে বেয়া আৰু সাঙ্ঘাতিক সেইটো গাৱঁলীয়াৰ মনত ভালকৈ বহুৱাই দিয়ক,—কাৰ্য্যেৰে প্ৰমাণ কৰি; গাৱঁলীয়াৰ ভাওনা-সবাহত, বিয়া-সবাহত যোগ দি সহানুভূতি দেখুৱাওক; মুঠতে তেওঁলোকৰ ভিতৰৰে এজন হৈ তেওঁলোকক সকলো প্ৰকাৰ উন্নতিৰ বাটত চলাওক। গাৱেঁ গাৱেঁ, (একেবাৰেই ইংৰাজী স্কুলৰ গঢ়েৰে নহয়) স্কুল-পঢ়াশালি পাতি গাৱঁলীয়া লৰা-ছোৱালীক পঢ়োৱাৰ দিহা কৰক; বুঢ়া, বাৰী ডুপীয়া লোক যতৰত সূতাকটা কামত বুজাই-বৰাই লগাওক; ডেকা আৰু বুঢ়াকো আহৰীয়া বতৰডোখৰ কামত লগাবলৈ দিহা কৰক; তেওঁলোকৰ ৰাজহুৱা নাম, সবাহ, পূজাসেৱা আদিতো সহায়ক হওক। এনে কৰিলেহে কাৰ্য্য সিজিব। নতুবা সভাসমিতি বক্তৃতা কৰি আন্দোলন কৰিলে তেওঁলোকৰ নিজৰ ভিতৰতহে থলক লাগিব; ৯০ জন গাৱঁলীয়া ৰাইজৰ ভিতৰত নালাগে। নগৰতো তেওঁলোকে নিজৰ কাৰ্য্য আহি আৰু ব্যৱহাৰৰ দ্বাৰাই নগৰীয়াৰ হৃদয়ৰ শ্ৰদ্ধা আকৰ্ষণ কৰিব লাগিব; নতুবা এই আন্দোলন বিফল।

এহেজাৰ নাইবা অন্ততঃ পাঁচশ অসমীয়া শিক্ষিত ডেকাই মাতৃভূমিৰ মঙ্গলৰ অৰ্থে সম্পূৰ্ণৰূপে আত্মবিসৰ্জন কৰি একাগ্ৰধীয়াভাৱে এই কাম কৰিবলৈ ওলাব পাৰিব নে? তেওঁলোকে লাগিলে প্ৰাণ পৰ্য্যন্ত পণ কৰি দেশৰ সেৱা কৰিবলৈ থিয় হব পাৰিবনে? দেশৰ সেৱা কৰোঁতে লাজ, অপমান, নিন্দা, স্তুতি, ভয়, বিপদ সকলোবোৰ একেবাৰেই কাতিকৈ থৈ কাৰ্য্যত লাগিব পাৰিব নে? পাৰিলে নিশ্চয় নিশ্চয় তেওঁলোক কৃতকাৰ্য্য হব। দেশৰ দুৰ্গতি মোচন বৰ টান কাম। এই কামৰ বেচ যথা সৰ্ব্বস্ব ত্যাগ। হাতত পোৱা যথাসৰ্ব্বস্বত্যাগ কৰি কৃচ্ছ্ৰসাধ্য যথাসৰ্ব্বস্ব লাভ কৰিবলৈ হেপাহ কৰোতা ৫০০ নহলেও অন্ততঃ ১০০ ডেকাক অতীতত ৰত্নগৰ্ভা বীৰপ্ৰসবিনী আই অসমে প্ৰসৱ কৰাটো আকাশ-কুসুম নে! নিশ্চয় নহয়। আজি যাক অসম্ভৱ বুলি মনত ধৰিছে, কাইলৈ সি সম্ভৱ হোৱা দেখা গৈছে। এতিয়াও এই বিষয়ত হব পাৰে। শুনা, ৰুছিয়াই আৰু চীনে কৈছে—অসম্ভৱ নহয়। আজি দহ হেজাৰ ৰুছ ডেকাই নিজৰ সুখৰ আকাঙ্ক্ষা আৰু স্বাৰ্থ বলি দি জন্মভূমিৰ উদ্ধাৰ নিমিত্তে কঁকালত টঙালি বান্ধি উঠিছে। ফলত ৰুছিয়া দিনকদিনে শকত হৈ আগুৱাব লাগিছে। চীনৰ হেজাৰ হেজাৰ ডেকাই মাতৃভূমিৰ নিকাৰ গুচাবৰ নিমিত্তে আজি কায়বাক্যমনে সাজু। আজি নহয় কাইলৈ, কাইলৈ নহয় পৰহিলৈ তেওঁলোকৰ কাৰ্য্যৰ বিজয় তিলকে তেওঁলোকৰ কপাল শোভা কৰিবই, নিশ্চয় জানিবা।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---


## চুলিৰ নিমিত্তে কেশৰঞ্জন



কিয়নো — কেশৰঞ্জনে যেনেকৈ চুলি কোমল, কেকোৰা, নিমজ আৰু ঘোৰ কলা কৰিব পাৰে—এনেকৈ আন একোৱেই নোৱাৰে। কেশৰঞ্জন সদায় ঘঁহিলে চুলিসৰা গুচে, টপা গুচায়, চুলিৰ গুৰি শকত কৰে, বুঢ়া কালতো উঠি অহা ডেকাৰ নিচিনা শ্ৰী হয়।

## গ্ৰহৰ বিপাকত কুবুদ্ধিৰ সঞ্চাৰ

বৰ বুধিয়ক প্ৰাণীকো গ্ৰহৰ বিপাকত কু-বুদ্ধিয়ে ধৰে। কিন্তু তাৰ ফল তেঁৱেই ভোগ কৰিব লাগে। মিৰমিৰিয়া জ্বৰ উঠিছে, দিনে ৰাতিয়ে জ্বৰ আছেই, তাৰ উপৰিও থাপৰি আগ-মঙহ বাঢ়ি গৈছে, শৰীৰৰ দিনে দিনে ৰুকা ওলাইছে, মুখৰ বৰণ ধেলা হৈছে, শৰীৰত তেজ নাই, মূৰ দাঙিলে মূৰ ঘূৰে, এনে মেলেৰিয়া জ্বৰে হাৰ মঙহ ভেদিছে তথাপি বজাৰৰ সস্তা দামৰ পেটেণ্ট দৰব কিনি জ্বৰক হেচা দি থবলৈ চেষ্টা কৰা আৰু পৰামৰ্শ দিওতাৰ অভাৱ নাই। এজনে কব অমুকটো দৰব খোৱাঁ, আন জনে কব অমুক দৰবটো বৰ উপকাৰী। সৰল বিশ্বাসত আমাৰ "পঞ্চতিক্ত বটিকা" ব্যৱহাৰ কৰক—সাদিনৰ ভিতৰত স্থায়ী গুণ পোৱাৰ সম্ভৱ। দাম প্ৰতি টেমাত এটকা, ডাক মাচুল—তিনি অনা।

## নিৰাশাত আশাৰ কথা—বিনামূল্যত ব্যৱস্থা

মফঃস্বলৰ ৰোগীসকলে একঅনীয়া টিকট সহ অৱস্থা লিখি পঠালে মই নিজে ব্যৱস্থা পঠাও। আমাৰ ঔষধালয়ত তেল, ঘিঁউ, আসব, অৰিষ্ট, জাৰিত, শোধিত, ধাতু দ্ৰব্যাদি, স্বৰ্ণঘটিত মকৰধ্বজ আৰু গান্ধকলাই আদি সদায় সস্তা দামত পোৱা যায়।—

**কবিৰাজ—নগেন্দ্ৰনাথ সেন**

**আয়ুৰ্ব্বেদিক ঔষধালয়**

১৮।১ ও ১৯ নং লোৱাৰ চিৎপুৰ ৰোড,

**কলিকতা।**

THE BANHI.
**Regd. No. C. 845.**

PLEASE TRY ONCE:—
KHOLILOOR ROHMAN & CO.
Fire Arms & Ammunition Seller
GAUHATI (Assam).

জে, এন, মুখাৰ্জ্জীৰ
ত্রিশ বছৰৰ পৰীক্ষিত আৰু বহুজন প্ৰশংসিত
চকুমাৰ্কা ৰেজিষ্টাৰ্ড
"আই কিওৰ"
সকলোবিধ চকুৰ ৰোগৰ অব্যৰ্থ মহোষধ।

ইয়াৰ দ্বাৰাই, চকু নমা, চকু ৰঙা হোৱা, খচ্‌খচোৱা, সদায় পানী ওলোৱা, পোহৰৰ ফালে চালে কষ্ট বোধ কৰা, ক্লেদ ওলাই চকুৰ পতা জাপ খাই থকা, ধুৰ্ব্বলীকুৰ্ব্বলী দেখা, ছানি, নেত্ৰনালি ইত্যাদি যাবতীয় চকুৰ বেমাৰ অতি অলপ সময়তে ভাল হয়। ইয়াত কোনোৰকমৰ দোষিত পদাৰ্থ নাই আৰু ব্যৱহাৰ কৰোতে জ্বলাপোৰা নকৰে। বেচ দুই ড্ৰামৰ চিচাত ।০, ৪ ড্ৰামৰ ।৵০ অনা, ১ আউন্স ।৵০ আনা মাত্ৰ। এক আউন্সৰ কমে ভিঃ পিঃ কৰা নহয়। পেকিং ডাকমাচুল বেলেগ।

পোৱাঠাই—মাতৃ হোমিও ঔষধালয়,
কলেজ ৰোড, কুমিল্লা।

ইঙ্ক ট্যাবলেট—প্ৰতি গ্ৰোছ মুদ্ৰিত সুৰক্ষিত টেমাত ভৰোৱা থাকে। ব্লুব্লাক, ৰঙা, সবুজ, ভায়লেট প্ৰতিগ্ৰোছ ১৲ মাঃ ।০ অনা। স্বৰ্ণময়ী ইঙ্কষ্টোৰ, পোঃ ইটালী, কলিকতা।

বিনামুল্যত ক্ষুৰ—প্ৰতি ট্যাবলেটত এক দোৱাত খুব ভাল ব্লুব্লেক চিয়াঁহী হয়। এক গ্ৰোছ মুদ্ৰিত সুৰক্ষিত টিনৰ বাকছত প্যাক কৰা মূল্য ১৸০ মাচুল ।৶০; ইয়াৰ লগত বহুদিনলৈ ভালে থকা আৰু খুব ধাৰাল 'হলো গ্ৰাউণ্ড' খুৰ এখন খাপে সৈতে বিনা মূল্যত দিয়া হব।
ষ্টুডেণ্ট কোং ১৭৮৯ নং পোষ্ট বক্স—বৌবাজাৰ, কলিকাতা।

ৰবীন ৱাচ—ই মুখখোলা, চাবিবিহীন, উৎকৃষ্ট জুয়েল থকা, মজবুত কল বিশিষ্ট ঠিক সময় ৰখা, বহুদিনলৈ ভালে থকা। মূল্য ১নং ১০৲; ২নং ৫৲; ৩নং ৪৲; মাচুলাদি ।৵০ অনা।
ৰবীনস্যান এণ্ড কোং ১৪নং ডিহি শ্ৰীৰামপুৰ ৰোড, কলিকাতা।

কালি—প্ৰতি বড়ীৰে দুদোৱাত খুব ডাঠ চিয়াহী হয়। ব্লুব্লেক ৫০০ টা ॥৵০ মাঃ ।৵০ বেগুনী ৫০০ টা ১।০ মাঃ ।৵০ অনা ষ্টুডেণ্টস্ কোং পোষ্ট বহুবাজাৰ
১৭৮৯ নং বাক্স, কলিকাতা।

জলছবি—ছুঠিলে মূল্য ফিৰত দিম। দেব-দেবী, গান্ধি, চিত্তৰঞ্জন, ফল-ফুল, জীৱ-জন্তু প্ৰভৃতিৰে ভৰা খুব ডাঙৰ ১২ ছিট ॥/০ মাঃ ।/০ ৩৬ ছিট ১।০ মাঃ ।৵০, ৭২ ছিট ২।০ মাঃ ॥৵০। ৰবীন এণ্ড কোং, পোঃ ইটালী, কলিকাতা।

Edited by Sj. Lakshminath Bezbaroa B. A.
Printed and Published by DUTIRAM MEDHI at THE NEW PRESS,
GAUHATI.